# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaāma saāhaitaya sabhaā patrakaikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1931-32 (1952-53 Sak) | Edition: |
| Size: 22 cms - 169 pages + 2 pages | Genre: Magazine |
| Volumes: 5th - 6 issues | Condition of the original: Not bad |
| Remarks: 1st published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# আসাম সাহিত্য-সভা-পত্ৰিকা।

ভাদ—আঘোন, ১৮৫২—৫৩ শঁক।

পঞ্চম বছৰ } মুঠ সংখ্যা ২৫—২৬ { ৫ম—৬ষ্ঠ সংখ্যা।


## আৰ্য্যসকলৰ বংশ-নিৰ্ণয়।

### যদুবংশ।



- ভদ্ৰশ্ৰেণ্য
  - দুৰ্ম্মদ বা দুৰ্দ্দম
    - ধনক
    - কৃতবীৰ্য্য
      - * অৰ্জ্জুন বা কাৰ্ত্তবীৰ্য্যাৰ্জ্জুন (পত্নী মনোৰমা)
        - শূৰসেনক
        - জয়ধ্বজ
          - তালজঙ্ঘ
            - ভৰত
        - মধু (১ম)
        - শূৰ
        - বৃষণ
          - মধু (২য়)
            - বৃষ্ণি (১ম)
    - ধানকি
    - কৃতাগ্নি
    - কৃতকৰ্ম্মা
    - কৃতভোগ্য বা কৃতৌজা

- তম
  - উশনা
    - শিতয়ু বা শ্বেতউৰ্ণায়ু
      - শ্ৰীৰুক্মকবচ
        - ৰুক্মেষু
        - পৃথুৰুক্ম
        - জ্যামঘ
          - বিদৰ্ভ
            - ক্ৰথ
            - কৌশিক
              - চিদি
                - কিল(চৈদ্যৰাজ)
                  - কুন্তি
                    - বৃষ্ণি (২য়)
                      - নিবৃতি
                        - দশা
                          - ব্যোম বা ব্যামা
                            - জীমূত
                              - বিকৃতি
                                - ভীমৰথ
                                  - মধুৰথ
                                    - শকুনি
                                      - কৰম্ভি
                                        - দেৱমত
                                          - দেৱক্ষত্ৰ
                                            - মধু (৩য়)
                                              - কুৰুবংশ
            - ৰোমপাদ
              - বভ্ৰু
                - ধৃতি বা কৃতি
        - পালিত
        - হৰি

* কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনে ভগবান পৰশুৰামৰ পিতা জমদগ্নি ঋষিক বধ কৰিছিল। কাৰণ এই :—জমদগ্নি ঋষিয়ে পত্নী ৰেণুকাক নৰ্ম্মদা নদীৰ পাৰলৈ লৈ গৈ তাতে নিৰ্জ্জনে দিবা-মৈথুন আৰম্ভ কৰিছিল। দিবা-মৈথুন বেদ-বিৰুদ্ধ কাৰ্য্য দেখি সূৰ্য্যাই বিপ্ৰ-ৰূপ ধাৰণ কৰি জমদগ্নিৰ আগত থিয় হৈ কলে :—"আপুনি বেদকৰ্ত্তা ব্ৰহ্মাৰ প্ৰপৌত্ৰ হৈ ধৰ্ম্মবিৰোধী, বেদবিৰোধী কাৰ্য্য কৰিছে, তাৰ মই সাক্ষী হলোঁ।" ঋষিৰ খং উঠি কলে—"বিপ্ৰৰূপী সূৰ্য্য! তুমি নিৰ্জ্জন স্থানত মোৰ ৰস-ভঙ্গ কৰিলা; সেই কাৰণে তোমাক শাপ দিলোঁ।—তুমি মেঘাচ্ছন্ন আৰু ৰাহু-গ্ৰস্ত হবা। তোমাক দেখি আঁতৰি যোৱা মেঘবিলাক বায়ুৱে আনি ঢাকিলে তুমি নিস্তেজ হবা—ৰাহুৱে গ্ৰাস কৰিবলৈ চল পাব।" সূৰ্য্যয়ো ঋষিক শাপ দিলে—"তুমিও ক্ষত্ৰিয়ৰ লগত পৰাজয় হৈ ক্ষত্ৰিয়ৰ হাতত মৰণ লভিবা।" পুনৰ ঋষিয়ে সূৰ্য্যক "শঙ্কৰৰ পৰা পৰাজিত হবা" বুলি শাপ দিলে। উভয়ৰ ভিতৰত তুমুল কন্দল হব বুলি জানি ব্ৰহ্মাই আহি সূৰ্য্যক কলে, "মই তোমাক ব্ৰহ্ম শাপৰ পৰা মুক্ত কৰিম। ব্ৰাহ্মণ অবধ্য পৰিপাল্য, সেই কাৰণে ব্ৰাহ্মণক শাপ দিব নালাগে। তুমি কেতিয়াবা মেঘাচ্ছন্ন হৈ তৎক্ষণাৎ মুক্ত হবা; আৰু তোমাক ৰাহুগ্ৰস্ত হোৱা দেখিলে লোকসকলৰ পুণ্য হব। অস্তকালত মেঘাচ্ছন্ন, মধ্যাহ্নত জলত অৰ্দ্ধোদিত কালত পাপদৃশ্য হবা। ভাৰ্য্যাৰ দুঃখৰ কাৰণে ভাৰ্য্যাৰ হেতুভূত হৈ পত্নী সংজ্ঞাই তোমাৰ তেজ সহ্য কৰিব নোৱাৰিলে শ্বশুৰ আৰু শ্যালকৰ দ্বাৰাই হততেজা হবা। মালি সুমালিৰ যুদ্ধত শিৱই তোমাক পৰাজিত কৰিব। ৰাহুগ্ৰস্ত হলে জন্ম সপ্ত অষ্ট বিক্ষ (দ্বাদশ) নব চতুৰ্থ দশম চন্দ্ৰ আৰু জন্ম, নিধন ঋক্ষত থকা লোকসকলৰ তুমি অদৃশ্য হবা।"

সূৰ্য্যৰ শাপৰ কাৰণেই কাৰ্ত্তবীৰ্য্যাৰ্জ্জুনৰ হাতত জমদগ্নিৰ মৃত্যু হয়। সূৰ্য্যগ্ৰহণৰো এয়ে কাৰণ।



- কুৰুবংশ
  - অনু
    - পুৰোহোত্ৰ
      - অংশু
        - সত্বশ্ৰুত বা সাত্বত
          - ভজিন
          - ভজমান(১ম)
            - নিমিবৃষ্ণি
            - অশ্মভাজিৎ বা অযুতাজিৎ
            - শতজিৎ
            - সহস্ৰাজিৎ
            - বভ্ৰুদেৱ
            - বৃহস্পতি
          - অন্ধক *
          - মহাভোজ
            - ভোজ
          - বৃষ্ণি(৩য়)
            - সুমিত্ৰক
              - সুধাজিৎ
              - অনমিত্ৰ
                - বৃষ্ণি(৪ৰ্থ)
                - চিত্ৰক বা চিত্ৰকৃৎ
                  - পৃথু
                  - বিপৃথু
                - শ্বফল্ক (পত্নী গান্দিনী)
                  - অক্ৰূৰ
                    - দেৱবান
                    - উপদেৱ
                  - আসঙ্গ
                  - সাৰমেয়
                  - মৃদুৰ
                  - মৃদুবি
                  - গৰি
                  - ধৰ্ম্মবৃদ্ধ
                  - সুকৰ্ম্মা
                  - ক্ষত্ৰোপেক্ষ
                  - অৰিমৰ্দ্দন
                  - শত্ৰুঘ্ন
                  - গন্ধমাদ
                  - প্ৰতিবাহ
                - নিম্ন
                  - সত্ৰাজিৎ
                  - প্ৰসেন
                - শিনি
                  - সত্যক
                    - সাত্যকি
                      - সঞ্জয়
                        - কুণি বা কলি
                          - যুগন্ধৰ
              - শিনি
          - দেৱাবৃধ
          - মাৰি

- * অন্ধক
  - শুচি
  - কুকুৰ
    - বৃষ্টি
      - কাপোতৰোমক
  - ভজমান(২য়)
    - বিদূৰথ
      - শূৰ বা শিব
  - কম্বলবৰ্হিষ




উগ্ৰসেনৰ ৯ জন পুত্ৰ যথা—কংস, সুনামা, বট বা ন্যগ্ৰোধ, কঙ্ক, শঙ্কু, সুহু, ৰাষ্ট্ৰপাল, ধৃষ্টি, তুষ্টি।
উগ্ৰসেনৰ ৫ জনী কন্যা যথা—কংসা, কংসবতী, কঙ্কা, শূৰভূ, ৰাষ্ট্ৰপালিকা। ‡

* সূতিকা-গৃহৰ পৰা সম্বৰাসুৰে হৰণ কৰিছিল ; ১৬ বছৰতহে অসুৰক সবংশে নিধন কৰি ঘূৰি আহিছিল। এওঁৱেই তেজপুৰৰ বাণ ৰজাৰ কন্যা উষাক বিবাহ কৰাইছিল।

† দেবকৰ পুত্ৰ আৰু কন্যাসকলক তললৈ দেখুউৱা হৈছে।

‡ উগ্ৰসেনৰ এই কন্যা কেইগৰাকীক বসুদেৱৰ ভায়েকসকলৈ বিয়া কৰাইছিল।

§ বসুদেৱে দেবকৰ এই সাতগৰাকী জীয়েকক বিয়া কৰাইছিল।



শ্ৰীকৃষ্ণ—

এসময়ত দেৱপত্নীসকল কামাতুৰা হৈ নাৰায়ণ-ধামলৈ গৈ নাৰায়ণক তেওঁলোকৰ পতি হবলৈ অনুৰোধ কৰিছিল। নাৰায়ণে খঙত জ্বলি শাপ দিব খুজিছিল। নাৰায়ণৰ ভ্ৰাতা নৰ ঋষিয়ে অবলা তিৰোতা জাতিৰ ওপৰত খঙ কৰা যুগুত নহয়, বৰং সাধু বাক্যেৰে তেওঁলোকক বিদায় দিয়া ভাল বুলি কোৱাত ঈষৎ হাস্যেৰে দেৱপত্নীসকলক নাৰায়ণে কলে "হে দেৱপত্নীসকল! বৰ্ত্তমান মই যোগ ব্ৰতত আছোঁ, মই তোমালোকৰ পতি হব নোৱাৰোঁ, মোৰ ব্ৰত ভঙ্গ কৰিবলৈ তোমালোকে যত্ন নকৰিবা। অষ্টাবিংশতি দ্বাপৰ যুগত দেৱকাৰ্য্য সাধন কৰিবৰ কাৰণে মই ভূতললৈ যাম; তোমালোকো ৰাজকন্যা হৈ থাকিবা; তেতিয়া মই তোমালোকৰ পতি হম: তোমালোকে পত্নী ভাব পাবা।" নাৰায়ণে দেৱপত্নীসকলক এইদৰে কোৱাত দেৱপত্নীসকল স্বৰ্গলৈ উলটি গল।

অষ্টাবিংশতি দ্বাপৰ যুগৰ শেষত পৃথিবীয়ে জৰাসন্ধ আদি ৰজাবিলাকৰ অত্যাচাৰত পীড়িতা আৰু ভীতা হৈ গোৰূপ ধাৰণ কৰি ইন্দ্ৰৰ ওচৰলৈ গৈছিল। ইন্দ্ৰই গোৰূপা হৈ যোৱা দেখি অতি আশ্বাসেৰে পৃথিবীক সুধিলে—"তুমি কিয় এনেকৈ আহিছা।" ইন্দ্ৰৰ কথা শুনি পৃথিবীয়ে উত্তৰ দিলে—"মগধ দেশৰ ৰজা ঘোৰ পাপী জৰাসন্ধ, চেদিপতি শিশুপাল, বলবাম কাশীৰাজ, কুণ্ডিলৰ ৰুক্মবীৰ, মথুৰাৰ কংস, মহাবল নৰক কামৰূপাধিপতি, সৌৰপতি শাম্ব, ক্ৰূৰপ্ৰকৃতি কেশী, ধেনুক বৎসক আদি ৰজাসকলৰ অত্যাচাৰত অতি অসহ্য কষ্ট ভোগ কৰিছোঁ আৰু তাৰে প্ৰতিকাৰ কৰিবৰ কাৰণে আপোনাৰ ওচৰলৈ আহি জনাইছোঁ। কাৰণ এই ৰজাবিলাক সকলো ধৰ্ম্মবিহীন, পাপাচাৰী, মদমত্ত, পৰস্পৰবিৰোধী আৰু কালৰূপী হৈ এওঁবিলাকে মোক কষ্ট দিছে। কশ্যপৰ পুত্ৰ দুষ্ট দৈত্য হিৰণ্যাক্ষই যেতিয়া মোক হৰণ কৰি মহাসাগৰত ডুবাই থৈছিল, তেতিয়া বিষ্ণুৱে বৰাহৰূপ ধাৰণ কৰি হিৰণ্যাক্ষক হনন ক্ৰমে মোক উদ্ধাৰ কৰি কষ্টৰ পৰা মোচন কৰে আৰু সুস্থিৰা কৰি ৰাখে। বিষ্ণুৱে যদি তেতিয়া উদ্ধাৰ নকৰিলেহেতেন মই পাতালতে দুখেৰে থাকিলোঁহেতেন, এনে অত্যাচাৰ সহ্য কৰিব নালাগিলহেতেন। অষ্টাবিংশতি কলিৰ ওচৰ চাপি আহিছে। কলি প্ৰবেশ হলে উৎপীড়িত হৈ ৰসাতললৈ যাব লাগিব। হে ইন্দ্ৰ এতেকে মোৰ ভূভাৰ-হৰণৰ উপায় শীঘ্ৰে কৰক।"

ইন্দ্ৰই পৃথিবীৰ এই করুণ বাক্য শুনি পৃথিবীক ব্ৰহ্মাৰ ওচৰলৈ পঠিয়ালে আৰু পাচতে ইন্দ্ৰাদি দেৱতা সকলো ব্ৰহ্মাৰ ওচৰলৈ গল। ব্ৰহ্মাই সুৰভিক কান্দি অহা দেখি যোগ বলেৰে পৃথিবী আহিছে বুলি জানি পৃথিবীক অতি আশ্বাসেৰে সম্বোধন কৰি সুধিলে—"হে কল্যানি! তুমি কিয় ক্ৰন্দন কৰিছা, তোমাৰ কি দুখ হৈছে, তোমাক কোন পাপিষ্ঠই কষ্ট দিছে কোৱাঁ?" পৃথিবীয়ে কলে—"কলিকাল আহিছে, প্ৰজাবিলাক ঘোৰ পাপাচাৰী হৈছে, ৰজাবিলাক দুৰাচাৰী আৰু পৰস্পৰবিৰোধী হৈছে; কলিকালত দুৰ্দ্দান্ত, চৌৰকৰ্ম্মপৰায়ণ ৰাক্ষস প্ৰকৃতিৰ ৰজা প্ৰজা সকলো হৈছে। ভূভাৰ হৰণ নকৰিলে গত্যন্তৰ নাই; এতেকে ইয়াৰ উপায় কৰক।" ব্ৰহ্মাই কলে—"মোৰ ভূভাৰ হৰণ কৰা শক্তি নাই; শিবৰ ওচৰলৈ যাওঁ বলাঁ।" এই বুলি সকলো শিবৰ ওচৰলৈ গৈ শিবক জনালে। শিবেও তেওঁ অকলৈ একো কৰিব নোৱাৰে বুলি সকলো বিষ্ণুৰ ওচৰলৈ গল। বিষ্ণুৱেও দেৱতাসকলক দেখি স্বাগত প্ৰশ্ন কৰি দেৱতা সকলৰ অহাৰ কাৰণ সুধিলে। ব্ৰহ্মাই ৰজা প্ৰজা সকলো পাপাচাৰী, লোভী, পৰস্পৰবিৰোধী হোৱা বাবে পৃথিবীৰ অসহনী হৈ ভূভাৰ হৰণ কৰিবলৈ জনাইছে

বোলাত বিষ্ণুৱেও কলে—"এই ভূভাৰ-হৰণ কৰা বিষয়ত মই স্বাধীন নহওঁ; আৰু ব্ৰহ্মা, শিৱ, ইন্দ্ৰ, বায়ু, বৰুণ, অগ্নি, বিশ্বকৰ্ম্মা কোনো স্বাধীন নহয়। স্থাবৰ জঙ্গমাত্মক এই নিখিল জগৎ যোগমায়াৰ বশীভূত, আব্ৰহ্মস্তম্বপৰ্য্যন্ত সকলোৱেই মহামায়াৰ গুণ-সূত্ৰত গ্ৰথিত, তেওঁহে সকলো কৰিব পাৰে। মই যদি স্বাধীন হওঁহেতেন, কিয় মহাসাগৰত মৎস্য কচ্ছপৰূপ ধাৰণ কৰিলোঁহেতেন? তিৰ্য্যগ যোনিত কি সম্পদ্-ভোগ, কি কীৰ্ত্তি বা সুখ? ক্ষুদ্ৰ যোনিত জন্ম গ্ৰহণ কৰাত মোৰ কি পুণ্য বা ফল আছে? শূকৰ, বামন, নৃসিংহ ৰূপ কিয় ধৰিছিলোঁ? মই কিয় জমদগ্নিৰ পুত্ৰ হৈ নৃশংস কাৰ্য্য কৰি ৰক্তেৰে পৃথিৱী পৰিপূৰ্ণ কৰিছিলোঁ? নিৰ্দ্দয় ভাৱেৰে গৰ্ভস্থ ক্ষত্ৰিয় শিশুকো কিয় বধ কৰিলোঁ? ৰাম অৱতাৰ হৈ কাইলৈ ৰজা হম বোলাৰ আগতে জটাবল্কল ধাৰী হৈ প্ৰিয়তমা ভাৰ্য্যা আৰু অনুজ লক্ষ্মণ সহ বনবাসলৈ কিয় গলোঁ? পিতাৰ মৰণ হল, বনত ৰাক্ষসে সীতা হৰিলত ৰাক্ষসৰ সহায় লৈ ৰাৱণ আদিক নিধন কৰি সীতাক উদ্ধাৰ কৰি আনিব লগা হল; লক্ষ্মণক আৰু মোক উভয়কে ইন্দ্ৰজিতে নাগপাশেৰে বান্ধোঁতে গৰুড়ে মুকলি কৰিব লগা হল; বনবাসৰ অন্তত ৰজাভিষেক হৈয়ো প্ৰজাৰ কোঁহকালত সীতাক বনবাসলৈ পঠোৱা হল; শেহত সীতাই পাতালত প্ৰৱেশ কৰিলে। এতেকে মোৰ স্বাধীনতা নাই। হে দেৱতাসকল! আপোনালোকে মহামায়াক আৰাধনা কৰক; মহামায়াই আপোনালোকৰ সকলো বাঞ্ছা পৰিপূৰ্ণ কৰিব।" বিষ্ণুৰ বাক্য শুনি দেৱতাসকলে মহামায়াক হৃদয়ত ধ্যান কৰাত ক্ষণকালতে জবাপুষ্পবৎ ৰক্তবৰ্ণা জগজ্জননী ভগৱতী মহামায়া পাশ, অঙ্কুশ, বৰ, অভয় ধাৰণ কৰি প্ৰত্যক্ষ হল। সকলো দেৱতাই ভগৱতীক স্তৱ কৰিবলৈ ধৰিলে:—"হে দেবি, আপুনি শুম্ভ, নিশুম্ভ, ৰক্তবীজ, চণ্ড, মুণ্ড, ধুম্ৰলোচন, দুৰ্ম্মুখ, দুঃসহ, মহিষাসুৰ আদিক বধ কৰি যেনেকৈ পূৰ্ব্বকালত শান্তি স্থাপন কৰিছিল সেই দৰে এতিয়াও কংস, নৰকাসুৰ, দন্তবক্ৰ, সুত, কেশী, জৰাসন্ধ, বক, পুতনা, খৰ, শাল্ব এই বিলাকক বধ কৰি পৃথিৱীৰ ভাৰ হৰণ কৰিব লাগে।" দেৱতাসকলে এইদৰে কোৱাত জগৎ-ধাত্ৰী যোগমায়াই হাস্যবদনেৰে গম্ভীৰস্বৰেৰে কলে:—"হে দেৱগণ! মই পূৰ্ব্বেই স্থিৰ কৰিছোঁ যে মাগধ প্ৰভৃতি দৈত্যবংশ সম্ভূত নৰপতিসকল বঢ়াই বাঢ়িছে, মই সেই সকলক শক্তিহীন কৰি বিনাশ কৰিম; তোমালোকে নিজ নিজ অংশেৰে ভূতলত অৱতীৰ্ণ হৈ মোৰ শক্তিৰ সহায়ত পৃথিৱীৰ ভাৰাৱতৰণ কৰিবাহক। দেৱতা সকলৰ সৃষ্টিকৰ্ত্তা কশ্যপ ভাৰ্য্যাৰে সৈতে যদুবংশত আগেয়েই আনকদুন্দুভি নামে জন্ম গ্ৰহণ কৰিব। অনাদি ভগৱান বিষ্ণুৱেও ভৃগুশাপত স্বীয় অংশেৰে সেই আনকদুন্দুভিৰ পুত্ৰ হৈ জন্ম গ্ৰহণ কৰিব। বসুদেৱক আনক দুন্দুভি বুলিব। সেই সময়ত মই নিজে গোকুলত যশোদাৰ গৰ্ভত জন্মগ্ৰহণ কৰিম; অনন্তক দেৱকীৰ গৰ্ভৰ পৰা ৰোহিণীৰ গৰ্ভলৈ নিম; কাৰাগাৰত জন্মহোৱা বিষ্ণুক গোকুললৈ পঠিয়াম। হে দেৱসত্তমসকল! ময় দেৱতাসকলৰ সকলো কাৰ্য্য সম্পন্ন কৰিম। কৃষ্ণ, বলোৰাম উভয়েই মোৰ শক্তিৰে বৰ্দ্ধিত হৈ দ্বাপৰৰ শেষত দুষ্ট-ক্ষয় কৰিব। অৰ্জ্জুন যুধিষ্ঠিৰ, ভীম, নকুল, সহদেৱ আৰু ভীমই দুষ্ট ৰজাবিলাকৰ বল ক্ষয় কৰিব। দেৱতাসকল! আপোনালোকে আজি নিজালয়লৈ যাওক, পৃথিৱী সুস্থিৰা হওক, মই মোৰ নিজ শক্তিৰে কুৰুক্ষেত্ৰত ক্ষত্ৰিয় ক্ষয় কৰিম। অসূয়া, ঈৰ্ষা, দুৰ্ব্বুদ্ধি, তৃষ্ণা, মমতা, স্পৃহা, জীগিষা, মদন, মোহ এই বিলাক দোষত যাদৱসকল বিনষ্ট হব। ব্ৰাহ্মণৰ শাপত যদুবংশৰ নাশ ঘটিব। ভগৱানেও ব্ৰহ্ম-শাপত ১২৫ বছৰৰ পাছত দেহ এৰিব।"

---



## ভগৱানৰ মনুষ্য-লোকলৈ আগমনৰ কথা।

পুৰাকালত যমুনাৰ ৰমণীয় পুলিনত মধুবন নামেৰে এখন বন আছিল। লোলাৰ পুত্ৰ মধুদানৱৰ পত্নী কুম্ভীনসীৰ গৰ্ভত লৱণ দৈত্যৰ জন্ম হৈ সেই বনত আছিল। মধুদানৱে শিৱক আৰাধনা কৰাত শিৱই শূল এডাল দি কলে যে সেই শূল তেওঁৰ লৰাৰ হাতত থাকিলে কোনেও মাৰিব নোৱাৰে। মদমত্ত লৱণে শিৱৰ বৰ লভি ব্ৰাহ্মণসকলক বৰ কষ্ট দিছিল। লক্ষ্মণৰ ভায়েক শত্ৰুঘ্নই লৱণক বধ কৰি সেই মধু-বনতে মথুৰা নগৰ স্থাপন কৰিলে আৰু তেওঁৰ দুই পুত্ৰ কমল আৰু লোচনক সেই নগৰত অভিষিক্ত কৰি থলে। মৃত্যুৰ সময়ত শত্ৰুঘ্ন মথুৰাৰ পৰা অযোধ্যালৈ গল। যযাতিৰ বংশৰ যাদৱে সেই নগৰ অধিকাৰ কৰিলে। সুৰসেন নামেৰে যদুবংশৰ এজন ৰজাই মথুৰাত ঐশ্বৰ্য্য ভোগ কৰিবলৈ ধৰিলে। বৰুণৰ শাপত কশ্যপৰ অংশত শূৰসেনৰ বসুদেৱ নামেৰে এজন অতি বিখ্যাত পুত্ৰ জন্ম হল। তেওঁ বৈশ্য বৃত্তি অৱলম্বন কৰিলে। শূৰসেনৰ মৃত্যুৰ পাছত উগ্ৰসেন তাত ৰজা হল। কিছুদিনৰ পাছত উগ্ৰসেনৰ কংস নামেৰে এক দুৰ্দ্দান্ত পুত্ৰ হল। অদিতিয়ে বৰুণৰ শাপত কশ্যপৰ অনুগমন কৰি দেৱক নামক ৰজাৰ কন্যাৰূপে জন্ম গ্ৰহণ কৰিলে। মহাত্মা দেৱকে সেই কন্যা বসুদেৱক দান কৰে। সেই বিবাহলৈ কন্যা আনোঁতে কংসৰ ওপৰত আকাশবাণী হল যে সেই কন্যাৰ গৰ্ভজাত অষ্টম পুত্ৰই তেওঁক বধ কৰিব। কংসই এই আকাশী বচন শুনি দৈৱকীক সেই সময়তে বধ কৰা উপযুক্ত সময় বুলি ভাবি দৈৱকীৰ চুলিত ধৰি নিজ কক্ষৰ পৰা তৰোৱাল উলিয়াই বধ কৰিব খুজিছিল। পিতৃব্য কন্যাক বিবাহৰ সময়ত বধ কৰা সঙ্গত নহয় বুলি অনেকে প্ৰবোধ দিয়াত আৰু বসুদেৱৰ লগত যোৱা ৰজাসকলেও অস্ত্ৰশস্ত্ৰ লৈ কংসৰ হাতৰ পৰা দৈৱকীক আনিবলৈ উদ্যত হোৱাত আৰু বসুদেৱেও দৈৱকীৰ গৰ্ভত সন্তান জন্মিলেই কংসক সমৰ্পণ কৰিম বুলি অঙ্গীকাৰ কৰাত কংস ক্ষান্ত হল। বসুদেৱৰ যেতিয়া প্ৰথম পুত্ৰ হল বসুদেৱে সেই পুত্ৰ কংসক সমৰ্পণ কৰিবলৈ ইচ্ছা কৰি দৈৱকীৰ হাতৰ পৰা লৰা নিবলৈ ধৰিলে। দৈৱকীয়ে লৰা দিবলৈ আপত্তি কৰি কলে যে শান্ত্যয়ন স্বস্ত্যয়ন প্ৰায়শ্চিত্তাদি যি বিলাক বিধান আছে সেই বিলাকে প্ৰতিজ্ঞা খণ্ডন কৰিব নোৱাৰেনে? যদি সেই বিলাকে খণ্ডন কৰিব নোৱাৰে সেই বিলাকৰ সৃষ্টি কিয় হল? বসুদেৱে দৈৱ বলবান বুলি যুক্তি দেখুৱাই কোৱাত দৈৱকীয়ে লৰা বসুদেৱক সমৰ্পণ কৰিলে। বসুদেৱে লৰা নি কংসক দিয়াত বসুদেৱক সকলোৱে প্ৰশংসা কৰিবলৈ ধৰিলে। বসুদেৱৰ সাধুবাদ কংসৰ নিন্দা-বাদৰ কথা উত্থাপন হোৱাত কংসই অনেক ভাবি ৮ম পুত্ৰই মোক বধ কৰাৰ কথা আছে, এই লৰা বধ কৰাৰ আৱশ্যক নাই এই বুলি বসুদেৱক লৰা ফিৰাই দিলে। বসুদেৱে লৰা আনি দৈৱকীক দিলেহি। ইয়াৰ পাছত নাৰদে কংসৰ ওচৰত উপ-স্থিত হৈ দৈৱকীৰ পুত্ৰ ওলোটাই দিয়া যুক্তিযুক্ত নহল কাৰণ গণনা মতে অষ্টম পুত্ৰৰ অৰ্থ প্ৰথমৰ পৰা অষ্টমলৈ বুজায়। নাৰদৰ পৰা এই বাক্য শুনি দৈৱ-কীৰ পুত্ৰ নি কংসই বধ কৰিলে। এই দৰেই এটা এটাকৈ দৈৱকীৰ ছজন পুত্ৰ কংসই বধ কৰিলে।

## ষড় গৰ্ভৰ বিৱৰণ।

স্বায়ম্ভুৱ মনুৰ বংশৰ মৰীচিৰ ভাৰ্য্যা ঊৰ্ণা দেৱীৰ গৰ্ভত মহাবলশালী ধৰ্ম্ম পৰায়ণ ৬ জন পুত্ৰ হৈছিল। এদিন ব্ৰহ্মাই নিজৰ কন্যাত বীৰ্য্যক্ষেপন কৰিবলৈ যাওঁতে ঊৰ্ণাদেৱীৰ জন্ম হোৱা লৰা ৬ জনে উপহাস কৰিছিল। ব্ৰহ্মাই লৰা ৬ জনক দৈত্যকুলত জন্ম হবলৈ শাপ দিলে। ব্ৰহ্মাৰ শাপৰ বলেৰে সেই লৰা ৬ জন কালনেমিৰ পুত্ৰ হৈ প্ৰথম জন্ম লয়। দ্বিতীয় জন্মত হিৰণ্যকশিপুৰ পুত্ৰ হৈ জন্মগ্ৰহণ কৰে। যদিও লৰা ৬জন শাপত পৰিছিল তথাপি তেওঁলোকৰ শাপভয়ত জ্ঞান বিচ্যুত হোৱা নাছিল। সেই কাৰণে তেওঁলোকে তপস্যা কৰিবলৈ ধৰিলে। তপস্যাত ব্ৰহ্মা সন্তুষ্ট হৈ লৰা ৬ জনৰ ওচৰলৈ আহি তেওঁলোকক কিবা লাগে বুলি সুধিলে। তেওঁলোকে দেৱতা দৈত্য দানৱ সিদ্ধ গন্ধৰ্ব্ব মনুষ্য কোনেও মাৰিব নোৱাৰা বৰ খুজিলে। ব্ৰহ্মাই 'তথাস্তু' বুলি কৈ সেই বৰকে লৰা ৬ জনক দি গল। হিৰণ্যকশিপুৱে তেওঁৰ লৰা ৬ জনে ব্ৰহ্মাৰ পৰা বৰ লোৱাত তেওঁক অপমান কৰা হল বুলি ভাবি লৰা ৬ জনক পৰিত্যাগ কৰিলে আৰু শাপ দিলে যে তেওঁলোক পৃথিৱীত ষড়গৰ্ভ নামে বিখ্যাত হৈ দৈৱকীৰ গৰ্ভত বছৰে বছৰে এটা এটাকৈ জন্ম লব আৰু তাতে তেওঁলোকৰ পূৰ্ব্বজন্মৰ পিতা কালনেমি কংস হৈ জন্ম গ্ৰহণ কৰিব; সেই কংসই ওপজা মাত্ৰকে এটা এটাকৈ নি বধ কৰিব। এই হিৰণ্যকশিপুৰ শাপৰ বাবে কংসই সেই লৰা ৬ জনক দৈৱকীৰ গৰ্ভৰ পৰা ওপজাত বধ কৰিছিল। তাৰ পাছত দৈৱকীৰ সপ্তম গৰ্ভ হলত দৈৱকীৰ গৰ্ভত অনন্তই বলভদ্ৰৰূপে গৰ্ভধাৰণ কৰিলে; যোগমায়াই যোগৰ বলেৰে সেই গৰ্ভ ৰোহিণীৰ গৰ্ভলৈ নিলে; দৈৱকীৰ গৰ্ভ নষ্ট বুলি ঘোষিত হল। কংস আদি সকলোৱে তাকে সত্য মানি ললে। ইতিমধ্যে ভগবানে দেৱকাৰ্য্য সাধনৰ কাৰণে যোগমায়াৰ শক্তিৰে দৈৱকীৰ গৰ্ভত প্ৰবেশ কৰিলে। কশ্যপৰ অংশত বসুদেৱ, অদিতিৰ অংশত দৈৱকী, বসুৰ নন্দগোপ, বসুপত্নীৰ যশোদা, অনন্তৰ অংশত বলদেৱ, ব্ৰহ্মৰ বাসুদেৱ, নাৰায়ণৰ ভ্ৰাতা নৰৰ অৰ্জ্জুন, ধৰ্ম্মৰ যুধিষ্ঠিৰ, বায়ুৰ ভীম, ইন্দ্ৰৰ অৰ্জ্জুন, অশ্বিনীকুমাৰৰ নকুল সহদেৱ, সূৰ্য্যৰ কৰ্ণ, ধৰ্ম্মৰ বিদুৰ, চন্দ্ৰৰ অভিমন্যু, বৃহস্পতিৰ দ্ৰোণ, শিৱৰ দ্ৰোণপুত্ৰ অশ্বত্থামা, সমুদ্ৰৰ শান্তনু, গন্ধৰ্ব্বৰাজৰ দেৱক, বসুৰ ভীষ্ম, মৰুদ্গণৰ বিৰাট, কৃপাচাৰ্য্যৰ কৃতবৰ্ম্মা, অৰিষ্টনেমিৰ পুত্ৰ হংসৰ ধৃতৰাষ্ট্ৰ, কলিৰ দুৰ্য্যোধন, দ্বাপৰৰ শকুনি, সোমনন্দন সুবৰ্চ্চাৰ সোমদত্ত, পাৱকৰ ধৃষ্টদ্যুম্ন, ৰাক্ষসৰ শিখণ্ডী, সনৎকুমাৰৰ প্ৰদ্যুম্ন, বৰুণৰ দ্ৰুপদ, লক্ষ্মীৰ দ্ৰৌপদী, বিশ্বদেৱৰ দ্ৰৌপদীৰ পুত্ৰসকল, সিদ্ধিৰ কুন্তী, ধৃতিৰ মাদ্ৰী, বুদ্ধিৰ গান্ধাৰী, দেৱপত্নী অপ্সৰাসকলৰ কৃষ্ণপত্নী সকল, হিৰণ্যকশিপুৰ শিশুপাল, ৰাহুৰ জৰাসন্ধ, প্ৰহ্লাদৰ শল্য, কালনেমিৰ কংস, হয়গ্ৰীৱৰ কেশী, বলিপুত্ৰৰ অৰিষ্ট, অনুহ্লাদৰ ধৃষ্টকেতু, বাষ্কলৰ ভগদত্ত, লম্বৰ প্ৰলম্ব, খৰৰ ধেনুক, বাৰাহ দৈত্যৰ চাণূৰ, কিশোৰ দৈত্যৰ মুষ্টিক, দিতিপুত্ৰ অৰিষ্টৰ কুবলয় হস্তী, বলীৰ কন্যা বকী, বকীৰ ভাই বক। দ্ৰোণপুত্ৰ অশ্বত্থামা যদিও ৰুদ্ৰাংশ বুলি পৰিচিত আছিল তেওঁ যম ৰুদ্ৰ কাম ক্ৰোধৰ অংশৰ হে। পৃথিৱীৰ ভাৰাহৰণ কৰিবৰ কাৰণে যিবোৰ দৈত্য আৰু ৰাক্ষস উৎপন্ন হৈছিল সেই বোৰ সকলো দৈত্যৰ অংশ আছিল।

কংসই দৈৱকীৰ অষ্টম গৰ্ভই তেওঁক বধ কৰিব হোৱা কথা জানি দৈৱকীক কাৰাগাৰত থলে লোহসূত্ৰত আবদ্ধ কৰি বসুদেৱকো কাৰাগাৰত আবদ্ধ কৰিলে। ভাদ্ৰত বসুদেৱৰ অপৰা ভাৰ্য্যা ৰোহিণী



গোকুললৈ গল, তাতেই বলোৰামৰ জন্ম হল। সৌৰ চান্দ্ৰ ভাদ মাহৰ ৰোহিণী নক্ষত্ৰযুক্ত কৃষ্ণাষ্টমীৰ দিনা মধ্যৰাত্ৰিত শ্ৰীকৃষ্ণ ভগৱান দৈৱকীৰ গৰ্ভৰ পৰা জন্ম হল। দৈৱকীয়ে লৰাৰ অনুপম শ্ৰী দেখি বসুদেৱক লৰা চাবলৈ কলে:—"কংসই বধ কৰিব যেতিয়া চকুৰে চাই মনৰ তৃপ্তি কৰক।" বসুদেৱে লৰা দেখি কি উপায়ে লৰা ৰাখিব তাৰ বাবে গভীৰভাবেৰে চিন্তিবলৈ ধৰিলে। সৰ্ব্বজ্ঞ দয়াময় ভগৱানে উভয়ৰ মনোভাব জানিবলৈ পাই কলে—"আপোনালোকে ভয় কৰাৰ কোনো কাৰণ নাই; গোকুলত যশোদাৰ গৰ্ভত যোগমায়া জন্মিছে; হে বসুদেৱ! মোক যশোদাৰ তাত থৈ যোগমায়াক আনক।" বসুদেৱে ভগৱানৰ এই বাক্য শুনি কৃষ্ণক যশোদাৰ তাত থৈ যোগমায়াক আনি দৈৱকীক দিলে। দৈৱকীৰ কোলাত পৰি যোগমায়াই কান্দিবলৈ ধৰাত পালি-প্ৰহৰীয়ে কংসক খবৰ দিলে। কংস আহি দৈৱকীয়ে পুত্ৰ নহয় কন্যা জন্ম হৈছে বুলি দেখুৱাই কন্যাক বধ নকৰিবলৈ অতি কাতৰেৰে কলে। কংসই দৈৱকীৰ কথা নুশুনি ছোৱালীজনী লৈ শিলত আফাল মাৰি দিলে। যোগমায়া শিলত নপৰি ওপৰলৈ গল আৰু তেতিয়া "তোৰ প্ৰাণবৈৰী নাৰায়ণ জন্মিছে তোক অচিৰে বধ কৰিব' এই আকাশী বাণী শুনা গল। কংসই এই আকাশী বাণী শুনি পুতনা ৰাক্ষসীক ওপজা লৰা পালেই বিষাক্ত পিয়াহ খুৱাই মাৰিবলৈ পঠিয়ালে; যশোদাই তেওঁৰ ঘৰত লৰা ওপজা নাই বুলি কোৱাত ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ পৰাক্ৰম দেখুৱাবৰ কাৰণে কান্দিবলৈ ধৰিলে আৰু পুতনাই অতি আনন্দ মনেৰে কোলাত লৈ ভগৱানক পিয়াহ খুৱাবলৈ ধৰিলে। ভূভাৰ হৰণ কৰিবলৈ অহা ভগৱানে স্তনত দোপ মাৰি পুতনাৰ দেহ শুহি পেলোৱাত শাল কাঠ পৰাৰ দৰে পৰি পুতনাই প্ৰাণ এৰিলে।

গোকুলত নন্দৰ ঘৰত লৰা ওপজাৰ মহোৎসৱ পতাৰ কথা কংসৰ কাণত পৰিল; বসুদেৱৰ পত্নী ভৃত্য, পশু আদি সকলো নন্দৰ ঘৰত থকাৰ কথা কংসই জানে। অমিততেজা ভগৱানে ব্ৰাহ্মণীৰূপা কংসৰ ভগিনী পুতনা, বক-বৎস, ধেনুক, প্ৰলম্ব আদি ৰাক্ষস অসুৰসকলক বধ কৰাৰ কথা কংসই জানিলে আৰু গোবৰ্দ্ধন পৰ্ব্বত ধাৰণ কৰাৰ কথাও শুনিলে। কেশিক দৈত্যক মৰাৰ পাছত ধনুৰ্যজ্ঞ স্বৰূপে কৃষ্ণ বলোভদ্ৰক বধ কৰিবৰ অভিপ্ৰায়েৰে কংসই গান্দিনীপুত্ৰ অক্ৰুৰক কৃষ্ণ বলোৰামক মথুৰালৈ আনিবলৈ পঠিয়ালে। মথুৰালৈ উভয়ক অক্ৰুৰে আনোতে প্ৰথমতে শ্ৰীকৃষ্ণই ধনু ভঙ্গ কৰিলে। পাছত ধোবা, কুবলয় হাতী, চামুৰ, মুষ্টিক, শল, তোশলকক বধ কৰিলে। শেষত ক্ৰীড়াছলেৰে জাপ মাৰি কংসৰ চুলিত ধৰি ৰাজসিংহাসনৰ পৰা দগৰাই একে খেকেছাতে কংসৰ প্ৰাণ বধ কৰিলে; পাছত বসুদেৱ দৈৱকীক কাৰাগাৰৰ পৰা মুক্ত কৰি উভয়ৰ দুঃখ-মোচন কৰিলে। কংসৰ পিতা উগ্ৰসেনক মথুৰাত ৰাজ্য পাতি সেই ৰাজ্য তেওঁক দিলে। বসুদেৱে তাতেই কৃষ্ণ বলোৰামক উপনয়ন দিলে। উভয়ে উপনীত হৈ সান্দিপনী মুনিৰ ওচৰত শিক্ষা কৰিছিল; সান্দিপনীৰ পুত্ৰক শঙ্খাসুৰে বধ কৰাত যমালয়ৰ পৰা আনি শিক্ষাৰ দক্ষিণা দিলে।

সেই সময়ত কংসৰ শহুৰেক জৰাসন্ধই কংসক মৰাৰ খঙত ১৭ বাৰ মথুৰা পুৰী আক্ৰমণ কৰে; ১৭ বাৰ শ্ৰীকৃষ্ণই জৰাসন্ধক পৰাজিত কৰে। শেষত জৰাসন্ধই ম্লেচ্ছৰজা কালযবনক মথুৰা আক্ৰমণ কৰিবলৈ পঠিয়ায়। কৃষ্ণই কালযবন অহা শুনি যাদৱ সকলক সবান্ধৱে ধন-ৰত্ন পশু আদি সকলোৰে সৈতে সাগৰৰ সমীপত থকা ৰৈৱত পৰ্ব্বতৰ দাঁতিৰ দ্বাৰকা নগৰত থৈ বলোৰামে সৈতে মথুৰালৈ আহে।

যি সময়ত ৰাম কৃষ্ণ মথুৰাত উপস্থিত হয় সেই সময়তে কালযৱনো তাতে উপস্থিত হয়। শ্ৰীকৃষ্ণই মুচকুন্দ মুনিয়ে তাপস নিদ্ৰাত থকাৰ অভিমুখে যাবলৈ ধৰিলত কালযৱনে শ্ৰীকৃষ্ণৰ পাছে পাছে গল, মুচকুন্দ মুনিৰ ওচৰ পাই শ্ৰীকৃষ্ণ অন্তৰ্দ্ধান হল। কালযৱনে মুচকুন্দকে শ্ৰীকৃষ্ণ ভাবি পদাঘাত কৰিলে। মুনিয়ে তপস্যা-ভঙ্গ কৰা বাবে কালযৱনক শাপ দি ভস্ম কৰিলে। কালযৱন ভস্ম হোৱাৰ পাছত মুনিয়ে শ্ৰীকৃষ্ণক তাতে দৰ্শন কৰি তেওঁৰ অভিপ্ৰায়ৰ কথা কলে। কালযৱনৰ সেনা ভঙ্গ হল; কালযৱনৰ ৰাজ্যৰ ধন-ৰত্ন নি মথুৰাত উগ্ৰসেনৰ ভঁৰালত ভৰালে আৰু উগ্ৰসেনে নিৰাপদে ৰাজ্য পালিবলৈ ধৰিলে।

তাৰ পাছত শ্ৰীকৃষ্ণই শদিয়াৰ কুণ্ডিল ৰাজ্যৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণীক শিশুপাললৈ দিয়াৰ পণ কৰাত শিশুপাল দৰা হৈ গৈ, জৰাসন্ধ, শাল্ব আদিৰে সৈতে স্বয়ম্বৰ সভাত উপস্থিত হৈ থকাত ৰুক্মিণী দুৰ্গা-মন্দিৰৰ পৰা ওলাই আহোঁতে ৰথৰ পৰা হাত মেলি ৰথত তুলি ৰুক্মিণীক দ্বাৰকালৈ নিয়ে। তেতিয়া শিশুপাল জৰাসন্ধ শাল্ব সকলো যুদ্ধত পৰাজিত হয়। ৰুক্মীয়ে ভনীয়েক ৰুক্মিণীক হৰণ কৰি নিয়া বাবে শ্ৰীকৃষ্ণৰ লগত যুদ্ধ কৰিবলৈ অতি দৰ্পেৰে গৈছিল। শ্ৰীকৃষ্ণই ৰথত বান্ধি লৈ ওভোটাই মুৰ খুৰাই শাস্তি কৰিলে আৰু দ্বাৰকাত ৰুক্মিণীক বিয়া কৰালে; পাছত জাম্বৱতী, সত্যভামা, মিত্ৰবৃন্দা, কালীন্দী, লক্ষণাভদ্ৰা, নাগজিতিক বিবাহ কৰালে; ভূমিপুত্ৰ নৰকাসুৰক যুদ্ধত জিনি ১৬ হেজাৰ পত্নীৰ পাণিগ্ৰহণ কৰিলে; আৰু ইন্দ্ৰক জিনি পাৰিজাত ফুল আনিলে।

ভীষ্মক ৰজাৰ কন্যা ৰুক্মিণীৰ গৰ্ভত প্ৰদ্যুম্ন জন্ম হলত প্ৰদ্যুম্নক সম্বৰ নামৰ অসুৰে হৰণ কৰিলে। কৃষ্ণই দুৰ্গাৰ মায়াত হৰণ হল বুলি দুৰ্গাপূজা কৰিবলৈ ধৰিলে; কৃষ্ণৰ আৰাধনাত দুৰ্গাদেৱী সন্তুষ্টা হৈ কৃষ্ণক কলে—"পূৰ্ব্বৰ শাপ থকাত সম্বৰাসুৰে লৰা চুৰ কৰি নিছে; সেই লৰাৰ ১৬ বছৰ হলে সেই দুষ্ট অসুৰ বিলাকক বধ কৰি লৰা পুনৰ আহিব; ভয়ৰ কোনো কাৰণ নাই।" সম্বৰী মায়াৰ বলত মনুষ্য জন্ম ললে ক্ষুধা, তৃষ্ণা, নিদ্ৰা, ভয়, তন্দ্ৰা, মোহ, হৰ্ষ, অভিমান, জৰা, শোক, অজ্ঞান, গ্লানি, অপ্ৰীতি, অসূয়া মদ, শ্ৰম এই বিলাকে বেৰি ধৰাৰ কাৰণে শ্ৰীকৃষ্ণই পুত্ৰ প্ৰদ্যুম্নক হৰণ কৰাৰ কথা জানিব নোৱাৰিছিল। সত্যভামাৰ কাৰণে পাৰিজাত ফুল আনিবলৈ স্বৰ্গলৈ যাওঁতে ইন্দ্ৰৰ লগত যুদ্ধ কৰি যুদ্ধত জিনি পাৰিজাত ফুল আনিলে। সত্যভামাই ৰুক্মিণীৰ সুপুত্ৰ প্ৰদ্যুম্নক দেখি তেনে সুপুত্ৰ তেওঁৰ গৰ্ভত হবলৈ শ্ৰীকৃষ্ণক জনাইছিল। শ্ৰীকৃষ্ণই উপমন্যুক গুৰু লৈ শিৱমন্ত্ৰৰ দ্বাৰাই শিৱক আৰাধনা কৰাত পাৰ্ব্বতীয়ে শ্ৰীকৃষ্ণক কলে —"তোমাৰ শতাধিক ষোড়শ সহস্ৰ পত্নী আৰু প্ৰত্যেকৰে দহোটাকৈ মহা বলশালী লৰা হব। তুমি এই সংসাৰত এজন প্ৰধান গৃহস্থী হবা। ব্ৰাহ্মণ আৰু গান্ধাৰীৰ শাপত ১২৫ বছৰ বয়সত তুমি স্বৰ্গী হবা, বলোৰামো স্বৰ্গী হ'ব আৰু তোমাৰ বংশ লোপ পাব।" ভগৱান শ্ৰীকৃষ্ণই ১১ বছৰ নন্দৰ ঘৰত থাকি বাল্য-ক্ৰীড়া সমাপন কৰে। তাৰ পাছত ১৪ বছৰ ৰাস-মণ্ডপত থাকে। কুৰুপাণ্ডৱৰ যুদ্ধত কৌৰৱক সবংশে নিধন কৰি পাণ্ডৱ সকলক যুদ্ধত জিকাই পৃথিৱীৰ ভূভাৰ হৰণ কৰি ১২৫ বছৰ ভাৰতত থাকি যদু-বংশ উদ্ধাৰ কৰি গোলোকলৈ যায়। শ্ৰীকৃষ্ণ ভগৱানে আসামত তিনি খন যুদ্ধ কৰে—শদীয়াৰ ভীষ্মক ৰজাৰ কন্যাক হৰণ কৰোঁতে শিশুপাল ৰুক্মাঙ্গদ আদিৰ লগত প্ৰাগজ্যোতিষপুৰত, ভূমিনন্দন নৰকাসুৰৰ লগত আৰু তেজপুৰত বাণ ৰজাৰ লগত যুদ্ধ কৰি জয়ী হয়। শ্ৰীকৃষ্ণ



ভগৱানৰ জন্মৰ বছৰ ৫১৫৭-৬০ প্ৰায়ে হব। কাৰণ মহাভাৰতৰ যুদ্ধ কলিযুগৰ আৰম্ভৰ ৩৬ বছৰ পূৰ্ব্বে হয় অৰ্থাৎ খ্ৰীষ্টপূৰ্ব্ব ৩১৩৯ বছৰৰ পূৰ্ব্বে। কলিযুগৰ বৰ্ত্তমান ৫০৩২ বছৰ হৈছে। শ্ৰীকৃষ্ণ ভগৱানে মহাভাৰতৰ যুদ্ধৰ ৩৬ বছৰৰ পাছত পৃথিৱী পৰিত্যাগ কৰে আৰু পৃথিৱীত ১২৫ বছৰ থাকে।

---

# পাৰিজাত।

এইবাৰ গৰম-বন্ধৰ ভিতৰত এখনি পুৰণি অমূল্য গ্ৰন্থ আমাৰ হাতত পৰে। বেলশৰ-বৰদা-আশ্ৰমৰ সুযোগ্য অধ্যাপক শ্ৰীযুত ৰজতচন্দ্ৰ স্মৃতিশাস্ত্ৰী ব্যাকৰণতীৰ্থ মহাশয়ৰ ঘৰত এই পুথি পোৱা হয়। ই যে ছাপা হৈ কেতিয়াবা ৰাইজৰ হাতত পৰিব তাৰ আশা অতি কম। সেইদেখি পুথিখনিৰ এটি সংক্ষিপ্ত পৰিচয় আমাৰ পত্ৰিকাৰ সহৃদয় পাঠকপাঠিকাসকলৰ আগত প্ৰকাশ কৰিবলৈ মন কৰিলোঁ।

পুথিখনি সংস্কৃত ভাষাৰ, নাম পাৰিজাত; লেখকৰ নাম নাই আৰু লিখাৰ শক আদিও পোৱা নগল। সংস্কৃত ভাষাৰ পুথিত গ্ৰন্থকাৰৰ নাম নথকা নাই। বহুতত সময়ৰো উল্লেখ থাকে। এইবোৰ প্ৰায়ে শেষৰ ফালে থকা দেখা যায়। এই পুথি খনিৰ শেষৰ ফালে কিছুমান পাত নাই, সেই দেখি সময়ৰ উল্লেখ নাথাকিলেও লেখকৰ নাম নথকাটো ভাবিব লগা কথা।

কোমলমতি লৰাবিলাকক সংস্কৃত ব্যাকৰণ সহজে আৰু সোনকালে শিক্ষা দিয়াটোৱেই এই গ্ৰন্থৰ উদ্দেশ্য। পাতনিত লিখা আছে:—

"ক্ৰিয়তে পাৰিজাতাখ্যো গ্ৰন্থো বালবিবোধকঃ।"

লেখকৰ এই উদ্দেশ্য সফল হোৱা বুলি কব পাৰি। ইয়াৰ এটা বিশেষত্ব এয়ে যে ই একাধাৰে এখন কাব্য আৰু ব্যাকৰণ—আদিৰ পৰা অন্তলৈকে সুন্দৰ সহজ কবিতাত লেখা। ইয়াৰ আখৰবোৰ পুৰণি অসমীয়া আখৰ আৰু তুলাপাতত লেখা।

টান ছন্দত লেখিলে কোমলমতি লৰাবিলাকৰ পক্ষে তাক বুজিবলৈ টান বাবেই আটাইতকৈ সহজ অনুষ্টুপ ছন্দত পৰিজাত ৰচিত হৈছে। ব্যাকৰণৰ সূত্ৰৰ পৰা অৰ্থাৎ সংজ্ঞা, সন্ধি, বিসন্ধি বিভক্তি ক্ৰমৰ পৰিবৰ্ত্তন কৰা নাই! এনেদৰে লেখিব বুলি পাতনিত প্ৰতিজ্ঞা কৰিছে। যেনে:—

"অনুষ্টুভৈৰ সূত্ৰাৰ্থঃ সংজ্ঞাসন্ধিস্তথৈৱ চ।
বিসন্ধিশ্চ যথাযোগং প্ৰৱক্ষ্যন্তে যথাক্ৰমম্॥"

এই প্ৰতিজ্ঞা ভাল দৰে ৰক্ষা কৰি গৈছে, কতো লৰচৰ হোৱা নাই। ছন্দত লেখা সংস্কৃত ব্যাকৰণৰ অভাৱ বহুদিনলৈকে চলি আহিছিল, সেই অভাৱ গুচালে ভাৰতৰ ভিতৰত অসমীয়া পণ্ডিত—মহামহোপাধ্যায় ৺ পুৰুষোত্তম বিদ্যাবাগীশদেৱে

ছন্দত 'ৰত্নমালা' ব্যাকৰণ লেখি। ইয়াতো উদাহৰণ আদি শদাত আছিল, কাৰণ তেনেকুৱা বৃহৎ ব্যাকৰণৰ সকলো কথা ছন্দত লেখিবলৈ গলে এখন শব্দ-সাগৰ হৈ পৰে। কিন্তু পাৰিজাত—লেখকে উদাহৰণ আদি সংক্ষেপে দি গদাৰ সম্পৰ্ক নথকাকৈ সমস্ত কথা ছন্দতে লেখিলে। ই এটা কম বাহাদুৰীৰ কথা নহয়। এই প্ৰবীণ লেখক জনো অসমীয়া পণ্ডিত। নাম নোপোৱাকৈয়ে মানুহজনক অসমীয়া পণ্ডিত বোলা এটা যুক্তিহীন কথা বুলি বহুতে ভাবিবলৈ গাতে সুবিধা নাপায়, তাৰ বাবে ইয়াকে মাথোন কব খোজোঁ যে পাৰিজাতৰ আৰ্হি ৰত্নমালা ব্যাকৰণ। ৰত্নমালা ব্যাকৰণ আন দেশত নাই। আৰু কোনেও নাজানেও। সি অকল আমাৰ দেশৰ বস্তু আৰু আমাৰ দেশতেহে চলি আছে।

পাৰিজাত-লেখকে ৰত্নমালাৰ অকল আৰ্হি লোৱাই নহয়, তাৰ ক্ৰম সূত্ৰ আদিৰ ভাব লৈ এই গ্ৰন্থ সঙ্কলন কৰে। মুঠতে ই ৰত্নমালাৰ সাৰ-সংগ্ৰহ মাথোন। লেখকৰ সংক্ষিপ্ত ৰচনা-প্ৰণালী অতি মনোহৰ।

আন ব্যাকৰণত যি কথা কেইবাটা সূত্ৰত বৰ্ণাব লগা হৈছে, লেখকে তাক অতি সংক্ষেপে কেনেদৰে বৰ্ণাইছে, এটি আৰ্হি চাওকচোন :—

"বৰ্ণ পাঠক্ৰমাজ্জেয়াঃ প্ৰসিদ্ধা নান্যথা পুনঃ।
অকাৰাদি ক্ষকাৰান্তা বৰ্ণাস্তত্ৰ চতুৰ্দশ॥
আদৌ স্বৰাঃ সমানাস্তু দশ তেষাং পৰস্পৰৌ।
দ্বৌ দ্বৌ সবৰ্ণস্তুং পূৰ্ব্বো পঞ্চহ্ৰস্বাস্তথাপৰে॥"

অৰ্থ—বৰ্ণপাঠৰ ক্ৰম প্ৰসিদ্ধ, তাৰ লৰচৰ নাই। অৰ পৰা ক্ষলৈকে এইবোৰ বৰ্ণ, আদিৰে পৰা চৈধ্যটা স্বৰ। তাৰে ভিতৰত মুৰৰ পৰা দহোটাৰ নাম ("অ"ৰ পৰা "ঃ"লৈকে) সমান। ইয়াৰ দুটা দুটা লগ লাগি (যেনে—অ—আ, ই—ঈ ইত্যাদি) সবৰ্ণ নাম পায়। এই সবৰ্ণ পাঁচ জোৰাৰ প্ৰত্যেকৰ আদি আখৰ কেইটা হ্ৰস্ব। (অ—আ জোৰাৰ "অ", ই—ঈ জোৰাৰ "ই" এনে দৰে)।

সংস্কৃত ভাষাত এনে সৰল সংক্ষিপ্ত অথচ জ্ঞান লাভৰ উপযোগী ছন্দোময় ব্যাকৰণ দ্বিতীয় এখন নাই। প্ৰাকৃত ভাষাত লিখা কাত্যায়ণৰ "প্ৰাকৃত মঞ্জৰী"খনো এনেকুৱা।

মঙ্গলাচৰণৰ পাছতে গ্ৰন্থৰ আৰম্ভণিত কালিকা দেৱীক নমস্কাৰ কৰা কথাখিনিয়ে গ্ৰন্থকাৰক শাক্ত বুলি প্ৰমাণ কৰে।

"প্ৰণম্য কালিকাপাদদ্বন্দ্বমানন্দবৰ্দ্ধকম্।
ক্ৰিয়তে পাৰিজাতাখ্যো গ্ৰন্থো বালবিবোধকঃ॥

অৰ্থ— কালিকা দেৱীৰ আনন্দবৰ্দ্ধক চৰণত প্ৰণাম কৰাই কোমলমতি লৰাবিলাকক জ্ঞান দিবৰ নিমিত্তে এই "পাৰিজাত" নামৰ গ্ৰন্থখনি ৰচনা কৰোঁ।

এই পুথি ৰচনা কৰাৰ কাল পোৱা নাযায় যদিও, খৃঃ সপ্তদশ শতিকাত লেখা বুলি অনুমান কৰিবৰ সঙ্গত যুক্তি আছে। ইয়াৰ বেচি হোৱাটো সম্ভৱপৰ নহয়। ই ৰত্নমালাৰ সাৰ-সংগ্ৰহ বোলিয়া, তাৰ আগেয়ে লেখা হবই নোৱাৰে। ৰত্নমালাৰ কাল ১৫৬৮ খৃষ্টাব্দ। (ৰত্নমালা সমাপ্ত কৰাৰ কাল তাত এনেদৰে আছে—"গগণ গ্ৰহমনুশাকে" অৰ্থাৎ শকাব্দ ১৪৯০+৭৮=১৫৬৮ খৃঃ); গতিকে ইয়াৰ পাছতহে পাৰিজাতৰ জন্ম হব।

আমি যিখন পুথি পাইছোঁ, সি পুৰণি তুলা-পাতত লেখা। কাকতৰ প্ৰচলন হোৱাৰ আগতে আমাৰ দেশত যি তুলাপাত ব্যৱহাৰ হৈছিল তাত লেখা। আখৰবোৰলৈ চালে দুইশমান বছৰৰ আগৰ আখৰ যেন লাগে। আমি পোৱা পুথিখন মূল নহয়, মূলৰ নকল কৰা পুথিহে। এতেকে ইয়াৰো আগতে মূলখন যে লেখা হৈছিল, তাত সন্দেহ



নাই। ৰত্নমালা প্ৰচলিত হোৱাৰ কিছুদিন পাছত লেখাটোহেই সম্ভৱ। এইবোৰ কাৰণলৈ মন কৰিহে আমি কাল সম্বন্ধে তেনে অনুমান কৰোঁ। প্ৰত্যক্ষ কোনো প্ৰমাণ নাপালে অনুমানৰ ওপৰত নিৰ্ভৰ কৰিব লাগে সঁচা, কিন্তু এনে কামত সন্দেহৰ অৱকাশ থাকে।

লেখকে এটি শিখৰিনী ছন্দত লেখা শ্লোকেৰে বিদ্যাৰ্থীসকলক আশীৰ্ব্বাদ দিছে আৰু এই শ্লোকেই মঙ্গলাচৰণৰ কামো কৰিছে। সেইটো এই :—

জটাজুটী বাহুগ্ৰসতি নিজকন্যামুখবিধুম্,
বিলোক্যৈবং কন্যাশুভজনকসন্দেশনমতো।
প্ৰজাতে বাত্ৰ্যান্তা কলয়তি কথং শৈলগৃহিণী,
বচো যস্যা ভব্যং বিতৰতু তদেব প্ৰতিদিনম্॥

অৰ্থ:—হিমালয়ৰ গৃহিনী মেনকা দেৱীয়ে ৰাতি তেওঁৰ জীয়েক পাৰ্ব্বতী দেৱীৰ এটা বেয়া সপোন দেখিলে। সপোনত দেখিলে যে মূৰত জটবোৰ থকা বাহুৱে (মহাদেৱে) তেওঁৰ কন্যা পাৰ্ব্বতীৰ মুখৰূপ চন্দ্ৰমাক গ্ৰাস কৰিলে। (মহাদেৱ সম্বন্ধে মেনকাৰ ভুল ধাৰণা আছিল)। ইয়াকে দেখি তেওঁ বৰ বিয়াকুল হ'ল আৰু ৰাতিপুৱাই কথাৰ সত্যাসত্য জনাই খবৰ লবলৈ পাৰ্ব্বতীৰ ওচৰলৈ পঠাই দিলে। পিছত জয়াই আহি মেনকাৰ আগত পাৰ্ব্বতীৰ শুভ বাতৰি জনালে। এই শুভ বাতৰিয়ে তোমা-লোকক সদায় সুখ শান্তি দিয়ক।

প্ৰত্যেক অধ্যায়ৰ শেষত একোটা একোটা সুন্দৰ মালিনী ছন্দৰ কবিতা আছে। তাৰে এটি চাওক :—

ভৱভয়হৰভাৰপ্ৰান্তবিশ্ৰান্তিভূমিঃ,
গুৰুপদতৰুবিম্বং পাৰিজাতাবিকোদ্বম।
অৱনতিফললাভো ভাৰমাত্ৰোদয়স্তম্,
প্ৰবিশ হৃদয় পুষ্পং চাদাযেত্তজ্জনীয়ম্॥

অৰ্থ:—এই সংসাৰৰ ভয়ঙ্কৰ গধুৰ বোজা বৈ বৈ ভাগৰি পৰা মানুহবিলাকৰ পক্ষে জিৰণি লোৱাৰ একমাত্ৰ ঠাই গুৰুচৰণৰূপ গছজুপি। ই নন্দন কাননৰ পাৰিজাততকৈও উত্তম; ইয়াত মূৰ চপৰা-লেই ফল পোৱা যায়; আৰু সুঁৱৰিলেই মনত পৰে। তাৰেই এই পাত প্ৰথমতে ফুলা ফুল। হে হৃদয়! তুমি সেই গুৰুচৰণৰূপ গছজুপিৰ তলত জিৰণি লোৱাঁ।

ইয়াৰ ধ্বনিগত অৰ্থ এনেকুৱা হয়—নন্দনৰ পাৰিজাততকৈও উত্তম এই পাৰিজাত গ্ৰন্থ, তাৰে এই প্ৰথম অধ্যা।

এই শ্লোকৰ আন প্ৰকাৰেও অৰ্থ হয়। সিমান বহলাই লেখিবলৈ যোৱাৰ বিশেষ আৱশ্যক নাই। কেৱল শ্লোকটোৰ মাধুৰ্য্য আৰু লালিত্য দেখুৱাবলৈ হে ইয়াত তাক উল্লেখ কৰা হৈছে।

পুথি এখনৰ পৰিচয় দিবলৈ যাওঁতে সমালোচনাৰ ছায়া পৰিব পৰা কিছু কথা লেখাটো অলপ বাহুল্য হৈছে সঁচা, কিন্তু আমাৰ মনৰ অৱস্থা অনুসাৰে এনে হোৱাটো অস্বাভাৱিক নহয়। কাৰণ এই পুথিৰ লগত ইমান দিনে আমাৰ সাক্ষাৎ সম্বন্ধ ঘটা নাছিল, আন কি থকা বুলি শুনাও নাছিলোঁ। এনে এখন পুথি যে আমাৰ দেশত আছে আৰু অসমীয়া পণ্ডিত এজনে ৰচনা কৰিছে, ই অসমীয়াৰ এটা ডাঙৰ গৌৰৱ। তাৰ উপৰিও এই পুথিখন প্ৰকাশ কৰিব পাৰিলে যে সংস্কৃত বিদ্যাৰ্থীসকলৰ কেনে মহৎ উপকাৰ হব পাৰে—এই বোৰ কথা ভাবিয়েহে আমি এই পুথিখন পাই নোপোৱাই পোৱাদি পাইছিলোঁ। কথা বহলাবলৈ হে মন গৈছিল, কিন্তু বাহুল্য হোৱাৰ ভয় কৰি এৰি দিলোঁ।

শেষত কিন্তু দুখ লাগিল এই বাবেহে যে এই পুথিত সংজ্ঞা, সন্ধি, শব্দ, কাৰক, সমাস, তদ্ধিত আৰু আখ্যাতৰ কিছু অংশ আছে। আখ্যাতৰ বাকীখিনি আৰু কৃৎ প্ৰকৰণ নাই আগতে

আছিল যদিও শেষৰ হেৰোৱা পাতৰ লগতে ইয়াৰ অস্তিত্ব বিলীন হৈ গৈছে।

যদি কোনো সদাশয় ভদ্ৰলোকে আন কৰবাত এই পুথি থকাৰ সন্ধান দিব পাৰে, তেন্তে তাক অহোপুৰুষাৰ্থেৰে সংগ্ৰহ কৰিবলৈ ইচ্ছা আছে। বোধ কৰোঁ সন্ধান পালে সংগ্ৰহ কৰাটো বিশেষ একো টান কাম নহব।

কোনো সংস্কৃতজ্ঞ পণ্ডিতৰ ঘৰত পাৰিজাত আছে যদি অনুগ্ৰহ কৰি আমাক জনাবলৈ খাটনি ধৰিলোঁ। কৰবাত থকাটো অসম্ভৱো নহয়। কোনোবাই এই পুথি চাব খুজিলে আগত কৈ অহা অধ্যাপকৰ ঘৰত পাব। পণ্ডিত সমাজলৈ কৰা এই অনুৰোধ তেওঁ লোকৰ ওচৰ পায় নে নাপায়, কব পৰা নাই। ফলাফলৰ কথাটো ভবিতব্যতাৰ হাতত। কিয়নো আমাৰ আসাম উপত্যকাত বৰ্ত্তমানে পাঁচ ছয় শত মান ভাল সংস্কৃতজ্ঞ পণ্ডিত আছে; তেওঁলোকে কিন্তু ভাষা আৰু সাহিত্যৰ ফালে বিশেষ মন-কাণ নকৰে; আনকি অসমীয়া ভাষাৰ আলোচনী 'বাঁহী', 'সাহিত্য-পত্ৰিকা' আৰু 'আৱাহন', আদি প্ৰায়ে নলয় আৰু নপঢ়েও। আন আন দেশৰ দৰে তেওঁলোকেও সাহিত্যৰ ফালে চকু দিলে সাহিত্যৰ অৱস্থা ইমান দিনে আন ৰকম হৈ উঠিল হেঁতেন। মোৰ এই কথা কেই আষাৰ সমনীয়া ডেকা পণ্ডিতসকলক লক্ষ্য কৰি কৈছোঁ। তেওঁলোকে এই কথাখিনিলৈ চকু দিয়ে যেন। বহু দিনৰ পৰা এই কথা কেই আষাৰ কোনো এঠাইত লেখোঁ লেখোঁ বুলি ভাবি আছিলোঁ। সেই দেখি প্ৰাসঙ্গিক নোহোৱাতো ইয়াতেই লেখিলোঁ। এনেকৈ লেখা বেয়া হৈছে যদিও সাহ আছে যে পণ্ডিতসকল দয়ালু আৰু ক্ষমাশীল। ইতি ১০।৯।৩১

পণ্ডিত শ্ৰীউমাকান্ত মিশ্ৰ।

---

# কীৰ্ত্তনৰ আৰম্ভণ।

শ্ৰীমন্ত শঙ্কৰৰ কীৰ্ত্তন অসম-কামৰূপৰ সকলো হিন্দুৱে পঢ়িছে, শুনিছে আৰু তাৰ পদ-লালিত্যত সকলো মোহ গৈছে; ইয়াৰ পৰিচয় নতুনকৈ কাকো দিব নালাগে। হোজা-চহা, পণ্ডিত-নিৰক্ষৰ সকলোৱে ইয়াৰ ৰস পুৰুষানুক্ৰমে আজি প্ৰায় পাঁচ শ বছৰ পালন কৰি আহিছে আৰু যে কিমান বছৰলৈ ই উত্তৰ-পূব ভাৰতৰ প্ৰাণৰ প্ৰিয়তম বস্তু হৈ ৰব, তাক কোৱা টান।

কীৰ্ত্তনখন "ঘোষা" আৰু "পদেৰে" পূৰ্ণ। "ঘোষা" উচ্চ শব্দেৰে গোৱা; যি কথা ডাঙৰকৈ কোৱা বা গোৱা হয়, তাক ঘোষা বোলে। ওজাই পদ দিয়ে, পালি বা গাওঁতাসকলে ঘোষা ধৰে। ঘোষা প্ৰত্যেক পদৰ পাচতেই ধৰা হয়। এই নিয়মে কীৰ্ত্তন, ৰামায়ণ, মহাভাৰত গোৱা নিয়ম বৰ্ত্তমান সময়লৈকে কামৰূপ, দৰঙ, নগাওঁ আৰু উজনীৰ চাৰিসত্ৰত চলি আছে। আমি সৰ্ব্বসাধা-



ৰণ নামঘোৰাত কেৱল কীৰ্ত্তন আৰু ঘোষাহে উক্ত নিয়মে গাওঁ।

কীৰ্ত্তনৰ আৰম্ভতে প্ৰভু শ্ৰীমন্ত শঙ্কৰে ভগৱানৰ নামৰ জয়ধ্বনি কৰি লিখিছে:—

"ঘোষা—জয় হৰি গোবিন্দ, নাৰায়ণ ৰাম কেশৱ হৰি,
ৰাম ৰাম কেশৱ হৰি ॥"

হৰি, গোবিন্দ, নাৰায়ণ, ৰাম, কেশৱ আদি ভগৱানৰ নাম; প্ৰভুৱে পোনতে এই নামেৰে জয় ঘোষণা কৰিছে।

তাৰ পাচত পদৰ আৰম্ভ; পদৰ আৰম্ভৰ পৰাইহে গ্ৰন্থৰ বৰ্ণিত বিষয়ৰ কথাৰ আৰম্ভ:—

পদ—"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥
তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত॥"

এই পদটো পঢ়িলে আমি সাধাৰণ ভাৱত বুজোঁ, গ্ৰন্থকাৰে পোনতে ব্ৰহ্মৰূপী সনাতন সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণক সেৱা জনাইছে; তাৰ পাচত ভগৱানৰ নাভিত ব্ৰহ্মাৰ জন্ম আৰু তেওঁ যুগে যুগে অসংখ্য অৱতাৰ ধৰাৰ কথা কৈছে। কিন্তু এই পদত ব্যৱহাৰ কৰা শব্দকেইটা যদি অলপ দকৈ চিন্তা কৰি চোৱা যায়, তেন্তে ইয়াৰ ভিতৰতেই সমস্ত সৃষ্টিতত্ত্ব সোমাই থকা দেখিবলৈ পোৱা যায়; আৰু লগতে গ্ৰন্থকাৰৰ ধৰ্ম্মমতো আমি অনুমান কৰিব পাৰোঁ।

"সনাতন" শব্দৰ অৰ্থ "সত্যবস্তু"। আমি চকুৰে দেখা গছ-লতা, চৰাই-পশু, মানুহ আদি অস্থায়ী— আজি আছে, কাইলৈ নেদেখা হব; এইবোৰ বস্তুৰ আমাৰ আগতে জন্ম, পৰিবৰ্ত্তন হয়। যিবোৰ বস্তুৰ স্থায়ীত্ব নাই, সেইবোৰেই অসত্য বা মিছা।

আমাৰ শাস্ত্ৰকাৰসকলে কয়—যি পৃথিবীত আমি উপজিছোঁ, য'ত আজি আমি আনন্দমনেৰে চলা-ফুৰা কৰিছোঁ, য'ত আমাৰ মৃত্যু হব, সেই পৃথিবী, বায়ুমণ্ডল, চন্দ্ৰ-সূৰ্য্য, গ্ৰহ-নক্ষত্ৰ আদিকে একো নাছিল; সেই সময়ত কেৱল ভগৱান্ তেওঁৰ বিনন্দীয়া বিশ্বত অৱস্থিত আছিল। ভগৱান অনন্ত-কাল বিশ্বত ৰূপ, ৰস, গন্ধহীন হৈ আছিল; তেতিয়া এই সৃষ্টি নাই, আকাশ নাই, তাপ নাই, বায়ু নাই, পানী নাই, ভূমি নাই; বিশ্ব তেতিয়া নিৰাকাৰ, নিৰ্ব্বিকল্প, অনিৰ্ব্বচনীয় ভগৱানেৰেই ভৰা অৰ্থাৎ এক ভগৱানেই বিশ্ব জুৰি ভৰি আছিল। এই কাৰণেই শাস্ত্ৰকাৰসকলে ভগৱানক সনাতন বা সত্যবস্তু বোলে।

তাৰ পাচত সেই অদ্বিতীয় সনাতনৰ মনত সঙ্কল্প হল—"মই জগৎ সৃষ্টি কৰিম বা মই বহু হৈ বিশ্ব জুৰি পৰিম। এই ভাব হোৱাৰ লগে লগে আকাশ, বায়ু, তেজ, জল, পৃথিবী আৰু উদ্ভিদৰ সৃষ্টি হবলৈ ধৰিলে। বিনা কাৰণত ভগ-ৱানৰ যে সৃষ্টি-ইচ্ছা হল, ইয়াকেই শাস্ত্ৰকাৰসকলে **মায়া** বোলে। সত্ত্ব, ৰজ আৰু তমগুণ মায়া-ৰেই। মায়া উদ্ভৱ হোৱাত শাস্ত্ৰকাৰসকলে সনাতনক ব্ৰহ্ম বোলে; অৰ্থাৎ এক সনাতন ভগৱানেই **মায়াক লৈ ব্ৰহ্ম** নাম ধৰিলে।

'মায়া' বুলিলে আমি অবিদ্যা বা অজ্ঞান বুজোঁ— যাৰ বলত আমাৰ মোহ জন্মে—সংসাৰ-বন্ধন ঘটে। ব্ৰহ্মৰ মায়া, এই মায়া নহয়, সি শুদ্ধ সত্ত্বগুণ প্ৰবলা, ৰজো তমো গুণৰ প্ৰভাৱ এই মায়াত নাই। এই কাৰণেই ব্ৰহ্ম সগুণ হৈও নিৰ্গুণ—তেওঁ "নিৰ্গুণ গুণ নিয়ন্তা" ব্ৰহ্মই এই মায়াৰ দ্বাৰা এই বিনন্দীয়া সৃষ্টি ৰচনা কৰিলে।

শাস্ত্ৰকাৰসকলে কয়—ব্ৰহ্মই পোনতে নিজ তেজেৰে জলৰ সৃষ্টি কৰে; জলত বীজ নিক্ষিপ্ত হল; আৰু এই বীজেই সুবৰ্ণ অণ্ডৰূপে পৰিণত হল। সুবৰ্ণ

অণ্ড দুভাগ হৈ এভাগ আকাশ আন ভাগ পৃথিৱী বা ক্ষিতি হয়। তাৰ পাচত মৰীচি, অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰতু, বশিষ্ঠ, ভৃগু, দক্ষ, নাৰদ এই দহজন প্ৰজাপতিৰ সৃষ্টি হয়; এওঁলোকৰ পৰাই সকলো জীৱজন্তুৰ সৃষ্টি হয়।

এতেকে ব্ৰহ্মৰ পৰাই জীৱৰ সৃষ্টি হল বা তেৱেঁই সৃষ্টিৰূপে প্ৰকাশিত হল; গতিকে সৃষ্টিৰ সকলোতে ব্ৰহ্মৰ লগে লগে মায়াও থাকিল। সকলো জীৱত মায়া থকাৰ এয়ে কাৰণ। অন্যান্য জীৱত থকা মায়াক সত্ত্বগুণ অপ্ৰধান দেখি অবিদ্যা বোলে। যি মানুহে এই অবিদ্যা গুচাই শুদ্ধ সত্ত্বগুণৰ প্ৰভাব বঢ়াব পাৰে তেওঁ ব্ৰহ্মই হয়; আনবিলাকে অবিদ্যাৰ ফলত অনন্ত যোনিত ঘূৰি ফুৰে। ইয়াৰ পৰা স্পষ্ট বুজা যায়—এক সনাতনেই বহু হৈ বিচিত্ৰ সংসাৰত বিচিত্ৰ লীলা কৰিছে।

ভগৱানৰ এটা নাম নাৰায়ণ। 'নৰ' শব্দৰ অৰ্থ আত্মা বা পৰমাত্মা; আত্মাৰপৰা জল উদ্ভৱ হোৱা বাবে জলৰ নাম নাৰা। এই জলতেই ভগৱানে ব্ৰহ্মৰূপে পোনতে অয়ন বা আশ্ৰয় লৈছিল, সেই কাৰণে ব্ৰহ্ম বা ভগৱানক নাৰায়ণ বোলে। এইদৰে ব্ৰহ্ম বা নাৰায়ণ একে বস্তুৱেই হল।

সনাতনৰ সৃষ্টি-ইচ্ছা হলত তেওঁ ব্ৰহ্ম নাম পালে; সেই ব্ৰহ্মই নাৰায়ণ নামান্তৰ গ্ৰহণ কৰিলে। এই নাৰায়ণ বা ব্ৰহ্মই সকলোৰে উদ্ভৱৰ কাৰণ, গতিকে এওঁৱেই সৰ্ব্ব অৱতাৰৰ মূল"।

পুৰাণত আছে প্ৰলয়ৰ পাছত নাৰায়ণে জলৰ ওপৰত অনন্ত শয্যাত শয়ন কৰে আৰু তেওঁৰ নাভিৰ পৰা চাৰি হাতে চাৰিখন বেদ হাতত লৈ ব্ৰহ্মা জন্মে আৰু তাৰ পাচতেই সৃষ্টি আৰম্ভ হয়। জলত শয়ন কৰা কথাই ভগৱান নিৰাকাৰ নিৰ্ব্বিকল্প ভাবে থকা বুজায়, আৰু নাভিৰপৰা ব্ৰহ্মা জাত হোৱা মানে নিৰাকাৰ ভগৱানৰ অন্তৰত সৃষ্টিৰ ইচ্ছা হোৱা আৰু তেওঁ ব্ৰহ্মা নাম ধৰা বুজায়।

ব্ৰহ্মাৰ ইচ্ছাকেই মায়া বুলি ওপৰত উল্লেখ কৰি অহা হৈছে। এই মায়া জ্ঞানময়। বেদ অৰ্থেও জ্ঞানকে বুজায়; গতিকে ব্ৰহ্ম বা নাৰায়ণৰ পৰাই জ্ঞানৰ সৃষ্টি হল।

যেতিয়া ধৰ্ম্মৰ গ্লানি হয়—অধৰ্ম্মে জগত ছোৱে, সেই সময়ত ভগৱানে ভূভাৰ-হৰণ কৰিবলৈ পৃথিৱীত অৱতীৰ্ণ হয়। সনাতনে এইদৰে সময়ে সময়ে পৃথিৱীত আবিৰ্ভূত হৈ পৃথিৱীৰ ভাৰ-হৰণ কৰি আহিছে। সৃষ্টিৰ আদিতে যি সনাতনে ব্ৰহ্ম বা নাৰায়ণ ৰূপ ধৰিছিল, যি হিন্দুৰ সকলো অৱতাৰৰ মূল, যাৰ পৰা সৃষ্টি, স্থিতি আৰু প্ৰলয় ঘটিছে, আৰু যি ভূভাৰ হৰণ কৰিবৰ নিমিত্তে সময়ে সময়ে আবিৰ্ভূত হয়, সেই সত্তা বস্তুক কীৰ্ত্তনৰ গ্ৰন্থকাৰে জয়জয়তে সেৱা জনাইছে।

অৱতাৰ স্বীকাৰ কৰিলেই সাকাৰ উপাসক বুলি ধৰিব পাৰি। কীৰ্ত্তনৰ জোৰনিৰ পৰা প্ৰভু শ্ৰীমন্ত শঙ্কৰ সাকাৰ উপাসনাৰ পক্ষপাতী বুলি ধৰা আৰু তেওঁ সাকাৰৰ মাজেদি নাম মন্ত্ৰেৰে নিৰাকাৰ সনাতনৰ উপাসনা ভাল পাইছিল বুলি বুজা বোধ কৰোঁ ভুল নহব।

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।

---

# কৃষ্ণ-ভক্তিমূলক গীত-ঘোষা।

কৃষ্ণ-ভক্তিমূলক গীত-ঘোষা গীত-সাহিত্যৰ ভিতৰত অমূল্য বস্তু স্বৰূপ। ভকতৰ জীৱনত গীত-ঘোষাৰ মূল্য ইমান বেচি যে ভকতৰ বাহিৰে তাৰ পৰিমাণ নিৰূপণ কৰা অন্যৰ সাধ্য নাই। আজি ভাৰতত যি অহিংস সংগ্ৰামৰ দুন্দুভি বাজিছে, কবিয়ে তাক এদিন গীতৰ সুৰত বাজি জগতক মহলীয়া কৰি গল। কবিৰ মতে জগতত মাত্ৰ এটি বস্তু আছে—সেইটি গীত। কাশীধামৰ শ্ৰীভাৰতৰ ধৰ্ম-মহামণ্ডলৰ পৰা প্ৰকাশ হোৱা "The Universal Religion" নামে পুথি খনত এখন ছবিৰ সহায়েৰে দেখুওৱা হৈছে যে, ভাৰতৰ সত্যদৰ্শী কবিসকলে বীণাপাণিৰ বীণৰ সুৰত ফুটি ওলোৱা যিবিলাক গীত অনুধাৱন কৰিব পাৰিছিল, সেইবিলাক গীতৰ সহায়েৰেই বেদ সৃষ্টি কৰিছিল। বঙ্গদেশৰ গাঁও-ভুঁই গীত-বাদ্যৰ ধ্বনিৰে প্ৰতিধ্বনিত। কিন্তু দুখৰ বিষয় আজিৰ অসমীয়া জাতি এই মহা বিষয়ত অতি পাচ-পৰা। এতিয়া যিমানেই পাচ-পৰা হওক, এসময়ত মহাপ্ৰভু শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱ, ৺গোপাল দেৱ আৰু ৺যদুমণি দেৱকে আদি কৰি মহাপুৰুষসকলৰ গীত-ঘোষাৰ ধ্বনি প্ৰতিধ্বনি উঠি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে যি খলক লগাইছিল, তাৰ স্পন্দন এতিয়াও মাৰ যোৱা নাই। অসংখ্য বিয়ানাম, আইনাম, হোৰানাম, পালনাম ইত্যাদিৰ বাহিৰেও অহিৰ, আসোৱাৰী, কল্যাণ, ইমন-কল্যাণ, কৌ, কানড়া, বৰাৰি, মাহুৰ, ধনশ্ৰী, শ্ৰী, ৰামগিৰি, তুৰ, মল্লাৰ, নাট, শ্ৰীগান্ধাৰ, মৈথিলী, ললিত, সাৰঙ্গ, সিন্ধুৰা ইত্যাদি সুৰ-ৰাগ এতিয়াও বুঢ়া থকাই পাহৰিব পৰা নাই। অনুতাপৰ বিষয় অসমীয়াৰ এই অমূল্য নিধিবিলাক শিক্ষিতৰ হাতত নপৰাত লাহে লাহে লুপ্ত হৈ আহিছে। অসমীয়া সাজেৰে আৰু ব্ৰজাৱলী ভাষাৰে সজ্জিত গীত-ঘোষাবিলাকৰ তাল, মাত্ৰা আৰু মানবিলাক উল্লেখযোগ্য। তাল ৮ খন:—সম, বিষম, ৰূপক, ৰূপগঞ্জন, আৰবিষম, বৰবিষম, আস্থালা, সৰুবিষম, যতি, পৰিতাল। চুতাচুত্ কলা, চুত্ কলামান, ছুটাজ, বিয়াজ, এতালি এইবিলাক পৃথক তাল। আৰু স্থূণি মান যেনে—চোতাল, খৰমান, গৌৰীমৰ্দ্দন, মাহুৰীমৰ্দ্দন, বিৰ্হিয়া, মালানজুমুৰি, বৰমান, ৰাগধেমালি, বৰধেমালি ইত্যাদি। এই অমূল্য গীতৰ স্বৰ আৰু বাজনাৰ মাত আৰু সুৰৰ লয় শুনিলে অবাক হব লাগে। দিহিং সত্ৰৰ আদিপুৰুষ মহা-প্ৰাণ ৺যদুমণি দেৱৰ গীত-বাদ্যৰ গুণৰ প্ৰভাৱে অনেক লোকক মুগ্ধ কৰিছিল। মানুহক ধৰ্ম্ম-শিক্ষা দিবলৈ গীত-বাদ্য এক অমৃতময় কৌশল। মানুহজাতিক যিবিলাক গুণে সভ্যতালৈ আনিছে, সঙ্গীত সেইবিলাকৰ ভিতৰত অতি প্ৰাচীন। কোনো কোনো অসমীয়া ভকতৰ মুখত মধুৰ গীতৰ সুৰৰ নৈপুণ্য, লয়ৰ ভঙ্গি, তালৰ লগত সুৰ আৰু সুৰৰ লগত লয়ৰ মধুৰ মিলন দেখি কোন অসমীয়া মুগ্ধ নহৈ থাকিব পাৰে? বঙ্গালী গীত-বাদ্যত মত্ত হৈ থকা অসমীয়া ডেকা কেইজনমানে কৈছিল যে, তেওঁলোকে হেনো বঙ্গালী গানৰ সুৰ লয়তকৈ ওপৰত কৈ অহা সুৰ-ৰাগত সোৱাদ বেচি পায়; ইয়াৰ দ্বাৰাই প্ৰমাণ কৰা হোৱা নাই যে, অসমীয়া গীত-ঘোষাৰ সুৰ-লয় বঙ্গালীতকৈ শ্ৰেষ্ঠ। প্ৰত্যেক বিলগ বিলগ জাতিৰ, প্ৰত্যেক বিলগ বিলগ ভাষাৰ একোটা একোটা বিশেষত্ব আছে। অসমীয়া কথাই, অসমীয়া ভাৱে, অসমীয়া ঠাৱৰে অস-

৩—

মীয়াৰ মনত যি তৃপ্তি আৰু শান্তি আনিব পাৰে, অন্য ভাষাই, অন্য ভাবে, সেই তৃপ্তি, সেই শান্তি আনিব নোৱাৰে। অসমীয়া গীত-ঘোষাৰ সুৰ-লয়, তাল-মান, অসমীয়া ভাষাৰ লগত যিদৰে বন্ধা আছে, তাক শিক্ষিত ৰক্ষণশীল অসমীয়াসকলে শীঘ্রে উদ্ধাৰ নকৰিলে কালৰ গতিত সকলো লোপ হব।

সেই অতীত কালত চিন্তাশীল গুণীসকলে অসমীয়া ভাষাৰ, অসমীয়া ভাবৰ অসমীয়া গীত-বাদ্যৰ দৰণী বান্ধি অসমীয়া জাতিৰ মাজত হৰিনামৰ যি সুধা ঢালি গল, সি অতি আচৰিত। মহাপুৰুষ শ্রীমন্ত শঙ্কৰৰ ৰচিত তলত তুলি দিয়া গীত এটিৰ পৰাই পাঠকসকলে বুজিব পাৰিব যে, অতীতত অসমীয়া জাতিয়ে গীত-বাদ্যৰ কি অপূৰ্ব্ব চৰ্চ্চা ৰাখিছিল।

## গীত—ৰাগ গৌৰী।

ভজ হৰিপদ চিন্ত হৰিপদ হৰিনাম মুখে গানাৰে।
হৰি গুণ-গান উচ্চাৰৰে মন হৰিত ভক্তি ভৰো জাগাৰে॥
শ্রুতি উক্ত ইটো ভক্তি ভাৱে যিটো কৰয় সদা কীৰ্ত্তনৰে।
নাহি ভব-ভয় ভোগ পৰিহৰি পৰম্পদ পৰতে কৰে॥
তোঁহো গতিমতি দেহ শ্রীপতি তত্ত্বপন্থ উপদেশৰে।
কহয় শঙ্কৰ এডুঃখ সাগৰ পাৰ কৰ হৃষিকেশৰে॥

পাঠকসকলৰ বহুজনে ব্রাহ্ম উপাসনাত, খৃষ্টীয় উপাসনাত আৰু বহু সম্প্রদায়ৰ উপাসনাত গীত-ঘোষা শুনিছে, উপাসনাৰ ৰীতি-পদ্ধতিও দেখিছে আৰু নামঘৰত অসমীয়া ভকতে ঘোষা আৰু গীত গোৱাও শুনিছে। অনেক সম্প্রদায়ৰ উপাসনা গীত গোৱাৰ ৰীতি-পদ্ধতিতকৈ অসমীয়া ৰীতি-পদ্ধতিৰ এটা মোহনীয় বিশেষত্ব আছে। যিসকলে পক্ষাপক্ষ এৰি নিৰপেক্ষ ভাবে লক্ষ্য কৰিবলৈ সমর্থ হব, অসমীয়া ভকতৰ এই স্নিগ্ধ ৰীতি-পদ্ধতিত মোহিত নহৈ নোৱাৰে। আমাৰ মতে নামঘৰত অসমীয়াই গীত-ঘোষা গোৱা ৰীতি-পদ্ধতি অতি সাধাৰণ অথচ গহীন, মধুৰ আৰু ভাৱোদ্দীপক।

পাঠকসকলৰ কোনোজনে আমাৰ এই উক্তিত সংকীৰ্ণতা দোষ দেখি তিৰস্কাৰ কৰিবও পাৰে, সেই কাৰণেই কৈ থওঁ যে, হৰিনামৰ ভজন সকলো ঠাইতে সমান। তিথি বা হৰিকীৰ্ত্তনত অসমীয়া ভকতে শুদ্ধভাৱেৰে গাত শুকুলা বস্ত্র, গলত গামোছা আৰু হাতত জলপাত্র একোটি লৈ নামঘৰলৈ যোৱা দৃশ্যকে জগতত সকলো শ্রেণীৰ পবিত্র ভক্তমণ্ডলীৰ মাজত ৰাখি নিৰপেক্ষ ভাবে নিৰীক্ষণ কৰক—কোন দৃশ্য মনোৰম আৰু আৱশুণৰে পৰা ভক্তি-ভাৱোদ্দীপক! সুৰৰ ভঙ্গিয়ে ভঙ্গিয়ে, তালৰ ছেৱে ছেৱে, ধীৰে ধীৰে হালি-জালি সুৰ আৰু ভাৱত তন্ময় হৈ একে লগে একে স্বৰে যেতিয়া অসংখ্য অসমীয়া ভকতে নামঘৰত ঘোষা ধৰে—

"উপদেশ তত্ত্ব কৰিয়া নিৰত সততৰ প্রবর্ত্তন।
শাস্ত্ৰৰ বিচাৰ ধৰিয়া আচাৰ কৰিয়োক অনুক্ষণ॥
পৰম পুৰুষ পুৰুষত পৰে যাত পৰ নাহি কেৰ।
বিনন্দ বিপুল ৰূপেৰ প্রচুৰ তান পদে কৰো সেৱ॥

সেই দৃশ্য দেখি জগতৰ কোন ভক্তিগীতগায়কে মুগ্ধ নোহোৱাকৈ থাকিব পাৰে; কোন ভক্তিপৰায়ণ জনে অসমীয়া ভকতক হেঁপাহেৰে আঁকোৱালি ধৰিবলৈ উধাও নোহোৱাকৈ থাকিব পাৰিব; আৰু কোন শুদ্ধ পন্থৰ কঠোৰ নীতিপৰায়ণজনে অসমীয়া ভকতক দূৰৈৰ পৰা চাই উভটি যাব পাৰিব? কিন্তু আজি কেইজন অসমীয়া যুৱকে নামঘৰত অসমীয়া গীত ঘোষা গাই হৰিনামৰ সুধা নিবলৈ যত্ন কৰিছে? সেইদেখি কওঁ, হে অসমীয়া যুৱক, অসমীয়া ভকতৰ সঙ্গ নেৰিবা; আৰু গুৰু শঙ্কৰৰ পবিত্র সাধনাক অনাদৰ নকৰিবা।

অসমীয়া সমাজৰ আৰু অসমীয়া ভকতসকলৰ ভিতৰত বিনয়, সৰলতা আৰু শিষ্টতালৈ অতি সন্তর্পণে লক্ষ্য কৰিলে মনত এনে এটা ভাব বিৰিভি ওলায় যেন অসমীয়া ধৰ্ম্ম-সঙ্গীতৰ স্বৰ লয়ৰ ভাবভঙ্গি ভাৰতত শ্রেষ্ঠ নহলেও কেতিয়াও হীন নহয়। যি ভাষাই আৰু যি ভাষাৰ গীত-ঘোষাই এটা জাতিক সৰল, নম্র আৰু বিনীত কৰি তুলিব পাৰে, সেই ভাষাৰ গীত-সাহিত্য যে বহুগুণে উন্নত, তাক সকলোৱে নতশিৰে মানিব। আসাম সাহিত্য সভাই অসমীয়া ভাষাৰ অতীত গৌৰৱৰ ধ্বংসাৱশেষ বিচাৰি পাত-পাত কৰি ফুৰিছে, যদি এবাৰ অসমীয়া গীতৰ সুৰ-ৰাগৰ ভিতৰত ভুমুকি মাৰে, তেন্তে অসমীয়া সাহিত্যৰ আৰু এটি অমূল্য ৰত্ন উদ্ধাৰ হব।

হে সুধীসকল! আমি যথাশক্তিৰে আমাৰ মহাগুৰু আতাসকলৰ বিৰচিত অপ্রকাশিত গীত ঘোষা কেইটিমান সংগ্ৰহ কৰি "গীত-ঘোষা- পৰিচয়" নাম দি কিতাপৰ আভায কৰি ৰাইজসকলৰ আগত প্রকাশ কৰিছোঁ। এই গীতসমূহ আমাৰ উপৰি পুৰুষসকলৰ মুখে মুখে চলি অহা গীত। মহাপুৰুষসকলৰ এনেকুৱা আৰু অসংখ্য গীত-ৰত্ন ধোঁৱা-চাঙৰ ওপৰত থওঁতেই মলঙি গৈছে। অনেকৈ ধোঁৱা-চাঙত থাকিলে যে এই অমূল্য ৰত্নবিলাক আৰু দুই এক পুৰুষমানৰ পাচতে লুপ্ত হব ই ধ্রুৰূপ। সেই কাৰণেই আমি অযোগ্য হৈয়ো মনৰ আবেগত এই গীত-ঘোষা কেইটি ৰাইজৰ আগলৈ উলিয়াই দিলোঁ। গুণপ্রাণ ৰাইজসকলে যে ইয়াত প্রকাশকৰ অনেক দোষ দেখিব, তাত সন্দেহ নাই; তথাপি বিষ্ণুৰূপী সমজুৱাসকলে আমাৰ মাত্র আন্তৰিক আগ্রহলৈ মন কৰি যেন সকলো দোষ মৰষণ কৰিব।

গীতাত শ্রীকৃষ্ণ ভগৱান্তে অৰ্জ্জুনক কৈছে :—

"যদযদাচৰতি শ্রেষ্ঠস্তত্তদেৱেতৰো জনঃ।
সযাক্ প্রমাণং কুৰুতে লোকস্তদনুবৰ্ত্ততে॥ ২১

এইখিনিকে মন কৰি সুধীবৃন্দসকলে অভাজনৰ দোষ ক্ষমা কৰে যেন।

বিনয়াৱনত—
শ্রীহলিৰাম হাজৰীকা, যোৰহাট।



# গোত্র আৰু প্রবৰ।

"বংশপৰম্পৰাপ্রসিদ্ধম্ ব্ৰাহ্মণৰূপমাদিপুৰুষম্।" বংশপৰম্পৰাপ্রসিদ্ধ ব্ৰাহ্মণৰূপ আদিপুৰুষকে গোত্র বুলিছে।

মনু ঃ—

"যমদগ্নিৰ্ভৰদ্বাজো বিশ্বামিত্ৰাত্ৰিগোতমাঃ।
বশিষ্ঠকাশ্যপাগস্ত্যাঃ মুনয়ঃ গোত্ৰকাৰিণঃ॥
এতেষাং যান্যপত্যানি তানি গোত্ৰানি মন্যতে।
শাণ্ডিল্য কাশ্যপশ্চৈব বাৎস্য সাবৰ্ণকস্তথা॥
ভৰদ্বাজো গৌতমশ্চ সৌকালিনস্তথাপৰঃ।
কল্কিৰশ্চাগ্নিবৈশ্যশ্চ কৃষ্ণাত্ৰেয়বশিষ্ঠকৌ॥
বিশ্বামিত্রঃ কুশিকশ্চ কৌশিকশ্চতথাপৰঃ
ঘৃতকৌশিকমৌদ্গল্যো আলমানঃ পৰাশৰঃ॥
সৌপায়নস্তথাত্ৰিশ্চ বাসুকী ৰোহিতস্তথা।
বৈয়াঘ্ৰপদ্যকশ্চৈব জামদগ্ন্যাস্তথাপৰঃ।
সৌকালিনকমৌদ্গল্যো পৰাশৰ বৃহস্পতিঃ।
কাঞ্চনো বিষ্ণুকৌশিকো কাত্যায়নাত্ৰেয়কাযকাঃ॥

কৃষ্ণাত্ৰেয় শাঙ্কৃতিচ কৌণ্ডিল্য গৰ্গ সংজ্ঞকাঃ।
আঙ্গিৰস ইত্তিগ্যাতঃ অনাবৃকাখ্য সংজ্ঞিতঃ॥
অজ জৈমিনী বৃক্ষাখ্য শাণ্ডিল্যো বাৎস্যএবচ॥
সাৰ্বৰ্ণালম্যান বৈয়াগ্ৰপদ্যাঘৃতকৌশিকাঃ।
শক্তিঃ কাম্বায়নশ্চৈব বাসুকী গৌতমস্তথা॥
শুনকঃ সৌপায়নশ্চৈব মুনয়ো গোত্ৰকাৰিণঃ।
এতেষাং যান্যপত্যানি মুনয়ঃ গোত্ৰাকৰিণঃ॥"

যমদগ্নি, ভৰদ্বাজ, বিশ্বামিত্ৰ, অত্ৰি, গৌতম, বশিষ্ঠ, কাশ্যপ, অগস্তি, মৌদ্গল, সৌকালিন, পৰাশৰ, বৃহস্পতি, কাঞ্চন, কৌশিক, কাত্যায়ন, আত্ৰেয়, কাম্ব, কৃষ্ণাত্ৰেয়, সাঙ্কৃতি, কৌণ্ডিল্য, গৰ্গ, অঙ্গিৰস, অনাবৃকাক্ষ, অজ, জৈমিনী, বৃক্ষ, শাণ্ডিল্য, বাৎস্য, সাৰ্বৰ্ণি, আলম্যায়ন, বৈয়াঘ্ৰপদ্য, ঘৃতকৌশিক, শক্তি, কাম্বায়ন, বাসুকী, গৌতম, শুনক, সৌপায়ন, ৰোহিত, কক্ষিম, অগ্নিবৈশ্য, কুশিক—এই ৪২ টা গোত্ৰৰ মূল পাইছোঁ; ইয়াৰ বাহিৰে মধুকল্য, কৌনিনা, ৰথনস, নৌকাক্ষি, শাঙ্কৰিষণ, মিহিৰায়ন, ৰথিতৰ বিবিক্ষি, বিকৰ্ত্তন, সৌনক আদি আছে।

প্ৰবৰ শব্দৰ অৰ্থ প্ৰাৰ্থি। একেলগে যজ্ঞাদি কাৰ্য্য সম্পাদন কৰোঁতে একে গাঁথা হৈ দুই তিনি জন বা ততোধিক মিলি কাৰ্য্য কৰা লোকসকলকে প্ৰবৰ বোলে। যেনে, বশিষ্ঠই ইন্দ্ৰই পাঁচ হেজাৰ বছৰীয়া যজ্ঞ কৰোঁতে বশিষ্ঠ, শক্তি, পৰাশৰ লগ লাগি যজ্ঞ সম্পন্ন কৰিছিল। নিমিয়ে পোন্ধৰ হেজাৰ বছৰ ব্যাপি যজ্ঞ কৰোঁতে গৌতমক হোতা লৈ যজ্ঞ কৰিছিল; সেই যজ্ঞত গৌতম অঙ্গিৰস বাৰ্হস্পত্যই এক গাঁথা হৈ যজ্ঞ কৰিছিল। যজ্ঞ সম্পাদন কৰোঁতে বাপেক পুতেকো লগত থাকিব পাৰে, অন্যও লগ হব পাৰে। কোন কোন গোত্ৰৰ কি কি প্ৰবৰ তলত লিখা হল :—

| গোত্ৰ :— | প্ৰবৰ :— |
|---|---|
| যমদগ্নি | ... যমদগ্নি, ঔৰ্ব্ব, বশিষ্ঠ। |
| ভৰদ্বাজ | ... ভৰদ্বাজ, অঙ্গিৰস, বাৰ্হস্পত্য। |
| বিশ্বামিত্ৰ | ... বিশ্বামিত্ৰ, মৰীচি, কৌশিক। |
| অত্ৰি | ... অত্ৰি, আত্ৰেয়, শাতাতপ। |
| গৌতম | ... গৌতম, বশিষ্ঠ, বাৰ্হস্পত্য। |
| বশিষ্ঠ | ... ... ... বশিষ্ঠ। |
| বশিষ্ঠ | ... বশিষ্ঠ, অত্ৰি, সাঙ্কৃতি। |
| কাশ্যপ | ... কাশ্যপ, অপ্সাৰ, নৈধ্ৰুৱ। |
| অগস্তি | ... অগস্তি, দধীচি, জৈমিনি। |
| সৌকালিন | ...সৌকালিন, অঙ্গিৰস, বাৰ্হস্পত্য, অপ্সাৰ, নৈধ্ৰুৱ। |
| মৌদ্গল | ... ঔৰ্ব্ব, চ্যৱন, ভাৰ্গৱ, যমদগ্নি, অপ্নুবন। |
| পৰাশৰ | ... ... পৰাশৰ, শক্তি, বশিষ্ঠ। |
| বৃহস্পতি | ... বৃহস্পতি, কপিল, পাৰ্ব্বণ। |
| কাঞ্চন | ... ... অশ্বত্থ, দেৱল, দেৱৰাজ। |
| বিষ্ণু | ... ... বিষ্ণু, বৃদ্ধি, কৌৰৱ। |
| কৌশিক | ... ... কৌশিক, অত্ৰি, যমদগ্নি। |
| কৌশিক | ... কৌশিক, বিশ্বামিত্ৰ, দেৱৰাট্। |
| কৌশিক | ... কৌশিক, অসিৰ, বিশ্বামিত্ৰ, দেৱৰাট্। |
| কাত্যায়ন | ... ... অত্ৰি, ভৃগু, বশিষ্ঠ। |
| কাত্যায়ন | ... কাত্যায়ন, শাটায়ন, শাকতায়ন। |
| আত্ৰেয় | ... আত্ৰেয়, শাতাতপ, সাংখ্য। |
| কাম্ব | ... কাম্ব, অশ্বত্থ, দেৱল। |
| কৃষ্ণাত্ৰেয় | ... কৃষ্ণাত্ৰেয়, আত্ৰেয়, আবাস। |
| কৃষ্ণাত্ৰেয় | ... কৃষ্ণাত্ৰেয়, আত্ৰেয়, ত্ৰেয়। |
| সাঙ্কৃতি | ... অত্ৰ, আহাৰ, অত্ৰি, সাঙ্কৃতি। |
| কৌণ্ডিল্য | ... কৌণ্ডিল্য, তিমিক, কৌৎস। |
| গৰ্গ | ... গাৰ্গ্য, কৌস্তুভ, মাণ্ডব্য। |
| গৰ্গ | ... ... গৰ্গ, গাৰ্গ্য, গালৱ। |
| আঙ্গিৰস | ... আঙ্গিৰস, বশিষ্ঠ, বাৰ্হস্পত্য। |
| অনাবৃকাক্ষ | ... গাৰ্গ্য, গৌতম, বশিষ্ঠ। |



| গোত্ৰ :— | প্ৰবৰ :— |
|---|---|
| অজ | ... অত্ৰ, বলি, সাৰস্বত। |
| জৈমিনি | ... জৈমিনি, উতথ্য, সাঙ্কৃতি। |
| বৃক্ষ | ... বৃক্ষ, কৃক, অঙ্গিৰা, বাৰ্হস্পতি। |
| শাণ্ডিল্য | ... শাণ্ডিল্য, অসিত, দেৱল। |
| বাৎস্য | ঔৰ্ব্ব, চ্যৱন ভাৰ্গৱ, জমদগ্নি, অপ্নুবন। |
| সাৰ্বৰ্ণি | ঔৰ্ব্ব, চ্যৱন, ভাৰ্গৱ, জমদগ্নি, অপ্নুবন। |
| আলম্যায়ন | ... আলম্যায়ন, শালঙ্কায়ন, শাকটায়ন। |
| আলম্যায়ন | ... আলম্যায়ন, শাকটায়ন, সৰ্ব্বাতিথি। |
| বৈয়াঘ্ৰপদ্য | ... সাঙ্কৃতি। |
| ঘৃতকৌশিক | ... কুশিক, কৌশিক, ঘৃতকৌশিক। |
| ঘৃতকৌশিক | ... কুশিক, কৌশিক, বাস্কল। |
| শক্তি | ... শক্তি, পৰাশৰ, বশিষ্ঠ। |
| কাম্বায়ন | —কাম্বায়ন, অঙ্গিৰস, বাৰ্হস্পত্য, ভৰদ্বাজ, অজমীঢ়। |
| বাসুকী | ... অক্ষোভ, অনন্ত, বাসুকী। |
| গৌতম | —গৌতম, অপ্সাৰ, অঙ্গিৰস, বাৰ্হস্পত্য, নৈধ্ৰুৱ। |
| শুনক | ... শুনক, সৌনক, গৃৎসমদ। |
| সৌপায়ন | — ঔৰ্ব্ব, চ্যৱন, ভাৰ্গৱ, জামদগ্নি, অপ্নুবায়ন। |
| বিবিক্ষি, সৌকন | ... ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ। |
| বিকৰ্ত্তন | ... বিকৰ্ত্তন। |
| নৌকাক্ষি | ,নৌকাক্ষি, জৈমিনি, সুমন্ত্ৰ, শুকন্তু, হিৰণ্যনাভ। |
| ৰথনস | ... ৰথনস, উশনস, অঙ্গিৰস। |
| ৰথনস | ... ৰথনস, অঙ্গিৰস, বাৰ্হস্পত্য। |
| কপিল | ... জমদগ্নি, অপ্নুবন। |
| কপিল | ... কপিল, কাপিল, কাম্পিল্য। |
| কপিল | ... বৈশম্পায়ন। |
| কপিল | ... কপিল, জমদগ্নি, অপ্নুবায়ন। |
| শাঙ্কৰিষন | ... শাঙ্কৰিষন, শঙ্খিত, শাকতায়ন। |
| মিহিৰায়ন | ... মিহিৰ, অসিৰ, দেৱৰাট। |
| কক্ষিম | ... কক্ষিম। |
| অগ্নিবৈশ্য | ... অগ্নিবৈশ্য। |
| কুশিক | ... কুশিক, ওদল, দেৱৰাজ। |
| ৰোহিত | ... ৰোহিত। |
| ৰথিতৰ | ... ৰথিতৰ, অঙ্গিৰস, বাৰ্হস্পত্য। |
| কৌণিন্ত | ... কৌণিন্ত, বিশ্বামিত্ৰ, দেৱৰাট্। |

এটা গোত্ৰৰে বিলগ বিলগ প্ৰবৰ হৈছে—তাৰ অৰ্থ এই যজ্ঞ কৰোঁতে যি যজ্ঞত যেনেকৈ যোগ হৈছিল সেই যোগ দিওঁতা ঋষিসকলেই প্ৰবৰ হল। ইন্দ্ৰই পাঁচ হেজাৰ ব্যাপি যজ্ঞ কৰোঁতে বশিষ্ঠ হোতাকৈ শক্তি, পৰাশৰ, ঋত্বিক সদস্য হৈ যজ্ঞ কৰিছিল। নিমিয়ে ১৫ হেজাৰ বছৰ ব্যাপি যজ্ঞ কৰোঁতে গৌতম হোতা হৈ অঙ্গিৰস, বাৰ্হস্পত্য, ঋত্বিক সদস্য হৈ যজ্ঞ সম্পাদন কৰিছিল। প্ৰবৰৰ লগত পুত্ৰও হব পাৰে অন্যও হব পাৰে।

সমান প্ৰবৰ বাৎস্য সাৰ্বৰ্ণি, সেই কাৰণে বাৎস্য সাৰ্বৰ্ণিৰ বিবাহ হব নোৱাৰে। কাঞ্চন অনাবৃকাক্ষ কন্যাৰ বিবাহ হব নোৱাৰে। সমান প্ৰবৰ—গোত্ৰটো প্ৰবৰৰ লগত নবহি অকল প্ৰবৰেই এটা তিনটা পাঁচোটা ক্ৰমে হলেই বিবাহ হব নোৱাৰে।

প্ৰচেতা, ক্ৰতু, ভৃগু, পুলস্ত্য, পুলহ, মৰীচি, সনৎকুমাৰ, সনক, সনন্দ, সনাতন, শঙ্খ, আসুৰি, বোঢ় পঞ্চশিখ, দুৰ্ব্বাসা, কৰ্ণ, নৰ, নাৰায়ণ, কণাদ, পাণিনি, মাৰ্কণ্ডেয়, লোমশ, অৰুণি, যতি, সুমতি, চ্যৱন, কণ্ব, জৰৎকাৰু, উতথ্য, সম্বৰ্ত্ত, সৌভৰি, জাবাল, জৈগীষব্য, দেৱল, লোকমুখ, চক্ৰধৰ, পাৰিভদ্ৰ, বিশ্বামিত্ৰ, বামদেৱ, ঋষ্যশৃঙ্গ, বিভাণ্ডক, মুকুণ্ড, পুষ্কৰ, কৌৎস, বৎস, দক্ষ, কাণাগ্নি, অঘমৰ্ষণ, শালঙ্কি, শাকতায়ন, শঙ্কু, আপিশলি, শাকল্য, শুনঃশেফ আদি অনেক ব্ৰাহ্মণ আছিল যাৰ পৰা অনেক ব্ৰাহ্মণৰ উৎপত্তি হৈছিল; সেই সকলৰ বংশধৰ সকল অনেক ঠাইত আছে।

শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য।

# দোঁহাৱলী।

১। অতি মঙ্গলময় জানিয়ে সাধুসমূহ সমাজ।
জৈসে জগকে বীচমে তীরথ তীরথরাজ॥

প্রয়াগক্ষেত্রত গঙ্গা, যমুনা আরু সৰস্বতীৰ একত্র মিলন হৈছে। সেই হেতুকেই, পৃথিবীৰ যাৱতীয় তীৰ্থৰ ভিতৰত শ্ৰেষ্ঠ। মানুহে পুণ্যলাভাৰ্থে তাত স্নান-দান আদি কাৰ্য্য কৰে। সজ্জনসমাজো প্ৰয়াগ তীৰ্থস্বৰূপ আৰু পৰম মঙ্গলময় বুলি জানিবা।

২। অৰিকে কৰমে দীজিয়ে জনমৰ কো অধিকাৰ।
জোঁ জোঁ দ্ৰব্য লুটায়িহে তোঁ তোঁ যশ বিস্তাৰ॥

সময়ে সময়ে শত্ৰুৰ হাততো তোমাৰ দ্ৰব্যাদিৰ কৰ্ত্তৃত্বভাৰ অৰ্পণ কৰিবা; কাৰণ, শত্ৰুৱে তোমাক নিঃস্ব কৰিবৰ উদ্দেশ্যেৰে যি পৰিমাণে সেই বস্তুবোৰ দান কৰিব, তোমাৰ যশো সেই অনুপাতে বৃদ্ধি হব। ক্ষণিনীয়া ধন সম্পত্তিৰ বিনিময়ে তেওঁ তোমাক যুগমীয়া কীৰ্ত্তি আৰ্জ্জি দিব; গতিকে, শত্ৰুৱে পৰোক্ষে তোমাৰ উপকাৰহে কৰি দিব।

৩। অৰ্ক জবাস পাত বিনু ভাও, জিমি ৰবাজ্যগল উত্তম গয়ও।
খোজে পন্থ মিলে নহি ধূৰী, কৰে ক্ৰোধ জিমি ধৰ্ম্ম হি দূৰী॥

বৰ্ষাকালত যেনেকৈ আকন আৰু জৱা গছ নিষ্পত্ৰ হয়, সেইদৰে সু-ৰজাৰ ৰাজ্যত খল আৰু চোৰ ডকাইত আদি কু-স্বভাৱৰ লোকৰ উত্তম থাকিব নোৱাৰে অৰ্থাৎ ৰাজদণ্ডৰ ভয়ত সিহঁতে কাকো ক্লেশ দিব নোৱাৰে। আৰু বাৰিষা আলিবোৰত যেনেকৈ ধূলি পোৱা নাযায়, ঠিক সেইদৰে ক্ৰোধী মানুহৰ হিয়াত ধৰ্ম্মই বিৰাজ নকৰে। খঙৰ উদয় হোৱা মাত্ৰকে মানুহৰ ধৰ্ম্মজ্ঞান লুপ্ত হয়। খং নামে চাণ্ডাল।

৪। অশন বসন সব ত্যজ গয়ো, ত্যজ গয়ো গাম্ গেহ।
মোহে সংশয় শূল হ্যায়, দুৰ্লভ ত্যজনা সেহ॥

হঠাৎ মন উফৰি অশন বসন, আন কি নিজৰ ঘৰ আৰু গাওঁ এৰি বিদেশলৈ গলেই যে প্ৰকৃত বৈৰাগ্যৰ উদয় হল, এনে নহয়। মোহৰ পৰা উদ্ভৱ হোৱা সন্দেহৰূপ শূলব্যথাৰ পৰা অপায় হৃদয়ক মুক্ত কৰিব নোৱাৰিলে আচল বৈৰাগ্যৰ সঞ্চাৰ নহয়। কাৰণ "এইটো কৰিমনে, সেইটো কৰিম—মোৰ নিচিনা ধনী আৰু মানী মানুহে এই কাম কৰা উচিতনে অনুচিত"—ইত্যাদি সংশয় মনৰ পৰা দূৰ নহয় মানে বৈৰাগ্য লাভ অসম্ভৱ। সংশয় নিবৃত্তি হলে ঘৰত থাকিও বৈৰাগ্যলাভ কৰিব পৰা যায়।

৫। অৰ্থ যথা পদধূলি হোয়, যৌবন নদী কৰ বেগ।
মানুষ জলথে বিন্দু হোয়, জীৱন কেন কৰি লেখ॥

ধন ভৰিৰ ধূলিৰ নিচিনা হেয় পদাৰ্থ, যৌৱন বেগৱতী নদীৰ প্ৰবাহৰ দৰে চঞ্চল, মানুহৰ দেহ জলবিম্ব তুল্য ক্ষণ-বিনশ্বৰ; এতেকে, ক্ষণিক সুখপ্ৰদ ভৱসুখত মুগ্ধ নহৈ মুক্তি-প্ৰাপ্তিৰ কাৰণে ধৰ্ম্মোপাৰ্জ্জনত মনোনিবেশ কৰাহে সৰ্ব্বতোভাৱে মঙ্গলজনক।

৬। অলি পতঙ্গ মৃগ মীন গজ, ইয়াকো একই আঁচ।
তুলসী, ওয়াকো ক্যাগৎ, যাকো পিছে পাঁচ॥

ভোমোৰা, পতঙ্গ, মৃগ, মাছ আৰু হাতী—ইহঁতে যথাক্ৰমে নাক, চকু, কাণ, জিভা আৰু ছাল এই পঞ্চেন্দ্ৰিয়ৰ যোগেৰে গন্ধ, ৰূপ, শব্দ, ৰস, আৰু স্পৰ্শৰ দ্বাৰা আকৃষ্ট হৈ ধ্বংস প্ৰাপ্ত হয়। তুলসী, যিবিলাক মানুহৰ পাচত এই পাঁচোওটা ইন্দ্ৰিয় লাগি ফুৰিছে, তেওঁবিলাকৰ তেন্তে কি গতি হব? অকল এটা ইন্দ্ৰিয়ই যেতিয়া



এটা জীৱৰ ধ্বংসসাধন কৰিবলৈ সমৰ্থ, তেনে স্থলত পঞ্চেন্দ্ৰিয়ই একে সময়তে জুমুৰি দি ধৰা মানুহে কি তত পাব? ইন্দ্ৰিয়সংযম কৰিব নোৱাৰিলে পদে পদে বিপদ।

৭। অনুগামী সুত সৰ্ব্বদা, পিতৃভক্তিযুক্ত হোই।
অয়সে বিদ্যা পঢ়ত হোয়, জ্ঞানে অৰ্থ নিত হোত॥
ইহ ষড়গুণ ইহ লোকমে সুখ কাৰণ নৃপ হোত।
তাকো জীৱন ধন্য হোয় পুন্যৱন্ত নৰপোত॥

সংসাৰত যিজন মানুহৰ অৰ্থলাভবাসনাৰূপ ৰোগ নাই, যি সদায় নিৰোগ, যাৰ তিৰোতা সৰাকী সাদৰী আৰু সদায় মিঠা কথা কয়, সেই মানুহজনে সংসাৰৰ অভাৱ বৰকৈ অনুভৱ কৰিব নোৱাৰে তাৰ লগতে তেওঁৰ পুতেক যদি পিতৃভক্তিযুক্ত আৰু বিদ্যা অৰ্থকৰী হয়, তেন্তে তেওঁকে এই সংসাৰত পৰম সুখী বুলি লেখত লব পাৰি।

৮। অহ জানি অজৰামৰ বিদ্যাধন কৰি লেহ।
সমৰথকো ধন হোত হৈ লাগত যো কৰি লেহ॥
ধৰ্ম্ম কৰহু তব জানি মন কালগ্ৰাসিত বহু আপ।
কৰহু ন কৰহু কালতে হোত কাঁ ন মনতাপ॥

'মই জৰাহীন আৰু অমৰ' এই দৰে ভাবি বিদ্যা আৰু ধন উপাৰ্জ্জন কৰা যুগুত। কাৰণ, দেহ ক্ষণভঙ্গুৰ বুলি মনত ভাবিলে বিদ্যা আৰু ধন ঘটিবলৈ প্ৰবৃত্তি নজন্মে। আৰু 'মোক নিবলৈ যমে চুলিত ধৰি আছে' এনে ভাবি ধৰ্ম্মোপাৰ্জ্জন কৰা উচিত। কাৰণ, তুমি ধৰ্ম্ম উপাৰ্জ্জন কৰা বা নকৰা, কাল উপস্থিত হলে সি তোমাক সময়ো নিদিয়ে বা নেৰেও। তেতিয়া তুমি বৰ মনস্তাপ পাব লাগিব। গতিকে, সময় থাকোঁতেই সাৱধান হোৱা।

৯। অৰ্থ অনৰ্থ কৰহি জগমাহী।
দেখহু মন সুখ লেশো নাহি॥
যাকো ধন তাকো ভয় অধিকা।
ধন কাৰণ মাৰত পিতু লড়িকা॥
ধনতে পতিহিঁ তিয়াতহিঁ নাৰী।
ধনতে মিত্ৰ শত্ৰুতাকাৰী॥
ধনমদ নৰ অন্ধেৰ জগ কৈসে।
দেখত নয়ি নহি ৰতো দি জৈসে॥

সংসাৰত অৰ্থই সকলো অনৰ্থৰ মূল; যাৰ অৰ্থ আছে তেওঁৰ মনত লেশমাত্ৰও সুখ নাই—অৰ্থ-ৰক্ষাৰ নিমিত্তে তেওঁৰ মন সদাই শঙ্কিত। অৰ্থলোভত পুতেকে বাপেকক আৰু তিৰোতাই স্বামীক বিনাশ কৰে, আৰু অৰ্থৰ কাৰণে মিত্ৰও শত্ৰু হয়। কুকুৰী কণা মানুহে যেনেকৈ চকুৰ কোনো পীড়া অনুভৱ কৰিব নোৱাৰে, অথচ ৰাতি একো নেদেখে, সেই দৰে ধনে মানুহক বিবেক-দৃষ্টিহীন আৰু গৰ্ব্বান্ধ কৰে।

১০। অজগৰ কৰে ন চাকৰী, পন্‌ছি কৰে ন কাম।
দাস মলুক কহ গয়ো, সবকে দাতা ৰাম॥

অজগৰ সাপে কদাপি পৰৰ দাসত্ব আৰু চৰাইবোৰে কোনো কাম নকৰে; তথাপি সিহঁতে স্বচ্ছন্দে আহাৰ বিহাৰ কৰিবলৈ পায়। সেই হেতুকে, সকলো বস্তুৰ দাতা ভগৱন্ত বুলি দাস মলুকে কৈ গৈছে। ঈশ্বৰে ফৰিঙৰ মুখতো কচুডাল দিছে। মুঠতে, তেওঁ যাক যেনেকৈ খাবলৈ লিখিছে, সেই দৰেই সকলোৱে খাবলৈ পাইছে। বিধিলিপি খণ্ডন কৰা সাধ্যৰ অতীত।

১১। অবধু দুখীয়া, ভূপতি দুখীয়া, ৰব দুখী বিপৰীতী হো।
কহে কবীৰ সব জগ দুখীয়া, সন্ত সুখী মনজিতি হো॥

ৰজাও দুখী, অৱধূত সন্ন্যাসীও দুখী আৰু দৰিদ্ৰ লোক যে অতিকৈ দুখী। সেই নিমিত্তে, গোটেই জগত দুখময়; কেৱল সাধু পুৰুষহে সুখী বুলি কবীৰে কৈ গৈছে। সুখ আৰু দুখ চিত্ত-ধৰ্ম্ম; যিজনে তাক জয় কৰিব পাৰিছে, তেওঁ সুখ-দুখৰ অতীত। নিজৰ মন বশীভূত কৰি ৰাখিব পাৰিলেই পৰমানন্দ অনুভৱ কৰিব পাৰি।

১২। অনুচিত উচিত বিচাৰ তজি যে পালহিঁ পিতু বৈন।
তে ভাজন সুখ সুযসকে বসহি অমৰপতি এন॥

উচিত বা অনুচিত তাক বিচাৰ নকৰাকৈ যি পুত্ৰই পিতৃআজ্ঞা পালন কৰে, তেওঁ সুখ আৰু কীৰ্ত্তিভাজন হৈ সুৰপুৰত দেৱৰাজ ইন্দ্ৰৰ লগত থাকিবলৈ সমৰ্থ হয়। পিতৃমাতৃ চাক্ষুষ দেৱতা বাবে তেওঁবিলাকৰ আজ্ঞা বিধিবিৰুদ্ধ হলেও পালনীয়।

১৩। অমৰ দানি যাচক মৰহি মৰি মৰি ফিৰি ফিৰি লেহি।
তুলসী যাচক পাতকী দাতহি দূষণ দেহি॥

তুলসী, দানী লোক অমৰ; কিন্তু দাতাৰ অপমানকাৰী মহাপাতকী যাচকে পুনঃ পুনঃ জন্মমৃত্যু যন্ত্ৰণা ভোগ কৰি জন্মে জন্মে ভিক্ষা বৃত্তিৰ দ্বাৰা জীৱন অতিবাহিত কৰিব লগা হয়। দানে স্বাধীনতা নষ্ট কৰে—পৰাপক্ষত ইয়াক নোলোৱাহে ভাল।

১৪। অৱসৰ কৌড়ি যো চুকৈ বহুৰি দিয়েকা লাখ।
দুইজন চন্দা দেখিয়ে উদয় কহা ভৰি পাখ॥

উপযুক্ত সময়ত সামান্য ধন ভাঙ্গি যি কাম কৰিব পাৰি, অসময়ত লাখ টকা খৰচ কৰিও সেই কাম কৰা টান হয়। দ্বিতীয়াৰ চন্দ্ৰ দেখিলেহে পুণ্য হয় বেতিয়া, পূৰ্ণচন্দ্ৰ চোৱাৰ লাভ কি?

১৫। মনহিত জয় পৰহিত কিয়ে পৰ অনহিত হিত হানি।
তুলসী চাক বিচাৰ ভল কৰিয় কাজ শুনি জানি॥

তুলসী, পৰৰ উপকাৰ কৰিলে নিজৰ অহিত আৰু পৰৰ অপকাৰ কৰিলে তোমাৰ মঙ্গল হব বুলি ভাবি তোমাৰ সাংসাৰিক হিতসাধনত দৃষ্টি নাৰাখিবা। ভালকৈ ভাবি-চিন্তি চাই নিঃস্বাৰ্থভাৱেৰে তোমাৰ কৰ্ত্তব্য কৰি যোৱা।

১৬। অতুলিত মহিমা বেদকি তুলসী কিয়ে বিচাৰ।
যো নিন্দত নিন্দিত ভয়ে বিদিত বুদ্ধ অৱতাৰ॥

তুলসী, বেদৰ মাহাত্ম্যৰ তুলনা নাই; যি সেই বেদৰ নিন্দা কৰে তেওঁ নিজেই নিন্দিত হয়। বুদ্ধদেৱ বুদ্ধ অৱতাৰত নিন্দিত হোৱাই তাৰ জাজ্জ্বল্যমান প্ৰমাণ। বেদ অপৌৰুষেয় আৰু শাশ্বত।

১৭। অস বিচাৰি মন ধীৰ ত্যজি কুতৰ্ক সংশয় সকল।
ভজহু ৰাম ৰঘুবীৰ, কৰুণাকৰ সুন্দৰ সুখদ॥

হে মন, তুমি দৃঢ়কৈ ভাবি চাই আৰু সকলো কু-তৰ্ক আৰু সংশয় পৰিত্যাগ কৰি সুন্দৰ আৰু সুখদাতা ৰঘুবীৰক ভজনা কৰা। ঈশ্বৰ বাক্যমনোগোচৰাতীত; তেওঁৰ অস্তিত্বৰ বিষয়ে যিমান কু-তৰ্ক কৰিবা, তেওঁ তোমাৰ পৰা সিমান আঁতৰি যাব। ভাব আৰু ভক্তিৰ দ্বাৰাহে ঈশ্বৰপ্ৰাপ্তি সম্ভৱ হয়।

১৮। অনুদিন অৱধ বধাৱনে, নিত নৱমঙ্গল মোদ।
মুদিত মাতু পিতু লোগ লখি, ৰঘুবৰ বালবিনোদ॥

বালবিনোদ ৰঘুবৰে দিনৌ নতুন নতুন লীলাখেলাৰ অৱতাৰণা কৰিছিল; তাকে দেখি পিতামাতা আৰু অন্য লোকসকল আনন্দিত হৈছিল অৰ্থাৎ জগতৰ বৈচিত্ৰ্যই লীলাময়ৰ লীলা।

১৯। অনজল সীঁচে ৰূপকিচ্ছায়া তৈৰক থাম।
তুলসী, চাতিক বহুত হৈ ইহ প্ৰবীণ কো কাম॥

পানী-পিয়া চৰায়ে কেৱল স্বাতী নক্ষত্ৰৰ জল পান কৰিহে ভাল পায়, আন পানী তাৰ মুখত সুকচে। সেই দৰে, প্ৰকৃত তত্ত্বজ্ঞানীয়ে সাংসাৰিক সুখদুখৰ ফালে পিঠি দি কেৱলমাত্ৰ ঈশ্বৰচিন্তাত নিমগ্ন থাকে।

২০। অবধূ অমল কৰৈ কো পাৱৈ।
জৌলগ অমল অসৰ না হোৱৈ, তৌলগ প্ৰেম ন আৱৈ॥
বিন থায়ে কল স্বাদ বখানৈ, কহত ন শোভা পাৱৈ।
আঁধৰ হাত লিয়ে কৰ দীপক, কৰ পৰকাশ দিখাৱৈ।
ঔৰন আগে কৰে চাঁদনা, আপ অন্ধেৰে ধাৱৈ॥

হে সাধু, বিজন পৱিত্ৰ তেওঁহে প্ৰেমলাভ কৰিব পাৰে। যেতিয়ালৈকে সম্পূৰ্ণ পৱিত্ৰতা লাভ কৰিব পৰা নহয়, তেতিয়ালৈকে প্ৰেমলাভৰ আশা বৃথা। ফল নোখোৱা মানুহে ফলৰ আস্বাদ বৰ্ণনা কৰিলে শোভা নাপায়। কণা মানুহ এটাই হাতত চাকি লৈ পোহৰ দেখুৱালে চকু লগা মানুহে সেই পোহৰ দেখে হয় কিন্তু কণাটো আন্ধাৰতে ঘূৰি থাকে।



২১। ধাৱৰ ধৱৰ লো লক্ষ্মী, উদয় অস্ত লোঁ ৰাজ।
যো জানে নিজ মৰণ হৈ, তো আগে কৰণে কাজ॥

এদিন মৃত্যু হবই হব বুলি জনা হৈছে যেতিয়া অতুল ধনেৰে ধনবান হোৱা অথবা উদয়াস্ত কাল পৰ্য্যন্ত ৰাজ্যেশ্বৰ হোৱাৰ লাভ কি? এই হেতুকে আত্মকৰ্মত সদায় লাগি থাকিবা।

২২। আত্মাকো নদ মানিয়ে, সংযম তোয় সমান।
সত্যবচন হ্ৰদ শীল তট, দয়া লহৰ কৰি জ্ঞান।
অয় সে নদকে সলিলমে, কৰহু স্নান দৃঢ়িৰাজ।
নহিন্হা এৰন হোত হৈ, শুদ্ধ চপল মনৰাজ॥

সংসাৰত যিসকল লোকে ধৰ্ম্ম-চিন্তাত নিৰত থাকে, তেওঁবিলাকে চিত্তবৃত্তিৰ পৰিশুদ্ধিৰ অৰ্থে আৰু শাৰীৰিক পাপ দূৰ কৰিবৰ মনেৰে নদ-নদীৰ বিমল জলত স্নান কৰে; কিন্তু কেৱল স্নান কৰিলেই চিত্ত-শুদ্ধি হবনে? কেতিয়াও নহয়। যদি অন্তঃকৰণৰ মল দূৰ কৰিবৰ অভিলাষ আছে, তেন্তে নিজৰ আত্মাক নদী, চিত্ত-সংযমক জল, সত্যবচনক হ্ৰদ, সুশীলতাক পাৰ আৰু দয়াধৰ্ম্মক ইয়াৰ ঢৌ বুলি ভাবি কাম কৰা। ইয়াত স্নান কৰিলেহে ইন্দ্ৰিয়াধিপতি চঞ্চল চিত্ত নিষ্কলুষ আৰু স্থিৰ হয়। প্ৰাতঃস্নানাদি কাৰ্য্য দেহশুদ্ধিকৰ মাত্ৰ; কিন্তু সংযমাদি অভ্যাস চিত্তৰ স্থিৰতা আৰু বিশুদ্ধিবিধায়ক।

২৩। আগমন পন্থ হৈ প্ৰেমকো, যহাঁ ঠাকুৰাৰী নহি।
গোপীনকে পাছে ফিৰেঁ, ত্ৰিভুবনপতি বনমাহি॥

যি প্ৰেমত কপটতা নাই সেই প্ৰেম নিঃস্বাৰ্থ অনিৰ্ব্বচনীয়—তাত মইমত ভাৱৰ লেশো … এই প্ৰেমৰ প্ৰভাৱতে ভুৱনতাৰণ বনমালীয়ে … মুগ্ধস্বভাৱা গোপৰমণীসকলৰ পাছে … ল।

… পাৱ, উলটত হাৱ অনেক।
… গুহি একলি এক।

সৃষ্টিৰ ক্ষমতা থকা শিল্পী … কাৰ্যতে কবি ত্ৰিবিধ। এবিধে নিজ পাৰিলে প্ৰথমতে চাব খোজে, আন বিধে নিজক বিলুপ্ত কৰিলিৰ পৰিবৰ্ত্তে বিচাৰিব খোজে। তৃতীয় বিধৰ উদ্দেশ্য … দ যায়। সাধনা কৰি সত্যৰ সন্ধান কৰা। সৌন্দ

২৪। আয়ে হঁায় সো যায়েঙ্গে ৰাজা ৰঙ্ক ফকিৰ।
এক সিংহাসন চঢ় চলে, এক বান্ধে যাত জিঞ্জিৰ॥

ৰজা, দৰিদ্ৰ আৰু ফকীৰ—সকলো সংসাৰলৈ আহিছে আৰু এদিন সকলো ইয়াৰ পৰা যাব লাগিব। কিন্তু কৰ্ম্মৰ গুণদোষানুসাৰে প্ৰথম জনে সিংহাসনত উঠে আৰু দ্বিতীয় আৰু তৃতীয় জনে শৃঙ্খলবদ্ধ হৈ সিপুৰীলৈ যাব লগা হয়।

২৫। আজ্ঞাকাৰী পিউকি ৰহে, ৰহে পিয়াকে সঙ্গ।
তন মন সে সেৱা কৰে আওৰ ন দূজা ৰঙ্গ॥

আন চিন্তা পৰিত্যাগ কৰি একাগ্ৰচিত্তেৰে সদায় প্ৰিয়তমজনৰ (গুৰুৰ) আজ্ঞাবহ হৈ তেওঁৰ লগত থাকি কায়মনোবাক্যেৰে তেওঁৰ সেৱা-শুশ্ৰূষা কৰা; তেতিয়াহে তুমি কৃতাৰ্থ হবা।

২৬। আজ কালকা বীচমে জঙ্গল হোয়গা বাস।
উপৰ উপৰ হাল ফিৰে চৰ চৰেঙ্গে ঘাস॥

তোমাৰ থকা ঘৰ আজিকালিৰ ভিতৰতে অৰ্থাৎ অতি সোনকালে হাবিত পৰিণত হব; তাৰ ওপৰত হালোৱাই হাল বাব আৰু গৰু-ছাগলি চৰিব। সংসাৰ অনিত্য; ইয়াৰ মায়াত মুগ্ধ হোৱা উচিত নহয়।

২৮। আঁখো দেখা ঘি ভালা, মুখমে লানা তেল।
সাধু সোঁ ঝগড়া ভালা, নাহি সাকিত সে মেল॥

তেল খোৱাতকৈ ঘিঁউ চকুৰে দেখাও ভাল; পাষণ্ডেৰে সৈতে মিতিৰালি কৰাতকৈ সজ্জনৰ লগত কাজিয়া কৰাও ভাল।

২৯। আনন ছোড়ো সাথ জব তবিনহি তুণ কোই
তুলসী অম্বুজ অম্বু বিন তৰনি তাসু ৰিপু হোই॥

পদুম ফুলক সূৰ্য্যই বৰ ভাল পায়, কিন্তু জলহীন অৱস্থাত সেই সূৰ্য্যয়ে পদুমৰ শত্ৰু হৈ তাক ক্লেশ দিয়ে। তুলসী, সেই দৰে স্থানচ্যুত

হলেই মানুহৰ মান যোৱা—আৰু কি সময়ে সময়ে প্ৰাণটোকো টনাটনি হয়।

৩০। আপু আপু কহঁ সব ভলো, আপন কহি কোই কোই।
তুলসী সব কহঁ জো ভলো, সুজন সৰাহিয় সোই॥

সকলো মানুহে নিজক আৰু নিজ কামক যথো- ভাল বুলি কয়; কিন্তু তুলসী, যিজনক সকলোৱে শলাগে। তেওঁকে সজ্জন বুলি জানিবা। (ক্ৰমশঃ)

শ্ৰীমহেশচন্দ্ৰ শৰ্ম্মা কটকী।

---

# কলম্বচৰ প্ৰথম যাত্ৰা।

নতুন দেশ আৱিষ্কাৰকৰ ভিতৰত ক্ৰিষ্টোফৰ কলম্বচৰ নাম জগদ্বিখ্যাত। এওঁ ১৪৪৬ খৃষ্টাব্দত জেনোৱা নগৰত জন্ম গ্ৰহণ কৰিছিল। পিতাকে তাঁতী ব্যৱসায় কৰি জীৱিকা আৰ্জিছিল আৰু কলম্বচেই তেওঁৰ বৰ পুতেক। পোনতে কলম্বচে গাঁৱলীয়া পঢ়াশালিত সামান্য লিখা-পঢ়া শিকি পেভিয়া বিশ্ববিদ্যালয়ত কিছুদিন লাটিন ভাষা শিকিছিল। এওঁলোকৰ ঘৰ বন্দৰৰ সমীপত থকা গতিকে জাহাজবোৰত দেশ-বিদেশৰ অনেক যাত্ৰী আহি বন্দৰত উঠা-নমা কৰা সততে দেখি সৰু কালৰ পৰা কলম্বচৰ নাৱিক হবৰ বৰ ধাউতি হৈছিল। সেই সময়ত জল-দস্যুদলৰ ইমান প্ৰতাপ আছিল যে ৰণতৰী লগত নললে সদাগৰী জাহাজ সাগৰেদি অহা যোৱা কৰা মহা বিপদসঙ্কুল। কিন্তু কলম্বচে ১৪ বছৰ বয়সতে জাহাজৰ খালাচী কামত ভৰ্ত্তি হৈ পোনতে ভূমধ্যসাগৰেদি গৈ ভয় তগাত কেবাবাৰো জাহাজেৰে বিদেশ ফুৰি আহিছিল। ২৮ বছৰত কলম্বচ এজন জনাজাত চাৰ্ট আঁকা নাৱিক বুলি প্ৰকাশ হল।

সেই কালত পৰ্টুগীজবিলাক সকলো বিষয়তে বিশেষ ৰূপে শিক্ষিত বাবে অধিক উদ্যোগী আৰু সাহসিক হৈ উঠি অনেক মহৎ কামত আগ বাঢ়িছিল। ভাস্কো-দি-গামাই উত্তমাশা অন্তৰীপেদি ঘূৰি গৈ পোনতে ভাৰতবৰ্ষলৈ যোৱা জল-পথ আৱিষ্কাৰ কৰা জানি কলম্বচে ভাবিবলৈ ধৰিলে, যে ভাৰতলৈ যাবৰ নিমিত্তে অৱশ্যে কোনো পোন বাট আছে। মনত থেলোৱা কথা পৰীক্ষা কৰি চাবলৈ অসমৰ্থ হেতুকে তেওঁ লিচবন্ ৰাজধানীত ওলালগৈ। ইতিপূৰ্ব্বেই তেওঁ এজন সু-নিপুণ নাৱিক বুলি পৰ্টুগালৰ মানুহে জানিব পাৰিছিল। ইয়াৰ পৰা তেওঁ ১৪৭৭ খৃষ্টাব্দত আইচলেণ্ডলৈ গৈছিল * তাৰ পৰা আহিয়েই তেওঁ ডন্ ফিলিপ্ নামে প্ৰসিদ্ধ নাৱিকৰ জীয়েকক বিয়া কৰিছিল শাহুৱেকৰ লগতে থাকি শহুৰেকৰ স… খকীয় চাৰ্ট হস্তগত হলত তেওঁ পৰ্টুগী… ওৱা সকলো জল-পথৰ সম্বন্ধে পা… তেওঁৰ দিগো নামে … এইটি লৰাই সে… প্ৰকাশ কৰি… সাক্ষাৎ…



তেওঁৰ কাষত সহায় প্ৰাৰ্থনা কৰিলে; কিন্তু ৰজাই যুদ্ধ-কাৰ্য্যত ব্যাপৃত থকা বাবে কলম্বচৰ কথালৈ মনকান দিব নোৱাৰিলে। বাট চাই থাকি থাকি আমনি লাগি ১৪৮১ চনত কলম্বচে পুনৰ তেওঁৰ প্ৰস্তাৱ ৰজাৰ আগত উত্থাপন কৰি পাটাং হৈ উত্তৰ এটা দিবৰ নিমিত্তে জনালে। ৰজাই সেই প্ৰস্তাৱৰ বিচাৰৰ ভাৰ পণ্ডিতমণ্ডলীৰ ওপৰত অৰ্পণ কৰিলে; তেওঁলোকে কথা কঁপিয়াই চাই কিছুদিনৰ মূৰত কলম্বচৰ প্ৰস্তাৱ অসাৰ কল্পনা মাত্ৰ বুলি ৰেপট দি কলম্বচক একৰকম নিৰাশাত পেলালে।

অইন পাকে ৰজাই জাহাজৰ কাপ্তান একজনক কলম্বচে আঁকা নক্সামতে গোপনে অলপপথ চাবলৈ আজ্ঞা দিলে। সেইমতে জাহাজৰ কাপ্তানজনে পশ্চিম ফালে জাহাজ চলাই গৈ থাকোতে প্ৰবল ধুমুহাই লগ পোৱাত সাগৰৰ খাউ-খাউ মূৰ্ত্তি দেখি ব্যগ্ৰ কাপ্তানে ভয়ভীত হৈ জাহাজ ঘূৰাই আনি কোনোমতে বন্দৰত লগালেহি আৰু কলম্বচৰ প্ৰস্তাৱ অমূলক বুলি ৰজাক জ্ঞাপন কৰিলে। ইতিমধ্যে কলম্বচৰ পত্নী-বিয়োগ হোৱাত ৰজাৰ এনে অন্যায় ব্যৱহাৰত অত্যন্ত অসন্তুষ্ট হৈ তেওঁ আৰু পৰ্টুগালত থাকিবৰ ইচ্ছা নকৰিলে। তেতিয়া …টি লগত লৈ তেওঁ স্পেইনৰ ফালে খোজ -কাঢ়ি লাবেৰিডা মঠ পাই তেওঁ তাত … আৰু মঠাধ্যক্ষসকলৰ আগত তেওঁৰ সকলো ঘটনা অতি শোকেৰে বৰ্ণালে। … পৰোপকাৰীজনে এনেবোৰ মহৎ কাৰ্য্যত … কিমান গৌৰৱ বুদ্ধি হয় … এখন অনুৰোধ চিঠি … ৰাণীয়ে চিঠিখন … জানি তাৰ … দিলে।

তেওঁলোকে কলম্বচৰ প্ৰস্তাৱ শৰ্ত্তগুলিৰ লগত একে বাৰে অমিল পাই দি মাথোন বাতুলৰ প্ৰলাপ বুলি ৰাণীক জানিবলৈ দিলে। কি দুখৰ কথা, এনে দিনত কলম্বচৰ নিচিনা মানুহৰ আৱির্ভাৱ!!

কৰ্ডোভাত থাকোতে তেওঁ স্থানীয় নিম্নশিত জোৱানো এজনীৰে চিনাকি হৈ তাইৰ লগত থাকি খোৱা-লোৱা কৰাত তেওঁৰ ফালৰ লৰা এটা জন্ম হয়। এই লৰাৰ নাম ফাৰ্ডিনেণ্ড। এই তিৰোতা গৰাকীক যদিওবা কলম্বচে ৰীতিমতে বিয়া কৰা নাছিল তথাপি তেওঁ তাইক যেইছা তিৰীৰ দৰে ব্যৱহাৰ কৰিছিল আৰু দেশৰ মানুহেও তাইক আনি চকুৰে নাচাইছিল।

স্পেইন্ দেশত এইদৰে কাৰো পৰা একো উৎসাহ বা সহায় পোৱা আশা নেদেখি তেওঁ সাত বছৰ দুখে-কষ্টে থাকি ফ্ৰান্সৰ ফালে যাবলৈ মন কৰিলে; কিন্তু যোৱাৰ আগতে লাবেৰিডা মঠৰ উপকাৰী যাজকসকলক মাত লগাবলৈ গল। তেতিয়া তেওঁলোকে কলম্বচৰ প্ৰস্তাৱ লক্ষ্য কৰি ৰাণীক উদগাই পুনৰ ভাৰম্ভিৰে এখন চিঠি লিখিলে। ৰাণী বৰ বুদ্ধিমতী স্বদেশপ্ৰেমিকা আছিল আৰু ৰাজশক্তিৰ গৰিমা বঢ়াবৰ আকাঙ্ক্ষাও তেওঁৰ প্ৰবল হৈ উঠিছিল। সেই বাবে ৰাণীয়ে পুনৰ কলম্বচক মতাই নি "তেওঁ কি বন্দবস্তত নতুন দেশ আৱিষ্কাৰ কাৰ্য্যত প্ৰবৃত্ত হব পাৰে" বুলি পোনপটীয়াকৈ সুধিলে। কলম্বচে থেৰোগেৰো নকৰি একেআষাৰে কৈ উঠিল, "আৱিষ্কৃত দেশৰ তেওঁক এড্মিৰেল্ অৰ্থাৎ পোতাধ্যক্ষ আৰু ভাইচৰয় অৰ্থাৎ ৰাজ-প্ৰতিনিধি পাতি লাভৰ দশমাংশ তেওঁক দিব লাগিব"। অমাত্যবৰ্গে বিদেশী কেপেহুৱা এটাৰ ইমান দৰ্প আৰু দাও দেখি খঙত অলপকৈ তেওঁক লঘুলাঞ্ছনা কৰিবৰ মনেৰে নানানা স্বৰ্ত্তৰ কথা উল্লেখ কৰিলে। কলম্বচে কোনো মতে মান্তি নহৈ

অতি বিৰক্তভাৱে ৰজাৰ বিদায় লৈ সেই ঠাইৰ পৰা আঁতৰ হল। এনেকাৰ্য্যত কলম্বচক নশলাগি নোৱাৰি কাৰণ, তেওঁৰ প্ৰস্তাৱ দাঙি ধৰা ১৮ বছৰ হল; ইয়াৰ ভিতৰত তেওঁ তিনিজন ৰজাৰ ওচৰত নিজ প্ৰস্তাৱ জ্ঞাপন কৰি বিফলমনোৰথ হৈছে; সকলো ঠাইত অশেষ দুখ কষ্ট ভুগি ফুৰিছে; সেইবোৰ কথালৈ মন কৰিলে অলপ-ধতুৰা মানুহ বলীয়া হলহেতেন বা সামান্য স্বৰ্ত্তত মান্তি হৈ কামত লাগি গলহেতেন। কিন্তু কলম্বচে অচল অটল থাকি ৰাজ-চাটৰ অলপো লৰ-চৰ নকৰিলে।

১৪৯২ চনত কলম্বচ যেতিয়া ফ্ৰান্সলৈ যাবলৈ ওলাল, তেতিয়া ৰজাঘৰীয়া ভাডৰ বিষয়া কেজন-মানে ৰাণীক ইমান দৰে বুজাবলৈ ধৰিলে যে ৰাণীয়ে অগত্যা এই মহৎ কাৰ্য্যত ভৰমণ্ডৰ সহায় কৰিবলৈ আৰু খৰচৰ নাটনি পৰিলে তেওঁৰ ৰাজ-আভৰণ বন্ধুৱা দিও আৱশ্যকীয় টকা যোগাবলৈ অঙ্গীকাৰ কৰিলে। সেইমতে কলম্বচক মতাই আনি ৰজা-ৰাণী উভয়ে দস্তখত কৰি পেলচ বন্দৰৰ প্ৰধান কৰ্ম্মচাৰীলৈ কলম্বচক বচন-পাতিয়ে সৈতে মানুহ ধৰি দুখন সৰু জাহাজ সজাই দিবৰ নিমিত্তে আজ্ঞাপত্ৰ লিখি দিলে। পৰৱনা পঢ়ি শুনোৱাত স্বইচ্ছাৰে কোনো মানুহ যাবলৈ বা কোনো মানুহে জাহাজ দিবলৈ আগ নাবাঢ়িল। পাছে জোৰ-জবৰ কৰি ধৰিবলৈ যোৱাত বন্দৰত মহা গণ্ডগোল উপস্থিত হল। এনেতে পিঞ্জন নামৰ দুই ভায়ে তেওঁলোকৰ জাহাজখন দি দুয়ো যাবলৈ ওলোৱাত আৰু দুখন জাহাজ পোৱা গৈছিল। তেতিয়া কলম্বচে চেণ্টামেৰীয়া নামে জাহাজখনত কাপ্তানৰ নিচান লগাই দিলে; আৰু পিন্টা আৰু নাইনা নামে ই দুখনৰ পিঞ্জন দুই ভাই কাপ্তান হৈ ওলাল। মুঠতে তিনিখন জাহাজত ছকুৰি মানুহ ধৰি তাৰ জোপাৰে বচন-পাতি গোটাই দি ৰাজ-আজ্ঞা পালন কৰিলে। যি দিনা পেলচৰ বন্দৰৰ পৰা জাহাজ তিনি খন মেলি দিয়ে, সেই দিনা জাহাজৰ মানুহবোৰৰ চকুৰ লোৰে বাট নেদেখিছিল আৰু পাৰত সিহঁতৰ লৰা-তিৰোতা-ভাই-বন্ধুৰ আৰ্ত্তৰাৱে গগন ভেদি উঠিছিল; সিহঁতে ভাবিছিলে যে এই সংসাৰত আৰু সিহঁতৰ দেখা-শুনা নহব—সেয়ে শেষ বিদায়। যাত্ৰাৰ তৃতীয় দিনা পিণ্টাৰ গুৰি বঠা ভগাত খালাচীবিলাকে অমঙ্গলৰ সূচনা বুলি ভাবিলে; কিন্তু কলম্বচে অলপো বিচলিত নহৈ অনেক প্ৰবন্ধেৰে জাহাজখন টানি-টুনি নি ছদিনৰ দিনা কেনেৰী দ্বীপ পোৱালেগৈ আৰু তাতে বঠাখন বনাই তিনি সপ্তাহ জিৰাই জাহাজ মেলি দিলে।

ইতিপূৰ্ব্বে জাহাজবোৰ সাগৰৰ দাঁতিয়ে দাঁতি-য়েহে চলাই নিছিল; তেতিয়া কলম্বচে সাগৰৰ মাজলৈ জাহাজ মেলি দিয়াত ক্ৰমাৎ পাৰ অদৃশ্য হল আৰু খালাচীবোৰে ভয়ত বিহ্বল হৈ হৰাও-ৰাৱে কান্দিবলৈ ধৰিলে। সিহঁতৰ ধাৰণা হল যে সাগৰৰ মাজত অকাই-পকাই ফুৰি শেষত জাহাজ ডুবি সকলো মৰিব। কলম্বচে নিৰ্ভীকচিত্তেৰে সিহঁতক বুজাবলৈ ধৰিলে যে সিহঁতে কিছুদিনৰ মূৰত ধন সোণেৰে পৰিপূৰ্ণ দেশ পাবগৈ আৰু তাত মহা সুখে খাই-বৈ থাকিব পাৰিব। ইপিনে জাহাজ কিমান দূৰ আহিছে তাৰ লেখ কলম্বচে ক
কৰলৈ ধৰিলে। এইদৰে একেৰাহে ত্ৰিচ দি
পানী আৰু আকাশত বাজে আন একো
খালাচীবোৰে কাপ্তানৰ আজ্ঞা অমান্য কৰি
চিন দেখাবলৈ ধৰিলে আৰু তেওঁৰ
চাৰীবিলাকে এনে মহা
সমৰ্থন কৰক ছাবি
ওলোটাই আনি
নকৰিলে য
পেলাই

# নিমাতী অসম।

"অসম জননী ৰতন-প্ৰসূতি
বিদেশী চকী কাৰণ আই;"
বিদেশীয়ে আহি উপচি পৰিছে
তোমাৰ সন্তান উচ্ছেদ প্ৰায়।

চীনা ও পাঞ্জাবী কেঞা ও কাবুলী
বাহিৰে ভিতৰে খাইছে খুলি;
সম্পদ-শোণিত শুহিব ধৰিছে
হৰেক ৰকমে মাৰিছে শুলি।

বঙালী প্ৰবাসী লইছে চাকৰী,
মিস্ত্ৰী ঠিকাদাৰী বিদেশী পায়;
কাবুলী বেপাৰী কেঞা কাৰবাৰী
বত মহলদাৰী "পছিমা ভাই"।

সাতো সাগৰৰ সিপাৰৰ পৰা
কতনা বিদেশী বিচাৰি বন;
তোমাৰ বুকুত বাগিচা খুলিছে,
ৰাশি ৰাশি নিছে তোমাৰে ধন।

অযোধী মাদ্ৰাজী বিহাৰী উড়ীয়া
চাঁওতালী এৰি আপোন দেশ;
বোম্বায়ী মাৰৱাৰী নেপালী ভুটীয়া
ধুচি-ধাহি ধন কৰিলে শেষ।

যতেক বিদেশী কৰিছে সুবিধা
দেখিবা সকলো আগুৰি লোৱা;
যেনি চোৱা তেনি বিদেশী দেখিবা
অসমীয়া হৈছে মুখলৈ চোৱা।

কৰি কাৰবাৰ অসম-বাসীৰে
চক্ৰবৃদ্ধি-সুদে কৰা আকাল;—
ঘৰ ভেটি আদি হস্তগত কৰি
বিদেশী সকলে ভঙ্গা কঙ্কাল।

নিজৰ খোৰাক যতেক বিদেশী
গ্ৰাস কৰা দেখি অসম আই,
নালাগেনে বাৰু হিয়াত অকণো?
তেনেহলে আৰু উপায় নাই!

তুমি মা আমাৰ, নাই অধিকাৰ
তোমাৰ বুকুত বিদেশী ভৰা;
সন্তান তোমাৰ বেদখল হই—
আছে পৰি হায় হৈ আধামৰা!

অসম জননী ৰতন-প্ৰসূতি
তোমাৰ ধনেৰে বিদেশ ভৰে;
(আজি) নিজৰ দেশতে উপায় নাপাই
অসমীয়া হায়! শুকাই মৰে।

"কামৰূপী"।

---

# অসমীয়াৰ মহিলা কবি।

সৃষ্টিৰ ক্ষমতা থকা শিল্পীয়েই কবি। সাধা-ৰণতে কবি দুবিধ। এবিধে নিজৰ মাজেদি বিশ্বক চাব খোজে, আন বিধে নিজক বিলুপ্ত কৰি সত্যক বিচাৰিব খোজে। দুয়ো বিধৰ উদ্দেশ্য—সৌন্দৰ্য্য সাধনা কৰি সত্যৰ সন্ধান কৰা। সৌন্দৰ্য্যৰ সাধনা নাইকিয়া হলেই কবিতা বিজ্ঞানত পৰিণত হয়। আমাৰ অসমীয়া মহিলা-সমাজত এগৰাকী যুৱতীয়ে কবি-হৃদয়ৰ পৰিচয় দি গৈছে। তেওঁৰ নাম ৺যমুনেশ্বৰী খাটনিয়াৰ। স্বৰ্গীয়া কবিৰ কেতিয়া মৃত্যু হল, তেখেতৰ পৰিচয় কি আমি

নাজানোঁ। "অৰুণ" নামে সৰু কবিতাৰ কিতাপ এখন আমাৰ হাতত আছিল। কিতাপখনি পঢ়ি স্বৰ্গীয়া কবিলৈ শ্ৰদ্ধা উপজিল।

কিতাপখনিত সৰ্ব্বমোট ২৪টি কবিতা আছে। তাৰ ভিতৰত যি কেইটি কবিতাই তেওঁৰ কবি-মনৰ পৰিচয় দিয়ে তাৰে উল্লেখ কৰা হব। "সেৱা" বুলি কবিতাটিৰ প্ৰথম পদটোৱে নাৰী-হৃদয়ৰ এখনি পৰিস্কাৰ ছবি চকুৰ আগত ডাঙি ধৰে। কোমল শব্দ আৰু ছন্দৰ মৃদু গতিত ঈশ্বৰ ভক্তিৰ ভাৱ স্পষ্ট ভাবে ফুটি উঠিছে। 'মোৰ' কবিতাটি অতি বিতোপন। প্ৰথমৰ দুশাৰী তুলি দিলেই যথেষ্ট হব—

"শুদা-হাতে আহিছিলোঁ শুদা-হাতে যাম,
দুদিনীয়া পৃথিবীত কেইদিন থাম।"

'মোৰ' এৰি দি সকলোকে সমান ভাবে চাবলৈ অনিত্য-সংসাৰত প্ৰেমৰ প্ৰচাৰ কৰি মানৱৰ দুদিনীয়া জীৱন সুখময় কৰিবলৈ যি ইঙ্গিত দিছে, তাত নতুনত্ব একো নাই যদিও ভাবিবৰ বস্তু আছে। নিজক সংশোধন কৰিবলৈ পোহৰ আছে।

……নিস্কাম-বাসনাৰ নাম লোৱা মহত্ত্ব কবিৰ হিয়াত নাছিল। 'আশা' বুলি আন এটি কবিতাত তেওঁ দেখুৱাইছে যে, আশাইহে সৃষ্টি-বাঞ্ছাৰ আদিমূল। কবিয়ে খুজিছে "নিৰ্ম্মল পবিত্ৰ আশা"। মানুহৰ ধৰ্ম্ম পাৰ হৈ যোৱা নাই। তেওঁ স্বদেশ-প্ৰেমিকাও। 'জন্মভূমি' কবিতাটি অতি উদাৰ। তেওঁৰ জন্মভূমিত ভৌগোলিক সীমাৰ ক্ষুদ্ৰতা নাই। 'টেকেলি', 'ভগা দ'ল', বীৰ-প্ৰসবিনী' আদি শব্দ গোটাই "আমাৰ অসম" বোলাবৰ স্পৃহা 'জন্মভূমিত' নাই। তেওঁ জন্মভূমিক ধন্য বুলিছে—

'ধন্য মোৰ জন্ম আই তোমাৰ
দেশত……।'

ই তেওঁৰ গভীৰ স্বদেশ-প্ৰেমৰ পৰিচয়। কথাবাৰ সৰু, কিন্তু মৰ্ম্মস্পৰ্শী।………তেওঁ প্ৰকৃতিৰ মৰ্ম্ম বুজে। 'মালতী' ফুল হাঁহিতে ফুলি হাঁহিতে শুকাই যোৱা দেখি কবিয়ে অনুভৱ কৰিছে আৰু বনবীয়া ফুলক আওকাণ কৰি যোৱা বাটৰুৱাক অৱজ্ঞা কৰিছে।………

শেহত কবিয়ে নিজৰ অক্ষমতা উপলব্ধি কৰি ঈশ্বৰক কৈছে—

"নাই একো আকিঞ্চন মৰু হৃদয়ত,
কিহেৰে পূজিম আমি,
লক্ষ নমস্কাৰ কৰোঁ তযু চৰণত
হেৰা ব্ৰহ্মাণ্ডৰ স্বামী।"

'লক্ষ নমস্কাৰ'ৰ মাজত অন্তৰ-বেদনা পৰিস্ফুট হৈ উঠিছে, পৰিস্ফুট হৈ উঠিছে—ৰমণী-হৃদয়ৰ সৰলতা!

'গোলাপ'-কবিতাটিৰ শেষত কৈছে—

"নকৰিম গৰ্ব্ব মই পূৰ্ণ যৌৱনৰ,
জানিছোঁ সিইত অতি ক্ষণিক নিবস।
কিন্তু মোৰ কৰ্ত্তব্যত হম যত্নবান,
মৃত্যুৰ পাছতো যেন থাকি যায় যশ।"

স্বৰ্গীয়া খাটনিয়াৰে কৰ্ত্তব্যৰ মোল বুজিছিল। তেওঁ জানিছিল তেওঁৰ হৃদয়ত কবিৰ সম্বল আছে। কোনে জানে তেওঁ জীয়াই থকা হলে সময়ত তেওঁৰ লেখনিত আৰু শুৱলা চিত্ৰ নোলালহেঁতেন।…… কাব্যৰসৰ শ্ৰেষ্ঠতম আদৰ্শ নাথাকিলেও স্বৰ্গীয়া খাটনিয়াৰ যে কবি আছিল, তাৰ সন্দেহ নাই। প্ৰথম মহিলা-কবিৰ স্মৃতি অমৰ হওক।……… বৰ্ত্তমান কালৰ মহিলা-কবি শ্ৰদ্ধেয়া শ্ৰীযুতা ধৰ্ম্মেশ্বৰি দেৱী বৰুৱা সকলোৰে পৰিচিত। তেখেতৰ "ফুলৰ শৰাই" স্ত্ৰী-সুলভ কবিতাৰ বিতোপন গ্ৰন্থ।

শ্ৰী আনন্দচন্দ্ৰ বৰুৱা।

---

# তিস্তা।

অনুবাদক—শ্ৰীযুক্ত প্ৰমথনাথ বিশী।
[ প্ৰাচীন আসামী হইতে অনুবাদ ]

"তোমাৰে হেৰিয়াছিনু বাংলাৰ মাঠে
অয়ি তিস্তা! বিতৰিয়া প্ৰতি ঘাটে ঘাটে
হিমানীৰ সন্তাষণ শুক্তি-স্বচ্ছ জলে
অবশেষে মিলাইতে উদাস কুন্তলে
দিগন্তৰে মেঘ ম্লান! হেৰিতেছি পুন,
এ গিৰি শিখৰে নিত্য নৰ্ত্তন-নিপুণ
তন্বী মেনকাৰ মত অজস্ৰ প্ৰলাপে
উচ্ছকি' পাইন বন নামো ধাপে, ধাপে॥

তোমাৰে হেৰিয়াছিনু বঙ্গেৰ প্ৰান্তৰে
কম্পিত মল্লিকাদাম শঙ্কিত-চৰণা!
আজি তুমি একি ৰূপে এ হিমাদ্ৰি 'পৰে
খৰ ৰবিকৰে ক্ষীণ একটি ঝৰণা!
হেৰিতেছি আজি সখি তোমাৰ অন্তৰে
কি আকুতি অবিশ্ৰাম কৰে আনাগোনা॥"

( প্ৰবাসী—১৩৩১ চন, ভাদ্ৰ, ৭৪৫ পৃষ্ঠা )।

---

'তিস্তা' নৈৰ বিষয়ে ওপৰত দিয়া কবিতাটো প্ৰবাসীত প্ৰকাশ হৈ গৈছে; ই অৱশ্যে প্ৰকৃত কবিতাৰ শাৰীত নপৰে, ই 'চনেটৰ' হে ভিতৰুৱা হব হবলা। ইয়াৰ ৰচনা ভাল; পুৰণি অসমীয়াত ই আৰু বেছি ভাল আছিল সম্ভৱ। কোনো পুৰণি পুথিত কোনো লোকে ইয়াৰ অসমীয়া ভাগটো পালে "'উকাতেই" ছপাই দিবলৈ অনুৰোধ কৰিলোঁ।

এই কবিতাটোৰ মূলটো সম্ভৱ কোনো অসমীয়া বিজ্ঞ কবিয়ে ৰচনা কৰা; যদিহে কোনো বঙালী কবিয়ে ৰচনা কৰা, তেন্তে সেই কথাৰ পৰা প্ৰাচীন কালত বঙালী কবিয়ে অসমীয়া ভাষাক আদৰ কৰা প্ৰমাণ পোৱা যায়। আগৰ দিনত কোচবিহাৰ, ৰংপুৰ, জলপাইগুৰি আদি জিল্লাও প্ৰাচীন কামৰূপ ৰাজ্যৰ ভিতৰুৱা আছিল; গতিকে সেই ঠাইৰ অধিবাসী কবিয়ে অসমীয়া ভাষাতেই কবিতা বা কোনো পুথি ৰচনা কৰা একো আচৰিত নহয়। ইয়াৰ কোনটো সত্য সুধীসকলে বিচাৰ কৰি চাব।

'তিস্তা' আৰু 'তৰ্ষা' পৃথক পৃথক নৈ। 'তিস্তা' নৈ তিব্বত দেশস্থ হ্ৰদৰ পৰা ওলাই গৈ জলপাইগুৰি জিল্লাৰ মাজে দি বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছে।

'তিস্তা' নৈৰ বিষয়ে আৰু কিবা যদি ক'বৰাত পায় তেন্তে শ্ৰীযুক্ত বিশী মহাশয়ে মূলেৰে সৈতে প্ৰকাশ কৰিব বুলি আশা কৰোঁ। ইতি—

সুন্দৰীদিয়া সত্ৰ,
পোঃ বৰপেটা।
শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি,
১৬ ভাদ্ৰ, ১৮৫৩ শক।

শ্ৰী শ্ৰীৰামচন্দ্ৰ দাস।

# সান্ত্বনা।

আজ্রাইল (১) চিৰ-নিৰ্দ্দয় ;
সকলোকে দি দুখ          পায় তাত কি সুখ—
সকলোৰে ভাঙ্গি হৃদয় ?

নহয়, এয়ে তেওঁৰ ব্যৱসায়,
খোদাই দিছে তেওঁক সমজাই ;
তেতিয়াবে পৰা পালে তেওঁ মৰতবা (২) জাল্লাদ (৩) ;
"কৰ্ত্তব্য" পালন কৰি লভে মনত আহ্লাদ।

নাৰাখি ভাব ভিন্,
ডাঙৰ সৰু চিন্,
পথৰ ভিক্ষাৰী কিম্বা সম্রাট আওলাদ (৪) ;
কদাপি নিদিয়ে তেওঁ কোনোজনক বাদ।

নাপাই কেৱেঁ ৰেহায়, (৫)
যদিও থাকে দিয়াই—
নাপাবলৈ মৃত্যু-কষ্টৰ কেতিয়াও স্বাদ॥

খোদাৰ অতি প্ৰিয় হজৰত ৰচুল (৬),
নকৰিও আবুজাহেলে (৭) 'দীন' কবুল ;
হজৰত হউচুক নবি সৌন্দৰ্য্যৰ ফুল,
কৰিছিল মিছৰী নাৰীক তেওঁ বিয়াকুল ;
অতি-ছিয়া (৮) মোৱাজ্জিন (৯) হজৰত বিলাল ;
নোৱাৰিলে কোনোজনে যমক দিব তাল।

---

(১) আজ্রাইল = যম (২) মৰতবা = ক্ষমতা (৩) জাল্লাদ = অত্যাচাৰী (৪) আওলাদ = বংশ-পৰিয়াল, (৫) ৰেহায় = মুক্তি, (৬) ৰচুল = হজৰত মোহম্মদ (দঃ) বুজাইছে। (৭) আবুজাহেলে = এজন বিধৰ্ম্মী, হজৰতৰ প্ৰধান শত্ৰু, (৮) অতি-ছিয়া = কলা, (৯) মোৱাজ্জিন = আজান দিয়া মানুহ।



দুখত জৰ্জ্জৰিত ইমাম (১) উভয়,
যমৰ হাতত দুয়ো হৈ গল ক্ষয় ;
দুখত চকু-লো ওলায়,
যমেনো সুবুজেনে হায় !
তেওঁ ইমান নিষ্ঠুৰ—
মাছুকক (২) কাঢ়ি নি,
আছুকক (৩) কষ্ট দি,
পায় আনন্দ প্ৰচুৰ।
মৰমৰ স্বামীক নিয়ে মাৰি,
স্নেহৰ সন্তানক নিয়ে কাঢ়ি ;
নাথাটেতো কাৰো জোৰ ......।

দুখৰ নপৰে ওৰ······
"চুৰবীৰ নওচা (৪)" ইমাম হাছান-পোৰ ;
পৰিলে মনত কথা,
অন্তৰত লাগে ব্যথা—
উঃ ! থন্তেকতে দাম্পত্যক দিয়ে যমে গোৰ।

হতভাগী চখিনাৰ, (৫)
দুখত দুখী সংসাৰ ;
নোৱাৰে তথাপি তাৰ তুলিবলৈ হোৰ॥

*          *          *

এই দৰে "খোদে(৬)" বিধক আছে কন্দুৱাই ;
নাই ফল কৰা যদি সদায় হায় ! হায় ! *

চান্দ মোহাম্মদ চৌধুৰী (কামৰূপী)।

---

(১) ইমাম = আচাৰ্য্য (২) মাছুক = যাৰ ওপৰত প্ৰেমাসক্ত হয় (৩) আছুক = যেয়ে প্ৰেমাসক্ত হয়। (৪) চুৰবীৰ নওচা = চুৰণ্টা পৰিমিত সময় দৰা হৈ থকা ; এওঁ বিয়া কৰোৱাৰ অলপ পাচতে কাৰবাৰ লগত যুদ্ধ কৰি ঢুকাইছে। (৫) চখিনা = এওঁ ইমাম হচেনৰ জীয়েক, ইমাম হাচানৰ পুতেকলৈ কাৰবালাতে বিয়া দিছিল আৰু বিয়াৰ অলপ পাচতে বিধবা হৈছিল। (৬) খোদে = আল্লাক বুজোৱা হৈছে।

* এই পদ্যটি লেখকৰ "বেহঁছৰ-ইঁছ" নামক হাতে-লেখা অপ্ৰকাশিত থকা কিতাপৰ পৰা দিয়া হৈছে।— লেখক।

# পুৰণি গীত।

আগৰ দিনৰে পৰাই অসমীয়া লৰা-ডেকা, বুঢ়া-বুঢ়ী সকলো মানুহেই গীত গাই সন্তোষ পায়,—সংসাৰৰ সকলো প্ৰকাৰ দুঃখ-দৈন্য অভাৱ-অভিযোগ পাহৰে। গীত-প্ৰাণ অসমীয়া জাতি। গীতৰ নাম শুনিলেই অসমীয়া মানুহৰ মন-প্ৰাণ পুলকিত হৈ উঠে; এই কাৰণেই হবলা আমাৰ গুৰুসকলে নানান সুৰৰ অসংখ্য বহুমূলীয়া গীত ৰচনা কৰি থৈ গৈছে। বহুত অসমীয়া গীত এতিয়াও অপ্ৰকাশিত হৈ আছে; মোৰ হাতত থকা গীতৰ কেইটামান ইয়াত প্ৰকাশ কৰা হল।

তলত দিয়া গীতটো সুন্দৰীদিয়া সত্ৰৰ শ্ৰীযুত সুৰেন্দ্ৰনাথ দাসে মোৰ হাতত দিছিল। এই গীতটো দীঘল সুৰত গালে শুনিবলৈ বৰ সুন্দৰ। গীতৰ ঠাচ প্ৰায় সলোৱা নাই।

## গীত

১। ঘোষা— গুৰু মোৰ শঙ্কৰ সংসাৰ-জালে হৈলো বন্দী,
গুৰু মোৰ মাধৱ মায়াৰ জালে হৈলো বন্দী।
পদ— অ' গুৰু অ' ধন ধন বুলি মই ধন সাজিলোঁ।
বহু দিন খাম পাম বুলি,
অ' গুৰু ধন ৰৈল পৰি জীৱ গৈল উৰি
ই দেহত নাহি ভৰসাহে। (গুৰু মোৰ……)
অ' গুৰু অ' পৃথিৱীৰ পাৰতে একে ডেলি বিৰিখ
তাতে নানান পখীৰ বাহা (বাহ);
অ' গুৰু বিহান বেলা হ'ল পখী উৰি গ'ল
এৰিলে বিৰিখৰ আশাহে। (গুৰু মোৰ……)
অ' গুৰু অ' পাহাৰৰ কাষতে এযোৱা বগুলা
তাহাৰ নাই একো পাখা,
অ' গুৰু এনে সোণাৰ দেহা গলি পচি যায়
ই দেহত নাহি ভৰসাহে। (গুৰু মোৰ……)

এই গীতৰ পদখিনি শ্ৰীযুত হীৰেন্দ্ৰ নাথ চৌধাৰীৰ পৰা তলত দিয়া মতেও পাইছোঁ। ঘোষা আৰু সুৰ একে। গীতটো সত্ৰাত ছৰাবো গোৱা হৈছিল।

অ' গুৰু অ' ধন ধন কৰি মই ধন আৰ্জ্জিলোঁ।
ঘৰে ঘৰে মাগি ফুৰি,
অ' গুৰু ধন ৰৈল পৰি দেহ গৈল মৰি
সেই ধন গইলো এৰিহে। (গুৰু মোৰ……)
অ' গুৰু অ' পৃথিৱীৰ পাৰতে একে ডেলি বিৰিখ
—নানান পখী আছে পৰি,



অ' গুৰু বৃক্ষ ৰৈল পৰি পখী গৈল উৰি
সেই পখী নাচায় ঘুৰিহে। (গুৰু মোৰ……)
অ' গুৰু অ' পৰ্ব্বতৰ কাষতে একে যোৰ বগুলি
তাৰ নাই এডালো পাখা,
অ' গুৰু জীৱৰ বিলাই সহিব নোৱাৰি
সেই জীৱৰ এৰিলে আশাহে। (গুৰু মোৰ……)
অ' গুৰু অ' একেখন সংসাৰে নানান পখী আছে
উল্লাসিত মনে ফুৰি
অ' গুৰু মৰণ-বাতৰি পালে চকু মুদি যায়।
সকলোৰে মায়া ভুলিহে (গুৰু মোৰ……)
অ' গুৰু অ' দেহৰে ভিতৰে চকু কৰ্ণ আদি
চৈধ্য জন ৰখী আছে,
অ' গুৰু সেই চৈধ্য সাৰথীক জীৱৰ লগতে
সাক্ষী কৰি হৰি দিছেহে। (গুৰু মোৰ……)
অ' গুৰু অ' অন্তিম কালতে সংসাৰ ত্যাগ কৰি
যদি হয় পৰাণ লয়,
অ' গুৰু সেই চৈধ্য সাক্ষীয়ে সংসাৰৰে কথা
সকলোকে ভাঙি কয়হে। (গুৰু মোৰ……)
অ' গুৰু অ' বিশ্ব-মায়াত পৰি পাপ পুইণ কৰিলে
সকলো ৰখীয়ে জানে,
অ' গুৰু পৰাণ গৈলে উৰি যমৰ আগতে
সকলো কাহিনী জনেহে। (গুৰু মোৰ শঙ্কৰ……)

এই গীতটো দেহ-বিচাৰৰ গীতৰ শ্ৰেণীত পৰিব। ইয়াৰ ৰচক ঠিক কৰিব পৰা নাই। ৰচকজন খুব সম্ভৱ শ্ৰীশঙ্কৰদেৱ নাইবা শ্ৰীমাধৱদেৱৰ শিষ্য আছিল।

---

তলত দিয়া গীতটো বৰপেটা সত্ৰৰ ওচৰত থকা নগস্তৰ সত্ৰৰ অন্ধ গায়ক একজনৰ পৰা মই দহ বছৰ মান আগতে লিখি ৰাখিছিলোঁ। ই আন কোনো কিতাপত ছপা হৈছে নে নাই হোৱা নাজানো; তথাপি ইয়াক প্ৰকাশ কৰিবলৈ আগ বঢ়ালোঁ, কাৰণ গীতটো ক্ৰমে এমুৰৰ পৰা দীঘল সুৰত গাই থাকিলে শুনি থাকিবৰে মন যায়। ই বাৰমাহী গীতৰ ভিতৰত পৰিব।

## গীত।

২। অৰ্জ্জুনে বোলন্ত শুনা প্ৰভু কৃপাময়।
কোন মাহে কোন নাম কহিয়ো বুজাই ॥
হেন শুনি নাৰায়ণে হাসিয়া বুলিলা।
কেশৱ নাম মোৰ আঘোণত ভৈলা ॥
নাৰায়ণ নাম সখি পুহ ভৈলা মাসে।
তোমাৰ আগত সখি কহিলো প্ৰকাশে ॥
মাঘৰ মাহত মাধৱ নাম ভৈলা।
অৰ্জ্জুনক সম্বোধি কৃষ্ণে কহিবাক লৈলা ॥
গোবিন্দ নাম মোৰ মাঘ যে ফাল্গুন।
হৰি কম্ম চৈত্ৰ মাসে জানিবা অৰ্জ্জুন।
মধুসূদন নাম ভৈলা বহাগৰ মাসে।
তোমাৰ আগত সখি কহিলো প্ৰকাশে ॥
জ্যেষ্ঠ মাসে বিষ্ণু নাম জানিবা নিশ্চয়।
তোমাৰ আগত কহিলোহো ধনঞ্জয় ॥
ত্ৰাহ্মণ নাম মোৰ আষাঢ়ত ভৈলা।
অৰ্জ্জুন নাম সখি শ্ৰাৱণত ভৈলা ॥
হৃষীকেশ নাম ভৈলা ভাদ্ৰ যেন মাসে।
তোমাৰ আগত সখি কহিলো প্ৰকাশে ॥
আহিন মাহত মোৰ নাভি-পদ্ম নাম।
তোমাৰ আগত কহিলোহো গুণ ধাম ॥
দামোদৰ নাম সখি কাতি মাহে ভৈলা।
এই বাৰ নাম ( কৃষ্ণে ) অৰ্জ্জুনত কৈলা ॥
বাৰ মাহী নাম কথা দিনে দিনে স্মৰে।
নিৰন্তৰে পাপ সখি নিতে ক্ষয় কৰে ॥
কৃষ্ণে কহিলন্ত কথা শুনে ধনঞ্জয়।
নমস্কাৰ কৰিলন্ত পাৱে মাথা থই ॥
হেন জানি নাৰায়ণে কৈলা অৰ্জ্জুনত।
তাৰণ উপায় চিন্তি গুণিয়া মনত ॥
সাধু সঙ্গ সাধু সঙ্গ সাধু সঙ্গ ধৰা।
সাধু সঙ্গ ধৰি সুখে সংসাৰক তৰা ॥
অনাথ নাথক প্ৰভু দিবেক বুদ্ৰাই।
তযু চৰণত প্ৰভু গৈলোহো বিক্ৰয় ॥
ইহাৰ নেৰিবা মোক দেৱ নাৰায়ণ।
অভয় চৰণে মই পশিলোঁ শৰণ ॥
কহে ৰাম সৰস্বতী এৰি আন কাম।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ॥

টংলা ;<br>৩ মাঘ, ১৮৭২ শক। } শ্ৰী শ্ৰীৰামচন্দ্ৰ দাস।

---

## পুৰণি গীত।

### উপৰ্ব্বদ্ধি সংগ্ৰহ।

মই যোৱা ইং ৫।১২।৩১ তাৰিখে ঘকৰা কামত লাগি আছোঁ, এনেতে মাণিকপুৰৰ শ্ৰীযুত গঙ্গাপ্ৰসাদ বৈষ্ণৱ নামৰ লোক এজন আহি মোৰ ওচৰত উপস্থিত। তেওঁৰ পৰাই বৰ লৰালৰিকৈ এই গীতকেইটা লিখি ৰখা হ'ল। তেওঁ ছটামান গীত গাই শুনাইছিল। মানুহজনে পুৰণি গীত বহুত জানে ; সময়ৰ অভাৱত আৰু লিখিব পৰা নহ'ল। এই গীতকেইটা কোনো কাকতত ছপা হৈছে নে নাই মোৰা আমি কব নোৱাৰোঁ। এনে গীতৰ মূল্য আছে। কিছুমান অতি সুন্দৰ পুৰণি গীত এতিয়ালৈকেও ছপা নোহোৱাত আমাৰ পুৰণি সাহিত্যৰ ভেটি এতিয়াও ঠিক হৈ উঠা নাই।



১। দিহা—সীতা শান্তী হে তোহোকে নবলু ভাল।
সুবৰ্ণৰ দলিছাই গা জুৰ নকৰে
তোক লাগে মিৰিগৰ ( মৃগৰ ) ছাল
পদ—ধিক ধিক ধনুশৰ ধিক বাহুবল।
ধিক ধিক ৰঘুপতি।
এসুৰা বয়সে শৰীৰ মোৰ কম্পিলা
মই নাৰী ভৰ যুবতী ॥
কিনো মোৰ বিধাতা কপালে লিখিলা
ইহাক নজানো মনে।
খুজিলু মৃগৰ ছাল পাতিলা জঞ্জাল
প্ৰভু গৈলা ঘোৰ বনে ॥
লক্ষ্মণ লক্ষ্মণ বাপু লক্ষ্মণ
প্ৰভুৰ কনিষ্ঠ ভাই।
যোৱা শীঘ্ৰ কৰি বিলম্ব নকৰি
প্ৰভুক ৰাক্ষসে খায় ॥
যতেক দেখাহা সুবৰ্ণৰ মৃগ
ততেক ৰাক্ষসৰ মায়া।
তাহাক বধিয়া আসিব এখনি
চিত্ত স্থিৰ কৰা কায়া ॥
লক্ষ্মণ লক্ষ্মণ দুৰ্জ্জন লক্ষ্মণ
তোহোৰ বুজিলোঁ আশ।
প্ৰভুৰ বিহনে তোৰ মনে ৰঙ্গ
মোক কৰা হাবিলাষ ॥
লক্ষ্মণে বোলন্ত হস্তে ভূমি চুই
বিষ্ণু বিষ্ণু ৰাম হৰি।
তোৰ বজ্ৰ বাক্যে শৰীৰ মোৰ কম্পিলা
কিসক নগৈলোঁ মৰি ॥
শুণে দুৰ্গাবৰি জনেক-জীয়াৰী
নকৰিবা মনে শোক।
বিধিৰ নিৰ্ব্বন্ধ খণ্ডাইতে নপাৰি
ৰাৱণে হৰিব তোক ॥

২। দিহা—লক্ষণে গৈলন্ত ৰাম অন্বেষণে
সীতাক অৰণ্যে থৈয়া। ( ৰাম ৰাম )
ৰাজা লঙ্কাৰ নাথ মিলিলা তপাত
সন্ন্যাসীৰ বেশ ধৰিয়া॥
পদ—দান দেহ বুলি আবাৱ কৰয়
মেৰৰ ( পজাৰ ) বাহিৰে ৰহি। ( ৰাম ৰাম )
ঘৰে থাকি সীতা ত্ৰিজগত মাতা
শুনিয়া আছে বৈদেহী॥
দণ্ড কমণ্ডলু মৃগ ছাল হাতে
ভস্মে বিভূষিত কায়।
কড়মড় কৰি দশন চোবায়
ডম্বৰু থানিক বায়॥
উপায় ( ছল ) কৰিয়া আইলা দুৰাচাৰ
সীতাক হৰিবাৰ মনে।
ৰামৰ চৰণ কৰিয়া বন্দন
কবি দাস দুৰ্গা ভণে॥

সীতাদেৱী পজাৰ তলত অকলে আছে ; সেই কাৰণে তেওঁ লক্ষণৰ কথাতৈ মন কৰি ছদ্মবেশী ঋষিক কলে।

৩। দিহা—ওহে তপস্বীয়া, আজি বাহৰিয়া ( উলটি ) যোৱা ঘৰে
অন্ন দিনা দিবো দান, লাগে ভিক্ষা যত মান,
আসন্তে প্ৰভু ৰাম গদাধৰ।
পদ—একাল সৰে আছু আমি, মৃগৰে গৈলন্ত স্বোৱামী,
লক্ষণক পাঠাইলো অন্বেষণে।
ঘৰে নাহি কোন জন, কোনে আসি দিব দান,
শূণ্য ঘৰে আসিলা সন্ন্যাসী॥
গাণ্ডীবৰ তিনি ৰেখা আগতে প্ৰত্যেক দেখা,
ইহাক পাৰ হইবো কিমতে।
পতিব্ৰতা ধৰ্ম্ম মোৰ, সবেও হইবেক নষ্ট,
আজ্ঞা ভঙ্গ হইবেক ৰামৰ॥
স্বোৱামীত সুস্থিৰ কৰ্ম্ম, কৰে যিবা নাৰী ধৰ্ম্ম,
তাৰ এক' নাহিক প্ৰকাশ।



শাস্ত্ৰে শুনি আছোঁ কথা, সমস্তে হইবেক বৃথা।
ভণে কবি দুৰ্গাবৰি দাস॥
৪। দিহা—ওকি বিধিহে বিধিহে কৰ্ম্ম বন্ধ এৰাইতে নপাৰি।
নিৰ্ম্মল কুলৰ মাজে কলঙ্ক ৰহিলৰে
আমি হৈলোঁ কুল-সংহাৰিণী॥
পদ—কিবা কুলক্ষিণী লাগি, প্ৰভুক পাঠাইলোঁ বনে
লক্ষণক পাঠাইলোঁ অন্বেষণে।
শূন্য ঘৰে পাই মোক, ৰাৱণে হৰিলাৰে,
লঘু হইলোঁ আপুনাৰ দোষে॥
মৃগ মাৰিয়া স্বামী, পালতি ( উভটি ) আসিব ঘৰে
শূন্য ঘৰে নেদেখিব সীতা।
কি হৈলা কি হৈলা বুলি, অৰণ্যত ভ্ৰমিবৰে
চিন্তা কৰি হৈব ব্যাকুলিতা॥
অন্যে মন্দ কহিব, তাক প্ৰভু নজানিব,
মোক দোষ দিবন্ত ৰঘুপতি।
বনবাসে আসি সীতা, বৰ দুখ পাইলাৰে,
এৰিয়া পলাইলা নিজ পতি॥
সম্পদৰ সুন্দৰী নাৰী, আপদ কালত গৈলা এৰি,
তিৰী জাতি নোহে বিশ্বাসিনী।
এহি বুলি ঘোৰ বনে, কান্দিবে সৰ্ব্বক্ষণে,
মই হৈলোঁ কুল-কলঙ্কিনী॥
ইটো জনমক লাগি নকৰা নৈৰাশহে
পুনু নাহি দেখিব নয়নে।
হা হা কৰি মায়া উদ্ধক নাচায়াৰে
কবি দুৰ্গাবৰি দাসে ভণে॥
৫। দিহা—ওকি বিধিহে বিধিহে হায় হায় বিধিহে
কোন খেণে জনম লভিলোঁ।
কি কৰিলোঁ ঘোৰ পাপ, খণ্ডচে মনৰ তাপ,
ৰাম হেন স্বামী হেকৰাইলোঁ॥
পদ—ৰামৰ ভাৰ্য্যাক হৰি, ৰাৱণে আনিলাৰে,
এহি ঘোষিবেক ৰাজ্যে ৰাজ্যে।
পতিব্ৰতা ধৰ্ম্ম মোৰ, সবেও নষ্ট হৈলাহে,
হেন প্ৰাণ ধৰো কোন লাজে॥

লক্ষ বৰ (?) মল্ল জীৱ, দুই লক্ষৰ জাতি,
তিনি লক্ষ সতীধৰ্ম্ম ক্রিয়া।
হেনয় অমূল্য ধন, কেন মতে ৰাখিবোহোঁ,
সঙ্গাত নাৰাবো ৰঘুপতি।।
চন্দ্র আদিত্য জেউতি, গগণ প্রকাশে,
তাত হৈলা কলাক খিয়াতি।
যেন তেন প্রকাৰে, শান্তি ধৰ্ম্ম ৰাখিবোহো,
সঙ্গাত নাৰাবো ৰঘুপতি।
ৰাৱণৰ ভয়তে মায়া কান্দিয়া আকুল হৈয়া,
শৰীৰ ঢাকিলা দীৰ্ঘ কেশে।
হা হা ৰাম বুলিয়োক উৰ্দ্ধক নাচায়াহে
ভণে কবি দুৰ্গাবৰি দাসে।

তলৰটো দেহ-বিচাৰৰ গীত—

৬। দিহা—মন বকৰা অ' ৰাজা পৰমাত্মা
জীউ ফুকনতে কোৱাহে। (মন বকৰা অ')
অহঙ্কাৰে হাৰা চিত্তে হল চৌধুৰী
বিচাৰ কৰিয়া লৱা॥
পদ—বুদ্ধিত আশ্রয় কৰাহে মন তই
চিত্ততে কৰাহা ৰতি।
জীৱ পৰমাত্মা এক স্থানে হৈলে
তেবেসে হৈবো ভকতি॥
ধন প্রকৃতিৰ বিবাদ লাগিছে
ই দুইৰ নাহি বিভিন্ন।
ই দুইৰ কাৰণে সংসাৰথান বৈ মৰে
খতি নাহি ৰাতি দিন॥
গতিও নপাইবা উচিত বুজিবা
মহা ধৰ্ম্মে দিবা থিত।
গাৱে গাৱে তুমি বিচাৰ কৰিয়া
লোকে দেখিবন্ত হিত॥
ত্ৰিবপিনীৰ (?) ঘাটতে গুৰু বহি আছে
পাতিয়া বস্তুৰ হাট।



শুদ্ধ জীউ মৰে কিনা বিকা কৰে
চিত্ত দৃঢ় কৰি তাত॥
কহয়ে মাধৱ শুনা মোৰ বান্ধৱ
ভকতিকে কৰা সাৰ।
গুৰুৰ চৰণে ভকতি কৰিয়া
সুখে হৈবা ভৱনদী পাৰ॥

এই গীত-ৰচক কবিসকলৰ জীৱন-কাহিনী সংগ্ৰহ কৰি ছপাব পাৰিলে বৰ মূল্যবান পুথি হব। পৰমেশ্বৰে কৃপা কৰিলে এনেকুৱা গীত আৰু কিছুমান প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হব। ইতি

সুন্দৰীদিয়া সত্ৰ; ৭। ১২। ৩২ } শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

---

# লাইব্রেৰী-পৰিচালন।

বিদ্যা শিক্ষা কৰিবলৈ যেনেকৈ স্কুল-কলেজ বিলাকেই সুনিয়ন্ত্রিত কেন্দ্র স্থল ঠিক তেনেকৈয়ে জ্ঞান আৰ্জ্জন কৰিবৰ নিমিত্তে লাইব্রেৰী প্ৰধান কেন্দ্রস্থল। স্কুল-কলেজবিলাকত জ্ঞান শিক্ষা দিয়া হয় সঁচা; কিন্তু সেই শিক্ষাই সম্পূৰ্ণতা নাপায়, যিহেতু জীৱন অন্ত নহয় মানে জ্ঞানাৰ্জ্জনৰ ওৰ নপৰে। দৰাচলতে লাইব্রেৰী জ্ঞানৰ ভঁৰাল স্বৰূপ। ইয়াৰ পৰা নিজৰ নিজৰ ৰুচি অনুযায়ী যাক যি লাগে তেওঁ তাকে আৱশ্যকমতে আহৰণ কৰিব পাৰে। কোনো এজন সুবিজ্ঞ লোকে বোলে কৈছিল, "এটা স্কুল পতা মানে এখন কাৰাগাৰ বন্ধ কৰা।" এতিয়া আমাৰ মতে এখন লাইব্রেৰী স্থাপন কৰাটো তাতকৈ অনেক গুণে মহৎ—এখন নৰ্কপুৰী ধ্বংশ কৰাৰ তুল্য। কিয়নো "নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে" অৰ্থাৎ এই জগতত জ্ঞানতকৈ শ্ৰেষ্ঠতম বস্তু আন একেবাৰেই নাই। আৰু অজ্ঞান আন্ধাৰেই সৰ্ব্বনাশৰ মূল। এতেকে এই জ্ঞান-প্ৰদায়িনী লাইব্রেৰীৰ পৰিচালনাৰ সম্পৰ্কে যত্নপৰ হোৱাটো সকলো লোকৰে গুৰুতৰ কৰ্ত্তব্য।

জ্ঞান আৰু সভ্যতাৰ বিস্তাৰ আৰু সাহিত্যৰ বিকাশৰ লগে লগেই লাইব্রেৰীৰ প্ৰয়োজনীয়তাও ক্ৰমাৎ যথেষ্টৰূপে বাঢ়ি বাঢ়ি যাব লাগিছে। বৰ্ত্তমান উন্নত দেশ বিলাকত ইয়াৰ বহুল প্ৰচলন দেখিলে সঁচাকৈয়ে স্তুদ্ধ হব লগীয়া হয়। কোৱা বাহুল্য যে সেই বোৰ দেশত গাঁৱে-নগৰে থকা স্কুল-কলেজ বিলাকৰ সংখ্যাতকৈ লাইব্রেৰীৰ সংখ্যা বহুত বেচি। তাত এনে কোনো আওহতীয়া ঠাই নাই য'ত লাইব্রেৰীৰ সুবিধা নোপোৱাকৈ এদিনো থাকিবলগীয়া হয়।

সমাজ আৰু সভ্যতাৰ বৈজ্ঞানিক উন্নতিৰ লগে লগে লাইব্রেৰী প্ৰতিষ্ঠানো ক্ৰমশঃ উন্নত নোহোৱাকৈ থকা নাই। আজিকালিৰ উন্নত দেশ বিলাকত থকা একোখন লাইব্রেৰীৰ অৱস্থা, কাৰ্য্য-কলাপ পৰি-

দৰ্শন কৰিলে নিশ্চয় আচৰিত হব লাগে। সেই বোৰ দেশৰ শিক্ষিত সমাজ আৰু কৰ্ত্তৃপক্ষই স্কুল-কলেজ চলাবলৈ যিমান যত্ন লয় তাৰ লাইব্ৰেৰী পৰিচালন কৰিবলৈ তাতকৈ অনেক গুণে সতৰ্ক হয়। তেওঁবিলাকে লাইব্ৰেৰীবোৰ ভাল ৰকমে চলাবলৈ সুকীয়াকৈ 'ডিৰেক্টৰ' 'ইনস্পেক্টৰ' ইত্যাদিৰে একোটা বিভাগ স্থাপন কৰি লৈছে। তদুপৰি লাইব্ৰেৰী "এছোছিয়েচন" "কমিটি" আদি যে আছেই। এই বিলাকৰ দ্বাৰা তেওঁলোকে সুদৃঢ় ভাৱে জন-মত সংগঠন কৰি এনে সুন্দৰ আৰু পৰিপাটিকৈ কাৰ্য্য চলাইছে যে সেইবোৰ দেখিলে সঁচাকৈয়ে মন আনন্দত নিমগ্ন হয়।

অকল সেয়ে নহয় সম্প্ৰতি শিক্ষিত সমাজ বিলাকৰ ভিতৰত লাইব্ৰেৰীৰ প্ৰচলন ইমান বাঢ়ি গৈছে যে সেইবোৰ ঠাইৰ লাইব্ৰেৰীয়ে চলন্ত অৱস্থাতৈকো গতি কৰিব লগীয়া হৈছে। বৰ্ত্তমান সেই বোৰ ঠাইত 'ট্ৰেভেলিং লাইব্ৰেৰী' (ভ্ৰাম্যমান গ্ৰন্থাগাৰ প্ৰতিষ্ঠা বা গঠন কৰা হৈছে। এই প্ৰথামতে এটা সৰু 'আলমাৰি' বা বাকচত প্ৰয়োজনীয় বিষয় বাছি বাছি কিছুমান কিতাপ ভৰাই লৈ সেইটো ঘৰে ঘৰে লৈ ফুৰোৱা হয়। তেতিয়া গৃহস্থীসকলে যাৰ যি যি লাগে আৱশ্যক মতে তাৰ পৰাই সেই কিতাপ লৈ নিয়মমতে যৎসামান্য ফিচ্ বা বৰঙণি প্ৰদান কৰে। আৰু পাছত নিৰ্দ্ধাৰিত তাৰিখত সেই কিতাপ ঘূৰাই লৈ পুনৰ্ব্বাৰ আন কিতাপ বিতৰণ কৰে। এই অভিনৱ প্ৰথাৰে লাইব্ৰেৰীৰ কৰ্ত্তব্য বহুতো পৰিচালিত হৈছে। ইয়াৰ দ্বাৰা লাইব্ৰেৰীৰ পৰা কিতাপ লওঁতাৰ অৰ্থ আৰু সময়ৰ বহুতো লাঘৱ হয় আৰু লাইব্ৰেৰীৰ সফলতা সম্পাদিত হয়।

উল্লিখিত কাৰ্য্য-প্ৰণালী বা ভ্ৰাম্যমান গ্ৰন্থাগাৰৰ দ্বাৰা ঘাটলীয়া সমাজৰ আৰু বিশেষকৈ মহিলা আদি লাইব্ৰেৰীৰ পৰা কিতাপ আনিবলৈ যাব নোৱাৰা বা সময় নোপোৱা লোকসকলৰ নৈৰে উপকাৰ সাধন কৰা হৈছে সন্দেহ নাই। এই নিমিত্তে আজিকালি সকলো উন্নত দেশতেই ইয়াৰ দ্ৰুত প্ৰচলন প্ৰবৰ্ত্তিত হৈছে। আমাৰ ভাৰতৰ ভিতৰত বৰ্ত্তমান আন আন ঠাইত নহ'লেও বৰদা ৰাজ্যত কেতিয়াবাই তাৰ প্ৰচলন আৰম্ভ হৈ গৈছে। এতিয়া বৰদা ৰাজ্যৰ প্ৰজাসকলৰ শিক্ষা বিষয়ত উক্ত প্ৰণালীৰ দ্বাৰা আশাতীত উপকাৰ পোৱা হৈছে বুলি তাৰ সুধীসমাজে স্বীকাৰ কৰিছে; সেইবাবে অদূৰভৱিষ্যত এই কাৰ্য্য-প্ৰণালী বা ভ্ৰাম্যমান গ্ৰন্থাগাৰ গোটেই পৃথিৱীতে যে প্ৰচাৰ নহব তাক কোনে নিশ্চয়কৈ কব পাৰিব।

প্ৰাচীন কালৰ ভাৰতত লাইব্ৰেৰীৰ বহুল প্ৰচলন যথেষ্টৰূপে আছিল বুলি অনেক প্ৰমাণ পোৱা যায়। আজিকালি পুৰণি নগৰৰ ভগ্নাৱশেষ বিলাকতো সেইবোৰৰ বিস্তৰ নিদৰ্শন নোপোৱাকৈ থকা নাই। আগৰ কালৰ অসমতো লাইব্ৰেৰীৰ প্ৰচলন প্ৰচুৰ পৰিমাণে আছিল। প্ৰাচীন অসমীয়া সকলে লাইব্ৰেৰীৰ মৰ্য্যাদা অস্ফুটৰূপে বুজাৰ নিমিত্তেই যে মহাপুৰুষ শঙ্কৰ, মাধৱে অসমীয়াৰ প্ৰতি ঘৰে ঘৰে লাইব্ৰেৰীৰ পূৰ্ণ প্ৰচলন কৰিবলৈ প্ৰয়াস পাইছিল, তাক অনায়াসে বুজিব পাৰি। অসমীয়াৰ ঘৰে ঘৰে থকা "কীৰ্ত্তন ঘৰ" বিলাক তাৰে এক বিশিষ্ট প্ৰমাণ বুলিলে বোধকৰো মিছা নহব। বাস্তৱিক কীৰ্ত্তন ঘৰ অসমীয়াৰ এটি প্ৰধান বিশেষত্ব। কীৰ্ত্তন ঘৰে আজিও যকৰা লাইব্ৰেৰীৰ নিদৰ্শন স্বৰূপে জগতত নিচলা অসমীয়াৰ স্থান অটুট ৰাখিছে। প্ৰত্যেক অসমীয়াই নিজৰ ঘৰে ঘৰে এই কীৰ্ত্তন-ঘৰত থকা পুথি-ভঁৰালৰ উন্নতি কৰিলে পুৰণি উত্তম প্ৰথা এটি সুৰক্ষিত হব।

বৰ দুখৰ বিষয় এই যে বৰ্ত্তমান যুগৰ অসমীয়া সকলে সেই লাইব্ৰেৰী পৰিচালনৰ কাৰ্য্য কেতিয়াবাৰ পৰাই বিসৰ্জ্জন দিছে। এওঁলোকে



লাইব্ৰেৰী বিসৰ্জ্জন দিয়াৰ কাৰণ বহুত। সেইবোৰ আলোচনা কৰিবলৈ ইয়াত ঠাই নাই। মুঠতে লাইব্ৰেৰী বিসৰ্জ্জন দিয়াৰ পৰাই যে তেওঁলোকৰ শৌৰ্য্য, বীৰ্য্য, জ্ঞান, গৰিমা, ঐশ্বৰ্য্য, বিভূতি ইত্যাদি সকলো হৰি যাব লাগিছে তাত সন্দেহ নাই। সাহিত্যই সমাজৰ দৰ্পণ স্বৰূপ; সাহিত্যৰ বিহনে সকলো অসাৰ। কিন্তু লাইব্ৰেৰী নহলে সাহিত্য ক'ত? সেই গুণেহে এতিয়া তেওঁবিলাক সকলো ৰকমে ঘৃণিত, পদ-দলিত আৰু পৰমুখাপেক্ষী। লাইব্ৰেৰীৰ উন্নতি নকৰিলে সাহিত্যৰ উন্নতি নহয়; আৰু সাহিত্যৰ উন্নতি অৰ্থাৎ বিকাশ নহলে সমাজৰ উন্নতিও আশানুৰূপ নহয়। সেইবাবে সমাজৰ উন্নতি প্ৰয়াসী লোক মাত্ৰেই সৰ্ব্ব প্ৰথমে তেওঁলোকৰ লাইব্ৰেৰীৰ প্ৰচাৰ-সাধনত হে ব্ৰতী হোৱা উচিত।

লাইব্ৰেৰী পৰিচালন কৰাটো অতিশয় গুৰুতৰ কাৰ্য্য। এই কাৰ্য্যত ব্ৰতী হোৱা জনকে লাইব্ৰেৰীয়ান্ বোলা হয়। লাইব্ৰেৰীয়ান্ জন নিতান্ত সৰবৰহী, অতিশয় প্ৰফুল্ল, আৰু অত্যন্ত কাৰ্য্যতৎপৰ হোৱা উচিত। অশিক্ষিত, অকামিলা নাইবা ক্ৰোধপৰৱশী লোক কদাপি লাইব্ৰেৰীয়ানৰ উপযুক্ত নহয়। তেওঁ খুব স্মৰণ শক্তিবান্, মেধাবী আৰু অতিশয় কাৰ্য্যদক্ষ, আটছিলীয়াৰ নহলে সুকলমে কাৰ্য্য চলাবলৈ অসমৰ্থ হয়। লাইব্ৰেৰীয়ানৰ কাৰ্য্য অনেক। আৰু সেইবোৰ সহজে যেনেকালি ঘটিব পৰা, আহুকলীয়া আৰু আমনিজনক। তথাপি লাইব্ৰেৰীয়ানে সকলো কাৰ্য্যকেই অকপটে আৰু অমায়িকভাৱেৰে সম্পন্ন কৰিব লাগিব। এই কাৰণে লাইব্ৰেৰীৰ যাবতীয় কাৰ্য্যবোৰ নিতান্তই শিক্ষা কৰা আৱশ্যক। তলত লাইব্ৰেৰী-সম্পৰ্কীয় কেইটামান কাৰ্য্যৰ কথা চমুকৈ উল্লেখ কৰিয়াই এই প্ৰবন্ধ সামৰা হব।

গঠন ]—নতুনকৈ লাইব্ৰেৰী স্থাপন কৰিবলৈ হলে আনিতেই বহুতো আলি-পদূলিৰ সঙ্গমযুক্ত স্থলত বেচ মুকলি-স্বাস্থ্যকৰ ঠাইত বং ধেমালি কৰিব পৰা প্ৰাঙ্গনযুক্ত টোলেৰে সৈতে ঘৰ-দুৱাৰ যুগুত কৰি লব লাগে। লাইব্ৰেৰী ঘৰত দৰ্কাৰী চকী, মেজ, বেঞ্চ, ডেস্ক আদিৰ সৈতে আধুনিক ধৰণেৰে বহুতো কোঠালি থাকিব লাগে আৰু সাধাৰণ গৃহস্থালী আৰামৰ বাবে যিবোৰ সুবিধা আৱশ্যক সেই সকলো বোৰেই ইয়াত বিদ্যমান থকা বাঞ্ছনীয়। সেই কোঠালি বোৰৰ প্ৰত্যেকতে হিচাব, পঢ়া-কুঠৰি, মন্ত্ৰণাগাৰ আৰু বিশ্ৰামাগাৰ আদি বিলগ বিলগ কৰ্ম্মৰ কাৰণে পৃথক ভাৱে ব্যৱহাৰ কৰিব লাগে।

আৱশ্যকীয় ঘৰদুৱাৰ যুগুত হ'লেই জমা টকাৰ জোখাৰে পুথি-পত্ৰিকাদি সংগ্ৰহ কৰিব লাগে। লাইব্ৰেৰীৰ কাৰণে সকলো ৰকমৰ পুথি-পত্ৰিকাই খুব দৰ্কাৰী। সকলোবোৰ লবলৈ অসমৰ্থ হ'লেহে এই ব্যৱস্থা। এনেস্থলত লাইব্ৰেৰীলৈ প্ৰথমে প্ৰখ্যাত লেখকৰ আৰু ভাল ভাল (বিশ্বাসী, জ্ঞানী লোকৰ দ্বাৰা প্ৰসংশিত) পুথি-পত্ৰিকাদি হে সংগ্ৰহ কৰা উচিত। পুথিপত্ৰ সংগ্ৰহ কৰোতে কাব্য, উপন্যাস, গল্প, বুৰঞ্জী, গণিত, ভূগোল, বিজ্ঞান, চিকিৎসা, ব্যাকৰণ, অভিধান, আৰু অৰ্থনৈতিক, ৰাজনৈতিক আৰু সমাজনৈতিক ইত্যাদি সকলো প্ৰকাৰৰ কিতাপ ৰাখিবলৈ সতৰ্ক আৰু সাৱধান হব লাগে। তদুপৰি সেই সেই বিষয়ৰ মাহেকীয়া পষেকীয়াৰ পৰা দৈনিক প্ৰাত্যহিক আদি আলোচনী আৰু বাতৰি-কাকতবিলাকো নিয়মমতে ৰাখিব লাগে। কিতাপ কাকতৰ বাজেও যিমানবোৰ দৰ্কাৰী সাময়িক কাকতাদি পোৱা যায় সেই আটাই থিনি ভাগে ভাগে লাইব্ৰেৰীত ৰখা উচিত। কিন্তু অশ্লীল, অশুদ্ধ বা কোনো ৰকমৰ অপকাৰী পত্ৰাদি লাইব্ৰেৰীত

ৰখা কেতিয়াও উচিত নহয়। উপযুক্ত দৰ্কাৰী কিতাপ সামৰ্থ্য অনুযায়ী সকলো ভাষাৰে ৰখাও বেয়া নহয়; বৰং উপকাৰী।

লাইব্ৰেৰী ঘৰ সদায় সঠিক সময়জ্ঞাপক ঘড়ী, কেলেণ্ডাৰ, চিত্ৰ, পট, মেপ ফটো আদিৰে শোভিত আৰু পঞ্জিকা, কেটেলগ; "ডিৰেক্টৰী" নটিচ, আৰু জাননী ইত্যাদিৰে সজ্জিত কৰি ৰাখিব লাগে। আৰু টোলত ফুলনিবাৰী পতা আৰু প্ৰাঙ্গনত ৰং-ধেমালিৰ সাজ-সজুলি ৰখাটোও অদৰ্কাৰী নহয়। স্থান, ঘৰবাৰী যিমান তমস্কাৰ হয় তাতৈল সৰ্ব্ব সাধাৰণৰ শ্ৰদ্ধা, ধাউতি আদিও সিমান বেচিকৈ বাঢ়ে। কিয়নো লাইব্ৰেৰী জ্ঞানৰ ভৰাল সদৃশ। এই স্থান যিমান মনোৰম, সৰ্ব্বাঙ্গসুন্দৰ হয় সিমান ভাল। লাইব্ৰেৰীয়ানে যৎপৰনাস্তি চেষ্টিত হৈ উপৰোক্ত সকলো আচবাবকে সুসংযত গৃহস্থালীৰ দৰে পৰিচালন কৰি সদায় নতুন যেন কৰি ৰাখিব লাগিব।

নামসূচী—সংগৃহীত পুথি-পত্ৰিকাবোৰ আৱশ্যকমতে উলিয়াব পৰাকৈ সুশৃঙ্খলৰূপে ৰখাই লাইব্ৰেৰীয়ানৰ এটা প্ৰধান কৰ্ত্তব্য। এই কাৰ্য্য সুকলমে চলাবলৈ হলে তেওঁ ঘাই বহিত সেই বিলাকৰ নাম ভৰ্ত্তি কৰোঁতে খুব সতৰ্ক হব লাগে। কিতাপৰ নাম-সূচী ৰখা বৰ বেমেজালিৰ কাম; কাৰণ একেটা নামৰে কিতাপ আৰু একেটা নামৰ লিখকৰে একে প্ৰকাৰৰ কিতাপ অনেক থাকে। এনেস্থলত কিতাপ বা কোন জন লিখকৰ কিতাপ লাগে একমাত্ৰ নাম-সূচীৰ দ্বাৰাহে তাক বুজা সম্ভৱ হয়। নাম-সূচী সহজ কৰিবলৈ হলে প্ৰত্যেক লিখকৰ নাম মতে আৰু সেই নামবিলাকো একাদিক্ৰমে আদ্যক্ষৰ নিৰ্ণয় অনুযায়ী সূচি ভৰ্ত্তি কৰিব লাগিব। এনে ভাৱে যুগুত কৰা ভৰ্ত্তিৰ ক্ৰমিক নম্বৰ কিতাপ, কাকত আদিৰ নিমিত্তে ভাগে ভাগে সুকীয়াকৈ দিব লাগে। ভৰ্ত্তিৰ ক্ৰমিক নম্বৰ প্ৰত্যেক ভাষাৰ কিতাপাদিৰ কাৰণেও সুকীয়াকৈ দিয়া উচিত।

নাম-সূচিৰ প্ৰধান ৰেজিষ্টাৰৰ বাজেও পুথি পত্ৰ সহজে পাবলৈ আৰু প্ৰাঞ্জল ভাৱে ৰাখিবলৈ বৰ্গ অনুযায়ী বেলেগ নম্বৰ দি এক তালিকা প্ৰস্তুত ৰাখিব লাগে। আচলতে এই বৰ্গীকৰণ লিষ্টৰ দ্বাৰাহে পুথি পত্ৰ উলিয়াবলৈ সুবিধা। এই সম্পৰ্কে ধৰ্ম্ম, অৰ্থ, কাম (কলা) আৰু মোক্ষ এই চতুৰ্বৰ্গ প্ৰধান। কিন্তু এই চতুৰ্ব্বৰ্গৰ ভিতৰতো কাব্য, উপন্যাস, বুৰঞ্জী ইত্যাদি উপবৰ্গৰ নিতান্ত আৱশ্যক হয়। এই বিষয়ত ব্যাকৰণ, অভিধান আদিক পঞ্চম বৰ্গ হিচাবে ৰখা বিশেষ ভাল।

বিতৰণ—লাইব্ৰেৰীৰ পুথি-পত্ৰিকাবোৰ বিতৰণ কৰিবলৈ হলে বিলগ বিলগ বহিত নিয়াৰিকৈ লিখা-লিখি কৰিব লাগে। তেনে নহলে সেই কিতাপপত্ৰ হেৰোৱাৰ সম্ভাৱনা অধিক। লাইব্ৰেৰীৰ পুথি-পত্ৰ লেনা-দেনা বিষয়ত লাইব্ৰেৰীয়ান খুব অমায়িক আৰু শিষ্টাচাৰসম্পন্ন হৈ যথাসময়তে কাৰ্য্য শেষ কৰিব লাগে। "ৰ'বা, ৰ'বা, গৈছো" আৰু "পাছে লিখালিখি হব" ইত্যাদি ভাব আৰু কাৰ্য্য লাইব্ৰেৰীৰ পক্ষে নিতান্ত হানিজনক।

পুথি-বিতৰণৰ বহিত নিব খোজা কিতাপ পত্ৰৰ সংক্ষিপ্ত পৰিচয়, মূল্য আৰু ফেৰৎ দিয়া তাৰিখ আদি লিখি গ্ৰাহকৰ চহি লব লাগে। যেতিয়া ফেৰত দিবহি, সেই তাৰিখ দৰি উক্ত বহিত আদাই পোৱা বুলি লিখি, তেতিয়াই নিৰ্দ্দিষ্ট ঠাইত সামৰি থব লাগে। ইয়াৰ বাজে প্ৰতিদিন কিমান পুথি-পত্ৰ লেনা-দেনা কৰা হয় তাৰো এটা সুকীয়া বহিত হিচাব ৰখা আৱশ্যক। এই বিলাক কাৰ্য্যত লাইব্ৰেৰীয়ান এনে কাৰ্য্যদক্ষ হব লাগে যে প্ৰতিদিন কিমান কিতাপ বাহিৰত থাকে আৰু কোন তাৰিখে, কি কি আৰু কিমান কিতাপ ঘূৰাই পোৱা হব তৎক্ষণাৎ তেওঁ তাক কব পাৰিব লাগে। আজিকালি কাৰ্ডৰ সাহায্যত তাঁচ খেলাৰ দৰে অতি সহজতে এই কাৰ্য্য সাধিব পৰা গৈছে।

প্ৰচাৰ—লাইব্ৰেৰীত থকা পুথি-পত্ৰবিলাকৰ কথা সদায় নিয়মিতভাৱেৰে প্ৰকাশ কৰি থকা লাইব্ৰেৰীয়ানৰ এটা বিশেষ কৰ্ত্তব্য। চিঠি বা জাননীৰে আৰু সভা, উৎসৱ আদিত বক্তৃতাৰ দ্বাৰা ইয়াৰ প্ৰচাৰ কাৰ্য্য সাধিত হয়। সুনিয়ন্ত্ৰিত "লিফ্‌লেট" আদিৰে নতুন কিতাপৰ প্ৰচাৰ কৰাই সৰ্ব্বসন্মত উপায়। প্ৰচাৰৰ দ্বাৰাই গ্ৰাহক সংগ্ৰহ নকৰিলে লাইব্ৰেৰীৰ লাভ নাই।

নতুন গ্ৰাহকে অনিৰ্দ্দিষ্ট কিতাপ বিচাৰিলে লাইব্ৰেৰীয়ানে প্ৰথমে কথা-বাৰ্ত্তাৰে আলাপ কৰি তেওঁ যি বিষয়ৰ কথা ভাল পায় সেই বিষয়ৰ কিতাপ আদি দিয়া উচিত। কোনো কিতাপৰ কোনো সমালোচনাৰ দ্বাৰাও প্ৰচাৰ-কাৰ্য্য কৰিবলৈ সুচল পোৱা যায়।

জাননী আৰু সভা-সমিতিৰ উপৰিও দেশৰ জাতীয় উৎসৱবিলাক সম্ভৱপৰ ঠাইত লাইব্ৰেৰীৰ জৰিয়তে সমাধা কৰি তাৰ বিশেষ উপকাৰ কৰিব পাৰি। এই কাৰ্য্যৰ দ্বাৰা আমাৰ গাঁৱলীয়া সমাজৰ যথেষ্ট উপকাৰ সাধিত হব সন্দেহ নাই। কিন্তু সেই উৎসৱাদিৰ খৰচ লাইব্ৰেৰীয়ানে উপকৰাকৈ তুলিব লাগে।

হিচাপ—লাইব্ৰেৰীৰ আৰ্থিক হিচাপ ৰখাটোও লাইব্ৰেৰীয়ানৰ ঘাই কৰ্ত্তব্য। গ্ৰাহকৰ ফিছ বৰঙনি আদিৰ সম্পূৰ্ণ খোলোচাকৈ হিচাপ ৰখা উচিত। লাইব্ৰেৰীৰ কাৰণে কৰা খৰচখিনিৰ হিচাপ পৰিপাটিকৈ ৰাখি জমা-খৰচ ঠিক কৰা একান্ত আৱশ্যক। মাহেক বা বছেৰেকৰ মূৰত লাইব্ৰেৰীয়ানে তাৰ শুদ্ধ হিচাপ ৰাইজক দেখুৱাব লাগে। হিচাব দেখুউৱা বা ৰখাত ত্ৰুটি কৰা তেওঁৰ একেবাৰেই সৰ্ব্বনাশৰ মূল।

লাইব্ৰেৰীৰ আয়ৰ ভিতৰত সাধাৰণ খৰচৰ উপৰি মাহিলী বা বাৰ্ষিক উপাৰ্জ্জন খিনি ভগা-বটা কৰি এভাগ সদায় ৰিজাৰ্ভ (সাঁচতীয়া) ফণ্ডত ৰাখিব। আৰু বাকিখিনি বাতৰি আৰু আলোচনী কাকতৰ বৰঙনি দিয়া, নতুন কিতাপ লোৱা ইত্যাদি কৰ্ম্মত খৰচ কৰা উচিত। এইবোৰ সকলো বিৱৰণ বিলগ বিলগ বহিত পৰিপাটিকৈ তেতিয়াই লিখি থব লাগে। আৰু সময়মতে ওপৰৱালা কৰ্ম্মচাৰীৰ বা কমিটিৰ অনুমোদন কৰাই লব লাগে।

প্ৰত্যেক বছৰৰ অন্তত এখন সাধাৰণ সভা আহ্বান কৰি তাত কিতাপ পত্ৰৰ পৰা টকা-কড়ি পৰ্য্যন্ত সকলোৰে বিতং হিচাপ বা কাৰ্য্যবিৱৰণী তন্ন-তন্নকৈ বুজাই দিব লাগে। বছেৰেকীয়া কাৰ্য্যবিৱৰণীখন যুগুত কৰোঁতে লাইব্ৰেৰীয়ানে খুব সতৰ্ক হৈ সঁচা কথাৰে গোটেই বছৰৰ কাৰ্য্য চমুকৈ উল্লেখ কৰিব। কাৰ্য্যবোৰ উল্লেখ কৰোঁতে যোৱা-বছৰৰ বৰ্ণনাৰ লগত ৰিজাই চলিত বছৰত কিমান আগ বাঢ়িছে তাক বুজাব লাগে।

চ'ৰাচোঁৰা যোগী গাওঁ,
পোঃ আঃ—গটঙ্গা, যোৰহাট।

শ্ৰীখগেশ্বৰ নাথ বৰা,
১০।৭।৩১

## আহাৰ ( মাহ ) ।

যেতিয়া গ্ৰীষ্মই মেলানি মাগিব,
বৰ্ষা-ঋতু আহি গাঁথনি ধৰিব,
পৱনেৰে মিলি মন্ত্ৰনা পাতিব,
গহীন প্ৰকৃতি গম্ভীৰ হব ;
তেতিয়া প্ৰবেশ তোমাৰে আহাৰ
(মাহ-মাজে আহি কাল-গণনাৰ )
কিনো ক'ম তব ! মহিমা অপাৰ
অপূৰ্ব্ব খ্যাতি সৰ্ব্বদা ৰব।
গগণে সুনাম চন্দ্ৰতাপ তৰে,
লুকালুকি খেলে তাতে তৰাবোৰে.
( কাতীপতি, ৰাম-ধনু, মড়লেৰে )
চন্দ্ৰ-সূৰ্য্যবো কেউতি চৰে ;
তাৰ মাজে কভু প্ৰচণ্ড বাদলে
সংহাৰে, ভূৰ্জ্জিয়া বজ্ৰ-কল্লোলে
প্ৰলয়-অৱস্থা ক্ষণেকতে মিলে,
বিজুলীয়ে ঘনে প্ৰদাপ চৰে।
বসুধা বিৰাজে শ্যামল আভাৰে,
সৰোবৰ শোভে ভেঁট, পদুমেৰে,
নদ-নদী-পূৰ্ণ কণালী পিঠিৰে
জলচৰ প্ৰাণী ভ্ৰমণে তাতে ;
আৰণি বননি সকলো শোভিত
নব পাত, ফল ফুলেৰে ভূষিত,
সৰস বিহঙ্গ বিচৰে তাতিত,
মন, প্ৰাণ ভুলে সুৰলা মাতে।
নানা তৰহৰ সুমিষ্ট সুফল,
লেটেকু, লাভেং, লেচু, পনীয়ল,
বহঁত, শ্ৰীফল, জামু, নাৰিকল,
খেজুৰি, আমোল, মধুৰি-আম,
নানা ৰকমৰ আম, আঁহফল,
নাচপতি, কল, কঠাল, বেলচ,
অমিতা, আমোল আৰু আনাৰস
সুপক্ক ফলৰ কতনো নাম।
ফুট-কলা পকা খৈলাঙ্গনী ফল,
জেতুলি, লেজাই, ঘুঘুচুম জাল,
গেবেকুৰা আৰু থাৰৈ আমোল,
বন-আম, চাম-কঠালে ভৰি,
কুজী ও কণহী খেকেৰা, ভেকুৰি
নফা ও আহোম সুমিষ্ট বগৰি,
গোলাপী জামু ও জুনিপকা জুৰি,
পাকে তল ভৰি, আপুনি সৰি।
সম্ভৱে প্ৰচুৰ পাচলিয়ো ফল,
কেৰেলা, ধুন্দুলি, কোমোৰা, পটল,
বঙ্গা, কাতিলাও আৰু পুৰাকল,
আড, গুণীধান, সকলো ফলে।
বাগিচা, কাঠনি, বাৰী, খাট-পাম,
সুগন্ধে আমোল, লোকে হবে প্ৰাণ,
ইবাবেহে নেকি হ'ল তব নাম
'আহাৰ'—সুন্দৰ ৰক্ষিতা খালে !
ধন্য ! হে আহাৰ তোমাৰ মহিমা
চিৰস্থীৰ তব হঁওণ গৰিমা
চিৰকালে আমি কৰিছো কামনা
কোনো কালে যেন নহবা ক্ষীণ ;
তব দিবা শক্তি বিজনে বিকিলে,
যাৰ অনুগ্ৰহে বিৰবী ভূতলে,
নমো সিজনক ভক্তি-অশ্ৰু-জলে,
কিনো আছে মোৰ দৰিদ্ৰ-হীন।

শ্ৰীখগেশ্বৰ নাথ বৰা,
চ'ৰা-চোৱা যোগী গাওঁ,
পোঃ গটঙ্গা, যোৰহাট।

---

## মান-ভগনীয়া অসমীয়াৰ
## বিষয়ে কেই আষাৰমান কথা।

শ্ৰীহট্ট, কাছাড়, খাছীয়া-জয়ন্তীয়া আৰু ত্ৰিপুৰা জিলাত থকা মান-ভগনীয়া মানুহৰ বিষয় যিমান দূৰ জানিব পৰা গৈছে সেই বিষয়ে আমি আসাম সাহিত্য সভাৰ সভাসকলক কিছুমান কথা জানিবলৈ দিব খোজোঁ। কাৰণ ১৮৪৯।৫০ শকৰ পুহ-মাঘ-ফাগুনৰ "পত্ৰিকা"ত প্ৰবীণ সাহিত্যিক শ্ৰীযুক্ত কমলাকান্ত ভট্টাচাৰ্য্যই "অসমীয়া জাতিৰ ধ্বংসলৈ গতি" বুলি এটি প্ৰবন্ধ প্ৰকাশ কৰিছিল ; সেই প্ৰবন্ধকে সাৰোগত কৰি আমি নিঃকিনে এই মান ভগনীয়া মানুহবিলাকক মহাপুৰুষৰ ধৰ্ম্মত শৰণ-ভজন দি অসমীয়াৰ শাৰীলৈ আনিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু বিফল মনোৰথ হৈ (১) আজি স্বদেশহিতৈষী সকলৰ ওচৰত সৰল গোহাৰি কৰোঁ। যেন তেখেতসকলে এই পৰ্ব্বতৰ দাঁতিত থকা কছাৰী মানুহখিনিক বিদেশীৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰি বৃহত্তৰ অসম গঠন কৰিবলৈ চেষ্টা কৰে ; এই অশিক্ষিত মানুহখিনিৰ মাজত শিক্ষাৰ চাল-চলন ৰীতি-নীতি প্ৰচাৰ কৰিবৰ দিহা কৰে যেন—এয়ে আমাৰ সৰল গোহাৰি।

ওপৰত কৈ অহা তিনিও জিলা আৰু পাৰ্ব্বত্য উপত্যকাৰ দাঁতি-কাষৰত অসমীয়া মানুহবোৰ দেখি আচৰিত হ'ব লগা কথা। কাৰণ এই তিনি জিলা অতীজৰে পৰা খাছীয়া, কছাৰী, আদিৰেই বাসস্থান। বোধ হয় বৃটিছ গৱৰ্ণমেণ্টৰ দিনতে ইয়াত আহি বঙ্গালী মানুহ সোমাইছেহি। যেই হওক আজি এই কাকতত সেই বিলাক লেখা আমাৰ উদ্দেশ্য নহয়। মাথোন অসমীয়া মানুহৰ কথাকে যিমান দূৰ জনা যায় কোৱা হব। বৰ্ত্তমান "মান-ভগনীয়া অসমীয়া"ৰ বিষয়ে আলোচনা চলি আছে। এতিয়া তেওঁবিলাকৰ বিষয়ে যিমান দূৰ জনা হৈছে তাকেহে কোৱা হ'ল।

এওঁলোক যি সময়ত ইয়ালৈ পলাই আহিছিল সেই সময়ত আসাম দেশত জিলা বা চহৰৰ কোনো নাম বা ভাগ কৰা নাছিল। সেই কাৰণেই বোধ কৰোঁ, এওঁলোক কোন জিলাৰ পৰা আহিছিল তাক এককে কব নোৱাৰে—মাথোন অসম দেশ বুলিহে জানে ; কোনোৱে গাঁৱৰ পৰিচয় দিছে। বৰ্ত্তমান ইয়াত নগাওঁ জিলাৰ চহৰি মৌজাৰ নিজ চহৰি গাঁৱৰ কেইঘৰমান লালুং মানুহৰ পৰিচয় পোৱা গৈছে। কেইঘৰমান কলিতা মানুহে গোলাঘাটত থকা বোকাখাত গাঁৱৰ পৰিচয় দিছে ; কেইঘৰমানে নাৰায়ণ পুৰৰ বুলি কয় ; বহুতে জাতিওৰি কবই নোৱাৰে। ইতিপূৰ্ব্বে বহুত মানুহ আহিছিল বুলি কয়, ইয়াৰ ভিতৰত চুটিয়া, দেহান, কছাৰী, লালুং, যোগী, ডোম, বৰাহী, সুত, মেছ, বাভা, হোজাই-কছাৰী, কোঁচ, কলিতা, বামুন এই কেইটা জাতৰ মানুহৰ পৰিচয় পোৱা যায়।

এওঁলোকৰ কিছুমানে মাইবঙৰ পাহাৰ ভেদ কৰি কাছাৰ জিলাৰ পূবফালে থকা মইনাবন্ধ, জাপিৰবন্ধ বোলা ঠাইত বসতি কৰে ; কিছুমানে খাছীয়া পৰ্ব্বত ভেদ কৰি জয়ন্তীয়া ৰজাৰ ওচৰত ফাল-জোৰ বগাবিল বোলা এডোখৰ ঠাইত আশ্ৰয় লয় ; কিছুমানে চেৰাপুঞ্জি পাহাৰেদি আহি বাঁহতলী বোলা ঠাইত বাস কৰে ; কিছুমানে খাছীয়া পাহাড় ভেদ কৰি সুৰমা উপত্যকা পাৰ হৈ ত্ৰিপুৰা

(১) কিয় বিফল হ'ল ?—প, স,

ৰাজ্যত সোমাই ত্ৰিপুৰা ৰজাৰ আশ্ৰয় লয়। ইয়াত যিখিনি মানুহ পোৱা গৈছে তেওঁলোকৰ ভিতৰত ৪।৫ ঘৰ বামুন, ৩০।৪০ ঘৰ কেঁওট, ১০। ১৫ ঘৰ ৰাভা-কছাৰী আৰু ৮।৯ ঘৰ কলিতা মানুহ আছে। বৰ্ত্তমান এওঁলোকৰ সংখ্যা বহুত কমিছে। বহুতে জাত এৰি মনিপুৰীয়া ধৰ্ম্মমতে শৰণ-ভজন লৈ মনিপুৰীয়া হৈছে। এওঁলোক এতিয়া আসাম-বেঙ্গল ৰেলৰ **আখাউৰা** ষ্টেচনৰ ২মাইল দক্ষিণে **ৰাজবাৰীৰ** ওচৰতে আছে।

১। **হৰ কোঁচ**—প্ৰথমে এওঁলোকৰ সংখ্যা ১০।১২ ঘৰ মান আছিল, এতিয়া ৩।৪ ঘৰ মানহে আছে। এওঁবিলাকো মান-মিহলি হৈছে। অসমীয়া ভাষা ব্যৱহাৰ কৰে। বামুণ-গোঁসাই অতীতৰ পৰাই আছে। শিক্ষা-উৰাও আমাৰ দেশৰ দৰেই; তেওঁবিলাকৰো মানুহ বিলাকো নামকীৰ্ত্তনো কৰে।

## ২। মইনাবন্ধীয়া চুটিয়া।

কাছাৰ জিলাৰ পূৰফালে **মইনাবন্ধ** বোলা ঠাইত বহুত মানুহে—লালুং কছাৰী, আহোম চুটিয়া, যোগী, হোজাই কছাৰী, বৰাহী—এই কেইজাত লগ লাগি প্ৰাণৰ ভয়ত মান-মিহলি হৈ পৰ্ব্বতত বাস কৰি সময়ত এটা জাত বুলি পৰিচয় দিয়ে। এওঁলোকে বহুদিন গোঁসাই বামুণ নোহোৱাত অসমীয়া ৰীতি-নীতি পাহৰি অশৰণীয়া হৈ লালুং কছাৰীৰ দৰে জ্ঞাতিক খুৱাই মৰা জীয়া অশৌচৰ পৰা শুদ্ধ হৈছিল। বহুত দিনৰ পাছত **জয়ন্তাত** থকা বামুণ গোঁসাইৰ লগত দেখা সাক্ষাত হৈ পুনৰ বামুণ গোঁসাই লৈ চুটিয়া বুলি চিনাকি দিবলৈ ধৰে। এওঁলোকক **মইনাবন্ধীয়া চুটিয়া** বোলে এওঁলোকৰ অশৌচ ৩০ দিন, শিক্ষা-উৰা কানি-কাপোৰ আচাৰ-ব্যৱহাৰ আমাৰ দেশৰ আহোম জাতিৰ দৰে। এওঁবিলাকক আহোমকে বুলিব পাৰি আৰু এওঁবিলাকেও বিয়াক চকলং বুলি কয়। খোৱা বস্তুও আহোম জাতিৰ দৰেই। শিক্ষা-উৰাও সেই ৰকমেই। এতিয়া এওঁবিলাকৰ সংখ্যা ১৫০।১৬০ ঘৰমান হব। এওঁবিলাকৰ ভাষা আহোমৰ দৰেই। এওঁবিলাকেও হাত-চাপৰি, ভোৰতাল আদি বজাই নাম কীৰ্ত্তন কৰে।

## ৩। ৰাভাকছাৰী বা সৰু কোঁচ।

এওঁবিলাকৰ বহুতে শৰণ-ভজন লৈ কোঁচ জাতিৰ অন্তৰ্গত হৈছে। মাত-কথা অসমীয়া। অশৌচ ৩০ দিন। মানুহৰ সংখ্যা ১০০ ঘৰ মান হব।

(খ) কিছুমানে বঙালী গোঁসাই লৈ বৰ্ম্মন উপাধি লেখি বামুণৰ দৰে লগুণ লৈছে। এওঁলোকৰ অশৌচ ১৩ দিন। মানুহৰ সংখ্যা ৩০০ ঘৰ মান হব।

## ৪। মেছ-কছাৰী।

এওঁবিলাকে অসমীয়া বুলিয়েই পৰিচয় দিয়ে; কিন্তু শৰণ-ভজন নাই। লাহে লাহে বঙালীৰ কবাল গ্ৰাসত পৰি বঙালী ভাষাৰ নাট গান চৰ্চ্চা কৰি বঙালী সন্ন্যাসী বৰাগী বিলাকক আশ্ৰয় দিছে আৰু বঙালী ভাষাক ভাল পোৱা হৈছে। এওঁবিলাকৰ মানুহৰ সংখ্যা ২০০ ঘৰৰ কম নহয়।

## ৫। ডোম।

এওঁবিলাকৰ বাসস্থান কাছাৰ জিলাৰ আইনমান উত্তৰে। মাছ বেচা নিয়ম এই ঠাইতো আছিল বুলি বহুতে কয়। এতিয়া এওঁলোকেও চুটিয়া বুলিয়েই পৰিচয় দিয়ে। এওঁবিলাকৰ মাজত কছাৰী মানুহ কিছুমানো মিহলি হ'ল। এতিয়া এওঁলোকে ১৩ দিন অশৌচ পালে আসাম দেশৰ গোঁসাই এজনে এওঁলোকক শৰণ-ভজন দিয়ে; কিন্তু বঙালী বামুণৰ দ্বাৰাই কাজ সকাম কৰায়। তিৰোতাই আমাৰ দেশৰ মানুহৰ দৰে মেখেলা পিন্ধে, মাত আধা অসমীয়া আধা বঙালী। গান বাজনা বঙালী; মানুহৰ সংখ্যা ৬০।৭০ ঘৰ মান হব।



আচাৰ-ব্যৱহাৰ বঙালীৰ দৰে। এওঁবিলাকক পুৰোহিত বা গুৰু হিচাপে গোঁসাই বামুণ লাগে।

## ৬। দেহান জাতি।

এওঁবিলাকৰ আচাৰ-ব্যৱহাৰ কছাৰীৰ দৰে, আসাম দেশত এইজাতি মানুহ আছেনে নাই আমি নাজানো। নগাওঁ জিলাত লালুঙৰ ওচৰত থকা সৰু কোঁচবিলাকক লালুং দেহান বুলি কয়। এই দেহানবিলাকৰ শিক্ষা-উৰা অসমীয়াৰ দৰে। মাত-কথা আধা বঙলুৱা কিন্তু উচ্চাৰণ প্ৰায় অসমীয়াৰ দৰেই। এওঁলোকৰ গোঁসাই, বামুণ বঙালী। মানুহৰ সংখ্যা ১০০ ঘৰমান হব। এওঁলোকেও গোঁসাই বামুণ লাগে।

## ৭। চুটিয়া জাতি।

এওঁবিলাক আগত হৈ কহা মইনাবন্ধীয়া চুটিয়াৰ দৰে নহয়। কিন্তু সকলোৰকম খোৱা-লোৱা দিয়া-দিয়া এওঁলোকৰ লগত চলে, মাথোন শিক্ষা-উৰা ৰিহা মেখেলা, আৰু বিয়ৈ আবিয়ৈ প্ৰভেদ আছে। এওঁলোকৰ কথা বতৰা আহোমৰ দৰেই। কোনো মানুহে আবিয়ৈৰ হাতে পানী নাখায়। এওঁলোকে পুৰণি পৰাই অসমীয়া বামুণ গোঁসাইৰ দ্বাৰা কাম চলাই আছে। লোকসংখ্যা ২০।২২ ঘৰ মান হব। **ৰাতিখোৱা** প্ৰথাও এওঁলোকৰ মাজত আছে; আমাৰ দেশৰ দৰেই নাম-কীৰ্ত্তন কৰে।

## ৮। কলিতা আৰু কেঁওট।

শুনা যায় এওঁলোক **নাৰাণপুৰৰ** মানুহ। এওঁবিলাকৰ ভিতৰত এতিয়ালৈকে আনজাতি মিহলি হোৱা নাই। আগৰে পৰা বামুণ গোঁসাই লৈ আমাৰ দেশৰ দৰেই এওঁবিলাকেও অন্য কিজাতৰ হৈতে কোনো চাল-চলন কৰা নাই। দুয়ো জাতৰ ভিতৰত মোট মানুহ ৫০।৬০ ঘৰ আছিল, এতিয়া দহ বাৰ ঘৰ মানহে হব। এওঁলোকে নাম-কীৰ্ত্তনো কৰে।

## ৯। সুত বা হৰীয়া।

এওঁবিলাকো আমাৰ দেশৰ সুত জাতিৰ হৈতে চাল-চলন আদিত একে। মানুহৰ সংখ্যা ৩০।৪০ ঘৰ মান হ'ব। এওঁবিলাকেও নাম-কীৰ্ত্তন কৰে।

## ১০। বামুণ।

এওঁবিলাকে কয় বোলে ৬।৭ ঘৰ বামুণ প্ৰথমে লগ লাগি পৰ্ব্বত-গুহাত একেলগে বাস কৰি আছিল। তাৰ পাছত তেওঁবিলাক সেই **বগাবিলৰ** কোঁচ চুটিয়া মানুহৰ লগতে লগ লাগেহি; তাৰ পাছতহে **জাপলুং** বোলা এডোখৰ ঠাইত বাস কৰেগৈ।

পূৰ্ব্বে ইয়াত গোঁসাই থকাৰ কোনো পৰিচয় পোৱা নাযায়। ৰেলৰ চলাচল নথকা দিনত আসাম দেশৰ মানুহে খোজ কাঢ়ি তীৰ্থলৈ অহা যোৱা কৰাৰ সময়ত, সম্ভৱতঃ শ্ৰীশ্ৰীডিফলু সত্ৰৰ বৰ্ত্তমান অধিকাৰ হৈ থকা নগাওঁ জিলাৰ শ্ৰীশ্ৰীৰবিচন্দ্ৰ দেৱ অধিকাৰ প্ৰভুৰ ৺পিতৃদেৱ সেই বাটেদি তীৰ্থলৈ যাওঁতে, জয়ন্তাপুৰৰ ৰজাৰ ওচৰত সেই অসমীয়া মানুহখিনি আৰু বামুণ কেইঘৰ পাই তাতে এজন উপযুক্ত বামুণক সেই ঠাইতে **বাঘনাতি সত্ৰ** নাম দি অধিকাৰ পাতে*। তেতিয়াৰ পৰা সেই দেশত গোঁসাই নাম প্ৰচলিত। আজিকালিও সেই কাৰণে ডিফলু সত্ৰৰ গোঁসাইক সেই ঠাইৰ মানুহে অতি ভক্তি সহকাৰে কৰ ভাৰ সোধাই থাকে। এই মানুহ বিলাক পলাই আহি হাবি বন কাটি য'ত বাস কৰিছিল সেই মাটি বৃটিছ গৱৰ্ণমেণ্টৰ খাচ্ দখলৰ মাটি আছিল। এতিয়া বঙালীবিলাক সেই ঠাইত সোমাই ভোদা অসমীয়া কেটাক ছল কৰি হাবিলৈ খেদি দি সেই গোৰ ঠাই হাত কৰি ললে। সিহঁতে একো

* এই পিনে তীৰ্থলৈ যোৱা বাট আছিলনে?
তেখেতেই যে সেই সত্ৰ পাতিছিল প্ৰমাণ কি?—প,স,

ভু নাপায়। এওঁলোকে সেই পৈত্ৰিক সম্পত্তি এৰি স্থানান্তৰ হোৱাত সেই মাটিকে লৈ একজন মুছলমানে জমিদাৰ হৈ বহি আছে। এওঁলোকে চাবিৰ মাজতে অ'ত দুদিন ত'ত দুদিন এই দৰে কাল কটাইছে। দুখৰ বিষয় যে অসমীয়াৰ এই নিগাজী সম্পত্তি, ৪০০। ৫০০ শ বিঘা মাটিৰ চিৰস্থায়ী মহল এটা আজি বঙালীৰ স্বাৰ্থৰ গ্ৰাসত লুপ্ত হব লগীয়া হল। এই দৰেই এই কছাৰী মানুহ খিনিক বঙালী কীৰ্ত্তন গান-বাজনা দেখুৱাই বঙালী কৰি তুলিলে। এতিয়া আমাৰ দেশৰ সুসন্তানসকলক কওঁ যেন তেওঁবিলাকে এবাৰ এই মান-ভগনীয়া ভোদা মানুহ কিছৰলৈ কৃপা দৃষ্টি কৰে। আৰু ছিলেট কাছাৰত থাকি যি সকলে গৱৰ্ণমেণ্টৰ চাকৰি কৰিছেহি তেওঁবিলাকেও এই কথাত যদি এবাৰ চকু দিয়ে দেশৰ বহুত উপকাৰ হব বুলি আশা কৰিব পাৰি।

শ্ৰীথুলেশ্বৰ শৰ্ম্মা.
( মান-ভগনীয়া অসমীয়াৰ পুৰোহিত )।

---

# অসমীয়া ভাষাত স্বেচ্ছাচাৰিতা।

## ( প্ৰথম প্ৰবন্ধ )

**বাজিকৰৰ**—বৰ্ত্তমান অসমীয়া ভাষাৰ কথা-সাহিত্যৰ বিশেষ অভাৱৰ দিনত শ্ৰদ্ধেয় শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীদেৱৰ "**বাজিকৰৰ**" কিতাপখনিৰ আবিৰ্ভাব সময়োপযোগী হৈছে বুলি ভাবি বিশেষ আনন্দ পাইছিলোঁ আৰু আশা হৈছিল যে এই কিতাপে অন্ততঃ আংশিক ভাবেও অসমীয়া ভাষাৰ বিশেষ এটি অভাৱ দূৰ কৰিব। কিতাপখনি পঢ়ি সেই আশা আৰু আনন্দৰ ভাব দূৰ হৈছে আৰু মনত এনে এটা ভাব উদয় হৈছে যে এনে ধৰণৰ কিতাপে কেতিয়াও ভাষা আৰু সাহিত্যৰ কল্যাণ সাধিব নোৱাৰে।

শ্ৰদ্ধেয় বিদ্বান আৰু সৰ্ব্বজন পৰিচিত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীদেৱৰ লিখনিৰ পৰা এনে ধৰণৰ কিতাপ ওলাব পাৰে বুলি মই পূৰ্ব্বে কেতিয়াও সপোনতো ভবা নাছিলোঁ; কাৰণ ছপা আৰু সাধাৰণ সাজপাৰৰ বাহিৰে এই কিতাপখনিত ভাল বুলিবলৈ আমি একো বিচাৰি পোৱা নাই। সম্ভৱতঃ দুটি গল্পৰ সমষ্টিভাৱে কিতাপখনি প্ৰকাশ কৰা হৈছে, কিন্তু গল্প-সাহিত্যৰ প্ৰয়োজনীয় সৃষ্টি, ধাৰণা, ঘটনাৰ সমাবেশ বা ভাবৰ বিকাশ কোনোটি কথাই ইয়াত ঠাই পোৱা নাই। যদি নিতান্ত সাধাৰণ অসংলগ্ন বাক্য সমষ্টিয়েই গল্প হয় তেনে ইয়াৰ প্ৰবন্ধবিলাককো গল্প বুলি কব পাৰি।

প্ৰথম গল্প "বাজিকৰলৈ আমি পাঠকৰ মন আকৰ্ষণ কৰিব খোজোঁ। এই প্ৰবন্ধটি যে কি তাক কোৱা বৰ টান। ই অন্ততঃ গল্প যে নহয় তাক সকলোৱে সহজে অনুমান কৰিব পাৰিব। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ লিখনিৰ পৰা নোলাই আনৰ কাপৰ পৰা ওলোৱা হলে এনে ধৰণৰ ৰচনাৰ স্থান ক'ত হলহেতেন তাক ভাবিবই নালাগে।



অসমীয়া ভাষাৰ বানান সহজ নহয়। কিন্তু সেই বানানত নতুন প্ৰথা এটি চলাবলৈ বৃথা চেষ্টা কৰি আৰু জটিল কৰাটো নিতান্ত অসঙ্গত হৈছে। সম্ভৱতঃ গোস্বামীদেৱে জানে যে এইটো প্ৰথাৰ প্ৰচলনৰ চেষ্টাৰ সৰহ ভাগ কৃতী অসমীয়া সাহিত্যিকেই বিৰোধী। ইয়াত এই প্ৰথা কিয় চলাব নালাগে তাৰ কাৰণসমূহ উল্লেখ কৰাৰ প্ৰয়োজন নেদেখোঁ। সাহিত্য সভাৰ যোৰহাট অধিবেশন বহাৰ লগে লগে ইয়াৰ বিশদ সমালোচনা হোৱা আমাৰ মনত পৰে। বিশেষকৈ কোমল হৃদয় অসমীয়া ছাত্ৰক এনে ধৰণৰ অসঙ্গত নিতানতুন প্ৰথাই যে বিপদত পেলায় তাত কাৰো সন্দেহ থাকিব নোৱাৰে।

বানান বাদ দিলেও এই ক্ষুদ্ৰ কিতাপখনিত ব্যৱহাৰ কৰা ভাষা শ্ৰীহীন, সামঞ্জস্যবিহীন আৰু ঠায়ে ঠায়ে অৰ্থহীন। শব্দৰ ব্যৱহাৰ, ভাষাৰ ভঙ্গি, আৰু পকীয়া ৰচনা-প্ৰণালী সকলো বিষয়ে এই কিতাপত দোষ দেখা যায়।

এই কিতাপত অপ্ৰচলিত শব্দসমষ্টিৰ বহুল ব্যৱহাৰ কৰা হৈছে। খাচ অসমীয়াহে আমাৰ মাতৃ-ভাষা। অসমৰ দৰে কম মানুহে এটা ভাষা ব্যৱহাৰ কৰা ঠাইত ভাষালৈ দলাদলি সৃষ্টি কৰাৰ বা সৃষ্টি কৰিবৰ প্ৰয়াস পোৱাটো দেশৰ পক্ষে ঘোৰ অনিষ্টকৰ কথা। এটা ভাষা সঞ্জীৱিত কৰি তুলিবলৈ তাক নতুন নতুন শব্দ-সমষ্টিৰে পুষ্ট কৰি তুলিব লাগিব। কিন্তু এইটো মনত ৰাখিব লাগিব যে মূল সাহিত্যিক ভাষাৰ লগত সামান্য অমিল থকা পালিভাষা পৃথিবীৰ সকলো ঠাইতে আছে; এই পালিভাষাবিলাকক মূল ভাষাৰ দৰে ব্যৱহাৰ কৰিবৰ অধিকাৰ সাহিত্যিকৰ যে নাই তাক গোস্বামীদেৱে নিশ্চয় জানে। অৱশ্যে সেই পালি ভাষাত যদি সাহিত্য সম্ভাৰ সৃষ্ট হৈ দেশক আকৃষ্ট কৰে তেতিয়া হলে সেই পালি ভাষাই সময়ৰ লগে লগে মূল ভাষাত পৰিণত হব পাৰে। কিন্তু শ্ৰীযুত গোস্বামীদেৱে যদি ভাবিছে যে এই আলোচ্য পুথিখনিৰ দৰে অকামিলা কিতাপ লিখি তেখেতে সেই উদ্দেশ্য সাধন কৰিব খোজে তেন্তে বন্ধুভাৱে আমি তেখেতক ক'বলৈ বাধ্য যে এইটো তেখেতৰ ব্যৰ্থ প্ৰয়াস হ'ব। যি ধন ব্যয় কৰি তেখেতে এই পুথিখনি প্ৰকাশ কৰিছে, সেই ধনেৰে তেখেতে প্ৰতিভাবান কোনো লিখকৰ এখনি পুথি প্ৰকাশ কৰা হ'লে ভাল হ'লহেতেন। অৱশেষত ভৱিষ্যতে তেখেতক এনে ধৰণৰ নিস্ফল সৃষ্টিৰ প্ৰয়াসত তেখেতৰ মূল্যবান সময় নষ্ট নকৰিবলৈ আমি তেখেতৰ ওচৰত সবিনয়ে নিবেদন জনাওঁ।

শ্ৰীলক্ষ্মীধৰ শৰ্ম্মা.
(তেজপুৰ)।

---

# সমালোচনা।

১। **পুনৰুত্থান** ( পদ্যপুথি ) —শ্ৰদ্ধাস্পদ সাহিত্যিক শ্ৰীযুক্ত বেণুধৰ ৰাজখোৱা বি, এ, ডাঙৰীয়াৰ দ্বাৰাই ৰচিত আৰু প্ৰকাশিত আৰু ১১ পৃষ্ঠাত সম্পূৰ্ণ। উপহাৰ-লিখিত ৰাজখোৱা ডাঙৰীয়াই নিজে কৰ্ম্মক্ষেত্ৰত নামিব নোৱাৰিলে বুলি অসমৰ কৰ্ম্মীগুৰুসকলক জনাইছে; আৰু পুনৰুত্থানৰ পিছত শক্তি অনুসৰি কৰ্ম্মত আত্মনিয়োগ কৰিবলৈ আশা কৰি এই কবিতাটি আগ-জাননী স্বৰূপে

উক্ত কৰ্ম্মগুৰুসকলৰ হাতত অৰ্পণ কৰিছে। স্ত্ৰী-পুৰুষ উভয়ৰ সন্মিলিত শক্তিৰে অসমজননীক স্ব-সমা গঢ়ি তুলিবলৈ ৰাজখোৱা ডাঙৰীয়াই যি সুসপোন দেখিছে, সেয়ে সকলো অসমীয়াৰ লক্ষ্য হোৱা উচিত।

২। চোৰৰ সৃষ্টি—শ্ৰীযুক্ত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ দ্বাৰাই ৰচিত, ৭৯ পৃষ্ঠাত সম্পূৰ্ণ এখনি ধেমেলীয়া নাট। আখ্যানটি সুন্দৰকৈ সংজোৱা হৈছে। এই নাটকখনি পঢ়োঁতে চেক্‌স্পিয়েৰৰ "ভ্ৰম-ৰঙ্গ" (Comedy of Errors)ৰ ঘটনালৈ মনত পৰে। গভাইত চোৰে যোৱা নিমিলাকৈ বিয়া পতা ডুধৰৰ দৰা ছোৱালীক স্বভাৱ বুদ্ধি কৌশলেৰে সৈতে ইয়ৰ সিয়ৰ কৰি নকৈ যোৱা মিলাই ডখন ঘৰৰ হিত সাধিলে আৰু তাতে উদাৰপন্থী সত্ৰাধিকাৰে সন্মত দিলে হিন্দুধৰ্ম্মীত বিবাহ-বৰ্জ্জন প্ৰথা চলালে সমাজৰ উপকাৰ হব বুলি উক্ত সত্ৰাধিকাৰে বুজাব খুজিছে; এই বিষয়ত মতভেদ জনাজাত—তথাপি ধেমেলীয়া নাটস্বৰূপে ৰাজখোৱা ডাঙৰীয়াৰ পুথিখনিয়ে আসামৰ ৰঙ্গমঞ্চত সমাদৰ পাব বুলি আমি আশা কৰিছোঁ। দাম ১৲ টকা সৰহ হৈছে; এনেকুৱা কিতাপৰ দাম কম হলেহে প্ৰচাৰ বেচি হয়।

৩। নামাঞ্জলি—শ্ৰীমতী অন্নদা দেবী বৰকটকী-প্ৰণীত, ৯৬ পৃষ্ঠাত সম্পূৰ্ণ নামৰ কিতাপ। ইয়াত অসমীয়া হিন্দু তিৰোতাসকলৰ ধৰ্ম্মকাৰ্য্যৰ উপযোগী কিছুমান সুন্দৰ নাম সুললিত জাত লগাই গাব পৰাকৈ প্ৰকাশ কৰিছে। তিৰোতা সকলে নাম গোৱা ৰীতি আমাৰ দেশত অনেক দিনৰ পৰা চলি আহিছে; বিয়া-নাম আৰু আই-নামৰ পুথি আগে দুই তিনিখন মান ওলাইছে; কিন্তু পৃথক পৃথক পৰ্ব্বৰ উপলক্ষ্যে গাব পৰা উপযোগী নাম এই পুথিতে প্ৰথম প্ৰকাশ হৈছে। তিৰোতা সকলে গোৱা নামো সঙ্গীতৰ এটি প্ৰধান অঙ্গ; ইয়াৰ অভাব দূৰ কৰিবলৈ ৰচয়িত্ৰীয়ে সুন্দৰ চেষ্টা কৰিছে; আৰু তাৰ বাবে তেখেত আমাৰ শলাগৰ পাত্ৰী। নাৰীজাতি স্বভাৱতে ধৰ্ম্মপ্ৰাণা; পুৰুষে যেনেকৈ দেৱ দেৱীৰ স্তোত্ৰাদি পাঠ কৰে, তেনেকৈ আইসকলে গোঁসাই-গোঁসানীৰ উদ্দেশ্যে নাম গায়। এই "নামাঞ্জলি"ৰ দাম ।৶০ অনা নিয়মীয়া হৈছে আৰু হিন্দু তিৰোতাসকলৰ সমাজত "নামাঞ্জলিয়ে" উপযুক্ত সমাদৰ পাব বুলি আমি আশা কৰিছোঁ।

৪। "চাণক্য-শ্লোক—শ্ৰীযুত মহেশচন্দ্ৰ শৰ্ম্মা কটকীৰ দ্বাৰা সম্পাদিত; ৪৯ পৃষ্ঠাত সম্পূৰ্ণ, দাম ৶০ অনা মাথোন। ভাৰতীয় ইতিহাস-প্ৰসিদ্ধ ৰাজনীতিজ্ঞ পুৰুষ চাণক্যৰ সুন্দৰ নীতিপূৰ্ণ শ্লোক খিনি সংস্কৃত ভাষাত অতুলনীয় ৰত্নস্বৰূপ। তাৰ ভিতৰত বাছকবনীয়া ১১৬ টি শ্লোক কটকী ডাঙৰীয়াই অসমীয়া ভাঙনিৰে সৈতে প্ৰকাশ কৰিছে আৰু ঠায়ে ঠায়ে উপযোগী উদাহৰণেৰে সৈতে নীতি-বচন বিশদকৈ বুজাই দিছে। কটকীৰ উদ্যমৰ বাবে আমি তেখেতক ধন্যবাদ দিছোঁ; এই পুথিৰ পৰা সংস্কৃত-শিক্ষাৰ্থী অসমীয়া ছাত্ৰসকলৰ নিশ্চয় উপকাৰ হব আৰু ছাত্ৰসকলে ইয়াৰ সদ্ব্যৱহাৰ কৰিব বুলি আশা কৰিছোঁ।

৫। মূৰ্খ-শতক—শ্ৰীযুত জনাৰ্দ্দন আচাৰ্য্য, ব্যাকৰণতীৰ্থ, ব্যাকৰণশাস্ত্ৰী, সাহিত্য-ভূষণৰ দ্বাৰা সম্পাদিত। সংস্কৃত "মূৰ্খ-শতক"ৰ ২৬ টি শ্লোকত এশ প্ৰকাৰ মূৰ্খৰ লক্ষণ বৰ্ণোৱা আছে; তাকে আচাৰ্য্যদেৱে অসমীয়া ভাঙনিৰে সৈতে প্ৰকাশ কৰিছে আৰু শ্লোকখিনি অসমীয়া পদ্যলৈ ভঙাৰ উপৰিও তলত প্ৰত্যেক প্ৰকাৰ মূৰ্খৰ লক্ষণ বিশেষকৈ বুজাই দিছে। "চাণক্য-শ্লোক"ৰ নিচিনা নীতিপূৰ্ণ এই "মূৰ্খ শতকে"ও সংস্কৃতশিক্ষাৰ্থী ছাত্ৰসকলৰ উপকাৰ সাধিব আৰু ইয়াৰ কথাখিনি মনত ৰাখি চলিলে সৰ্ব্বসাধাৰণে এসময়ত নহয় এসময়ত উপকাৰ পাব। পদ্য আৰু গদ্য ভাঙনি উভয়েই সুন্দৰ হৈছে আৰু তিনি অনীয়া দামৰ এই সৰু পুথিখনিয়ে ৰাইজৰ পৰা আদৰ পাব বুলি আমি আশা কৰিছোঁ।



৬। চিত্ৰ-দৰ্শন—উপন্যাস, অসম কামৰূপৰ স্বাধীনতা যুগৰ চিত্ৰ—শ্ৰীযুত হৰিনাৰায়ণ দত্তবৰুৱা প্ৰণীত আৰু শ্ৰীযুত অজধৰ বৰকটকীৰ দ্বাৰাই প্ৰকাশিত; ২৭৪ পৃষ্ঠাত সম্পূৰ্ণ; দাম ১৷০ সাত মহা। পঢ়াশলীয়া নানাতৰহৰ কিতাপ লিখাৰ উপৰিও সুশিক্ষক দত্ত বৰুৱাই ইতিপূৰ্ব্বেই সমাজ-কথা, গৃহ-কথা আদি গল্পৰ কিতাপ প্ৰকাশ কৰি অসমীয়া ৰাইজক সাহিত্য-সেৱাৰ নিদৰ্শন দেখুৱাইছে। বৰ্ত্তমান আলোচ্য চিত্ৰ-দৰ্শন উপন্যাসত দত্ত বৰুৱাৰ কৃতিত্ব সম্পূৰ্ণ প্ৰকাশ পাইছে—এই উপন্যাসখনি বাস্তবিক মনোহৰ হৈছে আৰু পুৰণি আসামৰ স্বাধীনতা যুগৰ ৰজা, বিষয়া আৰু প্ৰজাৰ শাসন-বিষয়ক আৰু সমাজিক চিত্ৰ ইয়াত ফুটি উঠিছে। ভাৰত-বিজেতা মোগল-শক্তিৰ আৰু চিৰ প্ৰসিদ্ধ ৰাজপুত শৌৰ্য্যৰ বিষম মিলন উপেক্ষা কৰি অসমীয়া ৰজা, বিষয়া আৰু সৈন্যসকলে কিদৰে শত্ৰুপক্ষক বাৰে বাৰে পৰাস্ত কৰিছিল আৰু নিজৰ দেশৰ আৰু জাতিৰ গৌৰৱ ৰক্ষা কৰিব পাৰিছিল তাকে দেখুৱাই লিখকৰ উদ্দেশ্য আৰু সেই উদ্দেশ্য সুসাধিত হৈছে বুলি আমি দত্ত বৰুৱাৰ শলাগ লৈছোঁ। উপন্যাস হিচাপেও ছদ্মবেশী মন্ত্ৰী-সন্ন্যাসী, আৰু ফকিৰ, দৰঙীৰজা, আৰু বৰফুকন, উদয়-কোঁৱৰ আৰু ভৱানী, কুঁৱৰী, ভীমসিংহ আৰু বাসন্তী, দণ্ডধৰ সেনাপতি আৰু ভানুমতী, ভৈৰৱ আৰু মালতী আদিৰ চৰিত্ৰ সুন্দৰকৈ সজোৱাত লিখক কৃতকাৰ্য্য হৈছে। উপন্যাসৰ ছাঁ লৈ লিখকে প্ৰাচীন অসমৰ ঐতিহাসিক গৌৰৱ প্ৰকাশ কৰি নবীন অসমীয়া যুৱকসকলক পূৰ্ব্বপুৰুষসকলৰ শৌৰ্য্য-বীৰ্য্যৰ কাহিনী সোঁৱৰাই দিয়াটো বৰ্ত্তমান কালত সোণত সুৱগা চৰোৱাৰ দৰে হৈছে। উপন্যাসৰ মাজত ছেগ বুজি পুৰুষবেশধাৰী ভানুমতী বা মাধৱৰ, গোপাল ডাক্তাৰ, আৰু উপৰোক্ত সংসাৰ ত্যাগী মন্ত্ৰী সন্ন্যাসী বা ফকিৰৰ, আৰু মোগল-সেনাবাসীৰ দ্বাৰা প্ৰপীড়িত দেশৰ দুৰ্দ্দশাত কষ্ট পোৱা ব্ৰাহ্মণজনৰ মুখে দি নীতি আৰু ধৰ্ম্মৰ স্থান কালোপযোগী আলোচনাই উপন্যাসখনিৰ গাম্ভীৰ্য্য বঢ়াইছে আৰু তেউতিও চৰাইছে। শত্ৰুপক্ষ হলেও মোগল বীৰ বাহাদুৰ ছাঁ আৰু ৰাজপুত বীৰ অম্বৰাধীপতি ৰামসিংহৰো মহত্বগুণ দেখুৱা হৈছে।

অভীষ্ট চিত্ৰদৰ্শনত কুঁৱৰীৰ সৌভাগ্য ৰবিৰ উদয়াশা, আৰু জনতাই চিত্ৰদৰ্শনত কোৱঁৰ কুৱঁৰীৰ ভিতৰত প্ৰীতিনাশৰ সম্ভাৱনা আৰু মনোমালিন্য সৃষ্টিৰ আশঙ্কাৰ দ্বাৰাই—উপন্যাসৰ "চিত্ৰ-দৰ্শন" নামৰ সাৰ্থকতা প্ৰতিপাদিত হৈছে। আমাৰ ভাষাত এনেধৰণৰ উপন্যাসৰ অভাৱ বহুদিনৰে পৰা সকলোৱে অনুভব কৰিছে আৰু সেইবাবে ই ৰাইজৰ পৰা আদৰ পাব বুলি আমি আশা কৰিছো।

কিতাপৰ বাহ্যিক আবৰণ মনমোহা হৈছে আৰু সেই বাবে এই পুথিখনি পুৰস্কাৰ আৰু লাইব্ৰেৰীৰ সম্পূৰ্ণ উপযোগী হৈছে। এনে সুন্দৰ কিতাপৰ অশেষ বৰ্ণাশুদ্ধি "ফুলত পোক" হোৱাৰ দৰে হ'ল। কিছুমান কামৰূপীয়া ভাৱ প্ৰকাশক শব্দ আৰু নামনী আসামত প্ৰচলিত সুন্দৰ বাক্যালঙ্কাৰ খাপখোৱাকৈ ব্যৱহাৰ কৰা শোভনীয় হৈছে; কিন্তু কিছুমান শব্দৰ বিকৃত বিন্যাস সমানে দূষণীয় হৈছে; এই শেষৰ দোষটি শ্ৰীযুত দত্ত বৰুৱাৰ নিচিনা সুলিখকৰ পৰা সাহিত্যিক সমাজে আশা নকৰে। দাম সাতমহা সৰহ হ'ল— এটকামান হোৱা হলে উপহাৰ দিবৰ নিমিত্তে এই কিতাপ সৰ্ব্বসাধাৰণ সহজ-লভ্য হ'লহেঁতেন।

৭। শ্ৰীশ্ৰীমদ্ভাগবদ্গীতা—অসমীয়া ভাঙনি আৰু টীকা সহিতে শ্ৰীযুত হলিৰাম মহন্ত ঠাকুৰৰ দ্বাৰাই সম্পাদিত আৰু যোৰহাটৰ বৰকটকী কোম্পানীৰ দ্বাৰাই প্ৰকাশিত—দাম ১৷০ পাঁচ মহা

—৯

২২+৬৫০=৬৭২ পৃষ্ঠাত সম্পূর্ণ। পৌৰাণিক ভাৰত যুদ্ধৰ সময়ত শ্ৰীশ্ৰীকৃষ্ণৰ মুখৰ পৰা ওলোৱা আৰু পাণ্ডৱ বীৰ ধনঞ্জয়ক উদ্দেশ্য কৰি কোৱা গীতা শাস্ত্ৰ হিন্দুসকলৰ পৰম আদৰৰ ধৰ্ম্ম-গ্ৰন্থ আৰু ই সংস্কৃত সাহিত্যৰ অমূল্য ৰত্নস্বৰূপ। এই গীতা শাস্ত্ৰক অসমীয়া সাজেৰে সজাই অসমীয়াৰ মাজত বহুল প্ৰচাৰ কৰিবলৈ শ্ৰীযুত মহন্ত ঠাকুৰদেৱে যত্ন কৰা বাবে আমি তেওঁৰ শলাগ লৈছোঁ। অসমীয়া সাহিত্যৰ ৰত্ন স্বৰূপ "নাম-ঘোষা" সটিক সংস্কৰণ এটি ইতিপূৰ্ব্বেই প্ৰকাশ কৰি শ্ৰীযুত মহন্ত ঠাকুৰে অসমীয়া ৰাইজৰ শ্ৰদ্ধাৰ পাত্ৰ হৈছে আৰু এই উভয় সুকৃতিৰ দ্বাৰাই তেওঁতে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিছে। মূল সংস্কৃত শ্লোকখিনি শুদ্ধকৈ ছপোৱা হৈছে, আৰু সংস্কৃত ব্যাখ্যাও সুবোধ্য হৈছে; কিন্তু বিশেষকৈ তেওঁৰ সুন্দৰ আৰু বিশদ ভাঙনিৰ বাবে সম্পাদক অসমীয়া ৰাইজৰ শলাগৰ পাত্ৰ হৈছে। মুঠতে কবলৈ গলে "শ্ৰীশ্ৰীনামঘোষা" আৰু "শ্ৰীশ্ৰীমদ্ভাগৱদ্গীতা" মহন্তঠাকুৰৰ দুটি যুগমীয়া সু-কীৰ্ত্তি আৰু অসমীয়া ৰাইজৰ আদৰৰ বস্তু। দাম অলপ বেচি হ'ল—১৲ এটকা। সৰ্ব্বসাধাৰণৰ পক্ষে উপযোগী বুলি আমি ভাবোঁ।

## সম্পাদকৰ কথা।

জগদীশ্বৰৰ অনুগ্ৰহত অশেষ অসুবিধাৰ মাজেদি সাহিত্য-সভা-পত্রিকাৰ কথমপি পঞ্চম বছৰ পূৰ্ণ হৈছে, আৰু এই সুযোগতে যাতে পত্রিকাই সাহিত্য-সভাৰ মুখপত্ৰ স্বৰূপে সভাৰ নাম উজ্জ্বল আৰু স্থায়ী কৰিবলৈ সমৰ্থ হয়, তাৰ নিমিত্তে আমি পৰমপিতা পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি আমাৰ ভক্তিপূৰ্ণ শতকোটি সেৱা জনাইছোঁ। এই ছেগতে আমাৰ সদাশয় গ্ৰাহকসকলক আমি ধন্যবাদ জনাইছোঁ; আৰু পত্রিকাৰ সম্পাদকীয় সমিতিৰ সভ্যসকলৰ শলাগ লৈছোঁ।

"আসাম সাহিত্য সভা"ৰ প্ৰতি অসমীয়া ৰাইজৰ যথোচিত আদৰ প্ৰকাশ পোৱা নাই বুলি আমি ভাবিবলৈ বাধ্য হৈছোঁ। প্ৰত্যেক দেশহিতৈষী শিক্ষিত অসমীয়াই এই সভাৰ প্ৰতি সদয় চকুৰে চাব লাগে আৰু ইয়াৰ সভ্য-তালিকাত নিজৰ নাম ভুক্ত কৰাটো গৌৰৱৰ কথা বুলি ভাবিব লাগে। প্ৰত্যেক সভ্যই সভাৰ সুনাম প্ৰচাৰিবলৈ আৰু সভাৰ মুখ-পত্ৰ এই পত্রিকাৰ বহুল প্ৰচাৰ কৰাবলৈ যত্ন কৰিব লাগে। "সুমাৰ লগীয়া" অসমীয়া ভাষাৰ নাম ৰক্ষা কৰি যিসকল ভাষা-শুৱিয়ালে আমাৰ মাতৃ-ভাষাক বৰ্ত্তমান অৱস্থাত পেলাইছে, তেওঁলোকসকলৰ আদৰ্শ লৈ অসম আইৰ শিক্ষিত আৰু কৃতী সন্তানসকলে ভাষা আৰু সাহিত্যৰ শ্ৰীবৃদ্ধি-সাধন কৰিবলৈ ব্ৰতী হোৱা উচিত; আমি সেই উদ্দেশ্যেৰে ইয়াৰ আগৰ কেইটা সংখ্যা পত্রিকাত প্ৰবন্ধৰ নাটনিৰ কথা উল্লেখ কৰি সাহিত্যিকসকলৰ সহায় ভিক্ষা কৰি আহিছোঁ; কিন্তু সেই প্ৰাৰ্থনাই আশানুৰূপ দৃষ্টি আকৰ্ষণ নকৰা যেন দেখি তাকে দোতাৰিব লগীয়াত পৰিছোঁ।

দ্বিতীয়তঃ পত্রিকাৰ ৰৱঙনিৰ ধন গ্ৰাহকসকলৰ ভিতৰত সৰহ ভাগৰ পৰা কেইবা বছৰো পোৱা নাই; দাম-লেখ ডাকত পঠালেও পত্রিকা



উলটি আহে আৰু তাৰ বাবে ডাক খৰচখিনি সভাৰ লোকচান হয়। সেই বাবে নিজৰ নিজৰ দিবলগীয়া ধনখিনি সোনকালে পঠাই দি পত্রিকাক অৰ্থসাহায্যেৰে সহায় কৰিবলৈ গ্ৰাহকসকলক অনুৰোধ কৰা হল।

পত্রিকাৰ পাঁচ বছৰীয়া শৈশৱ অৱস্থাৰ অন্ত হোৱাৰ আকৃতি প্ৰকৃতিৰ পৰিবৰ্ত্তন কৰিব পৰাকৈ ৰাইজৰ পৰা সৰ্ব্ব প্ৰকাৰ সহায় পাবলৈ সম্পাদকীয় সমিতিয়ে আশা কৰিছে। শেহত ওপৰত উল্লিখিত অসুবিধাৰ বাবে আমি সময়মতে পত্রিকা নিয়মীয়াকৈ প্ৰকাশ কৰিব নোৱাৰা বাবে আমাৰ ত্ৰুটী স্বীকাৰ কৰিছোঁ—আৰু সেইবাবে ৰাইজৰ মাৰ্জ্জনা বিচাৰিছোঁ।

## ভুল-শুধৰণি।

যোৱা ৩য়-৪ৰ্থ সংখ্যা পত্রিকাত প্ৰকাশ হোৱা "আৰ্য্যসকলৰ বংশ-নিৰ্ণয়" প্ৰবন্ধৰ ভিতৰত ৫২ পৃষ্ঠাত দুটা কথা ভুল হল; তাক তলত শুধৰাই দিয়া হৈছে :—

(১) সূৰ্য্যৰ পুত্ৰ বিবস্বান্ নহয়; সূৰ্য্যৰ অন্য নাম বিবস্বান্। এই বিবস্বানৰ পুত্ৰ মনুক, বৈবস্বত মনু বোলে।

(২) সত্যব্ৰতৰ পুত্ৰ ত্ৰিশঙ্কু নহয়; কিন্তু সত্যব্ৰতৰ স্বভাৱৰ দোষত বশিষ্ঠৰ ত্ৰিশঙ্কু নাম হল। এই বিষয়ে যি উপাখ্যান আছে তাক পিছত প্ৰকাশ কৰিবলৈ মন আছে।

শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য,

যোৰহাট।

# পঞ্চম বছৰৰ বিষয়-সূচী।


| বিষয় | লিখক | পৃষ্ঠা |
| --- | --- | --- |
| অসমীয়া ভাষা | শ্ৰীযুত আনন্দচন্দ্ৰ বৰুৱা | ৩৪, ৮৪ |
| অসমীয়া ভাষাত স্বেচ্ছাচাৰিতা | ,, লক্ষ্মীধৰ শৰ্ম্মা, এম্.এ, বি, এল্ | ১৬৪ |
| অসমীয়াৰ মহিলা কবি | ,, আনন্দচন্দ্ৰ বৰুৱা | ১৪৩ |
| আধাসকলৰ বংশ-নিৰ্ণয় | ,, কৃষ্ণকান্ত ভট্টাচাৰ্য্য | ৪৯, ১০৩ |
| আহাৰ (মাহ) (পদ্য) | ,, খগেশ্বৰ নাথ বৰা | ১৬০ |
| কলম্বচৰ প্ৰথম যাত্ৰা | ,, উপেন্দ্ৰনাথ বৰুৱা | ১২৮ |
| কাইথেলী অঙ্ক | ,, দণ্ডীৰাম দত্ত | ৬২ |
| কাইথেলী অঙ্ক অনুসন্ধান | ,, ,, | ৩৬ |
| কীৰ্ত্তনৰ আৰম্ভণ | ,, হৰিনাৰায়ণ দত্তবৰুৱা | ১১৬ |
| কৃষ্ণভক্তিমূলক গীত-দোষা | ,, চলিৰাম হাজৰিকা | ১১৯ |
| গোত্ৰ আৰু প্ৰবৰ | ,, কৃষ্ণকান্ত ভট্টাচাৰ্য্য | ১২১ |
| চকীয়ালৰ বুৰঞ্জি | ,, হিতেশ্বৰ বৰবৰুৱা | ১৫ |
| চিন্তা কিহৰ ( পদ্য ) | ,, লক্ষ্মীনাথ ফুকন | ২৩ |
| ছাত্ৰী বনাম অভিভাবক | মৌঃ চান্দ মহম্মদ চৌধুৰী | ৮৬ |
| তিস্তা | শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস | ১৪৫ |
| দুৰ্লভ নাৰায়ণ আৰু ধৰ্ম্মপাল | ,, হৰিনাৰায়ণ দত্তবৰুৱা | ২৭ |
| ,, ,, সম্পৰ্কে এখনি চিঠি | ,, হৰিনাথ পাঠকচৌধুৰী | ৬৩ |
| "দেহাৰ প্ৰলয়"ৰ সমিধান (পদ্য) | মৌঃ মফিজুদ্দিন আহ্মদ হাজৰিকা | ৩৩ |
| দোহাৱলী | শ্ৰীযুত মহেশচন্দ্ৰ শৰ্ম্মাকটকী | ১২৪ |
| নিমাতী অসম (পদ্য) | ,, "কামৰূপী" | ১৪৩ |
| পহমুৰীয়া গোস্বামীৰ তামৰ ফলি | ,, কৃষ্ণকান্ত ভট্টাচাৰ্য্য | ৪৪ |
| পাৰিজাত | ,, উমাকান্ত মিশ্ৰ | ১১৩ |
| পুৰাণ গীত | ,, শ্ৰীৰামচন্দ্ৰ দাস | ১৪৮ |
| ,, উপৰঞ্জি সংগ্ৰহ | ,, ,, | ১৫০ |
| বোৱা-কটা | ,, ডি. মেধি | ১৩ |
| ভক্ত সাধক তুলসীদাসৰ চমু জীৱনী | ,, মহেশচন্দ্ৰ শৰ্ম্মাকটকী | ৩৯ |
| ভাষাৰ কথা | ,, শ্ৰীৰামচন্দ্ৰ দাস | ৬০ |
| ভুল-শুধৰণি | ,, কৃষ্ণকান্ত ভট্টাচাৰ্য্য | ১৬৯ |

| বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|
| মহাপুৰুষ শ্ৰীমাধৱদেৱৰ ধৰ্ম্মমত | ,, ডিম্বেশ্বৰ নেওগ বি,এছ,চি, বি, এল্ | ১ |
| মান-ভগনীয়া অসমীয়াৰ কথা | শ্ৰীযুত ধুলেশ্বৰ শৰ্ম্মা | ১৬১ |
| মালতী-মাধৱ নাটকৰ টোকা | ,, উমাকান্ত মিশ্ৰ | ২৪ |
| লাইব্ৰেৰী পৰিচালন | ,, খগেশ্বৰ নাথ বৰা | ১৫৫ |
| শ আৰু স ৰ অসমীয়া উচ্চাৰণ | মৌঃ মফিজুৰ ৰহমান | ২৫ |
| শিশু আৰু বসন্ত (পদ্য) | শ্ৰীযুত মিত্ৰদেৱ মহন্ত | ১২ |
| শ্ৰীশ্ৰীনৰদেৱ-চিত্ৰপটৰ আৱৰণ-উন্মোচন :— | ... ... | ৯১-৯৪ |
| (ক) প্ৰধান সম্পাদকৰ নিবেদন | শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা | ৯১ |
| (খ) সভাপতিৰ বক্তৃতা | শ্ৰীশ্ৰীযুক্ত গড়মূৰীয় গোস্বামী | ৯২ |
| (গ) শলাগৰ শৰাই | শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা | ৯৪ |
| সন্তমালা (পাতনি) | ,, হৰিনাৰায়ণ দত্তবৰুৱা | ১৩৩ |
| ,, (পুথি) | ৺দ্বিজ বৈকুণ্ঠনাথ | ১৩৪ |
| সন্তাৱলী পুথি | শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস | ৬৬ |
| সভাপতিৰ অভিভাষণ | ,, শৰৎ চন্দ্ৰ গোস্বামী ,বি এ, বি, টি, | ৭২ |
| সমালোচনা | ,, সম্পাদক | ৪৬, ৯৮, ১৬৫ |
| সম্পাদকৰ কথা | ,, | ৪৮, ৯৫, ১৬৮ |
| সম্পাদকলৈ চিঠি | মৌঃ মফিজুৰ ৰহমান | ১০২ |
| সান্ত্বনা (পদ্য) | মৌঃ চান্দ মহম্মদ চৌধুৰী | ১৪৬ |


# প্ৰকাশকৰ জাননী।

যোৱা ২৭।১।৩২ তাৰিখে বহা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ বৈঠকত বৰ্ত্তমান আসাম সাহিত্য সভাৰ আৰ্থিক অৱস্থা বিশদৰূপে আলোচনা কৰা হৈছিল। যোৱা বছেৰেকীয়া সন্মিলনৰ দিনলৈকে গৱৰ্ণমেণ্টৰ সাহায্য ৩০০০৲ টকা পাবলৈ আশা কৰা হৈছিল। কিন্তু গৱৰ্ণমেণ্টে নিজৰ আৰ্থিক অৱস্থা বেয়া বুলি উক্ত সাহায্য দান দিবলৈ অস্বীকাৰ কৰাত উক্ত সমিতিয়ে সিদ্ধান্ত কৰে যে পঞ্চম বছৰৰ পত্ৰিকাৰ প্ৰকাশৰ অন্তত পত্ৰিকা প্ৰকাশ স্থগিত থাকিব লাগে। উক্ত সিদ্ধান্ত মতে আমি আমাৰ গ্ৰাহক পাঠক আৰু সকলো হিতৈষীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি সভাৰ আৰ্থিক অৱস্থা পুনঃ টনকিয়াল নহয় মানে বিদায় লবলৈ বাধ্য হলোঁ। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰস্তাৱ আৰু মীমাংসাৰ নকল তলত দিয়া হল :—

* * * * *

৭ম প্ৰস্তাৱ :—"সাহিত্য-সভা-পত্ৰিকা"ৰ প্ৰকাশ স্থগিত কৰিবৰ নিমিত্তে শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা ডাঙৰীয়াৰ পৰা ১৭।১।৩২ তাৰিখে পোৱা প্ৰস্তাৱ পাঠ আৰু আলোচনা কৰাৰ অন্তত বহুসম্মতিমতে পত্ৰিকাৰ প্ৰকাশ বৰ্ত্তমানলৈ স্থগিত কৰা হয় আৰু তলত লিখা প্ৰস্তাৱ গৃহীত হয় :—

> 'সভাৰ টকাৰ অনাটন হোৱাৰ বাবে, বিশেষকৈ গৱৰ্ণমেণ্টৰ পৰা পাব লগীয়া আৰ্থিক সাহায্য ৩০০০৲ হেজাৰ টকা নোপোৱা বাবে পত্ৰিকা-প্ৰকাশ অসম্ভৱ হৈছে; সেই গুণে সভাৰ অৱস্থা টনকিয়াল নোহোৱালৈকে পৰৱৰ্ত্তী সাহিত্য সন্মিলনৰ অনুমোদনসাপেক্ষে পত্ৰিকা-প্ৰকাশ বৰ্ত্তমানলৈ স্থগিত ৰখা হওক।'

শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মাই উক্ত প্ৰস্তাৱ এই সমিতিত মীমাংসা হোৱাৰ বিৰুদ্ধে আপত্তি জনায় আৰু পত্ৰিকা স্থগিত কৰিবলৈ সন্মিলনৰ হে অধিকাৰ বুলি মূল প্ৰস্তাৱৰ প্ৰতিবাদ কৰে।"

* * * * *

শ্ৰীদেৱেশ্বৰ চলিহা,
প্ৰধান সম্পাদক আৰু প্ৰকাশক।